REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

Assam Legislative Assembly Debates

सत्यमेव जयते

1989

DP768

OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

VO. III

NO. 31—34

The 4th April, 1979

Geetali Art Press, G. S. Road, Dispur, Guwahati—781 022

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

(Budget Session)

Volume— III

No— 31

Dated the 4th April, 1979.

CONTENTS.

		Page No.
1.	Questions	5— 54
2.	Miscellaneous	54— 58
3.	Laying of papers	58
4.	Report of the Bousiness Advisory Committe ...	58— 59
5.	Calling Attention	59— 61
6.	Matter under rule 301	61— 71
7.	Consideration and Passing of Government Bills ...	71—156
	(i) The Assam Scheduled Castes and Scheduled Tribes (Reservation of Vacancies in the Services and Posts) Bill, 1978.	
	(ii) The Assam Shops and Establishments (Amendment) Bill, 1979.	
	(iii) The Assam Land Revenue Re-assessment (Amendment) Bill, 1979.	
8.	Adjournment	157

Proceedings of the third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday, the 4th April, 1979 with the Hon. Speaker in the Chair, 12 (twelve) Ministers, 4 (four) Minister of State, 2 (two) Parliamentary Secretries/Deputy Ministers and 50 (fifty) Members present.

——

STARRED QUESTIONS AND ANSWERS

Date : 4th April 1979

(To which oral answers were given)

———

বিষয় ঃ গুৱাহাটী মহানগৰীৰ চিটিবাছ

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

*৪৯২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী মহানগৰীত দিনে কেইখন চিটিবাছ চলাচল কৰে ?

(খ) বৰ্ত্তমান বৰ্দ্ধিত জনসংখ্যাৰ পৰিপ্ৰেক্ষিতত এই চিটিবাছ সমূহ যথেষ্ট যে হোৱা নাই এই কথা চৰকাৰে জানেনে ?

(গ) যদি জানে তেন্তে পৰিবহন বিভাগে এই সম্পৰ্কে কি ব্যৱস্থা কৰিব খুজিছে ?

শ্ৰীজহিৰুল ইছলাম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ-

৪৯২। (ক)— বৰ্ত্তমানে গুৱাহাটী মহানগৰীত মুঠ ১২০ খন চিটিবাছ চলাচল কৰে, তাৰে ৯৮ খন বে-চৰকাৰী বাছ আৰু ২২ খন পৰিবহন নিগমৰ।

(খ)— হয় জানে।

(গ)— পৰিবহন নিগমৰ বাছৰ সংখ্যা বৃদ্ধি কৰাৰ কথা বিবেচনাধীন হৈ আছে আৰু ভৱিষ্যতে গুৱাহাটী মহানগৰীৰ বাবে সুকীয়া পৰিবহন নিগম এটা, স্থাপন কৰাৰ কথাও চিন্তা কৰা হৈছে। বৰ্ত্তমানে চিটিবাছৰ সংখ্যা বঢ়াবলৈ কোনো লোকে 'পাৰমিট' বিচাৰিলে তেনে 'পাৰমিট' দিয়াৰ ব্যৱস্থাও বাহাল আছে।

শ্ৰীমুকুট শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে পৰিবহন নিগমৰ যি ২২ খন চিটিবাছ চলিছে এই নিগমক চিটিবাছৰ কাৰণে চৰকাৰৰ ফালৰ পৰা বেলেগ কিবা অনুদান আগবঢ়োৱা হৈছে নে কি ? আৰু বৰ্ত্তমান যিবিলাক চিটিবাছ চলি আছে সেই বিলাক আগৰ পুৰণা বাছকে নতুনকৈ নীলা ৰং দি চলাবলৈ

দিয়া হৈছে নে কি ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ইমান দিনে নাছিল, অলপতে যোৱা মাৰ্চ মাহত পোন প্ৰথম বাৰৰ কাৰণে টকা পইচা দিয়া হৈছে। ইমান দিনে পুৰণা বাছবোৰকে ৰিনোভেট কৰি কোনো ৰকমে চলাই থকা হৈছিল।

শ্ৰীমুকুট শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে দিনৌ পুৱা দহ বজাত আৰু আবেলি চাৰি বজাত স্কুলীয়া ল'ৰা ছোৱালী আৰু অফিচলৈ অহা যোৱা কৰা মানুহৰ কাৰণে চিটি বাছত ভীৰ হয়, গতিকে এইখিনি সময়ত অতিৰিক্ত বাছ দিয়াৰ বিবেচনা চৰকাৰে কৰিব নে কি ? লগতে মই এইটোও জানিব বিচাৰিছো যে যিবিলাক লাইনত আজিও ব্যক্তিগত মালিকৰ বাছ চলি আছে, তেওঁ-লোকে পাৰমিট লবৰ ইচ্ছা নকৰে। এইবিলাক লাইনত পৰিবহন নিগমৰ বাছ দিয়াৰ কথা চৰকাৰে চিন্তা কৰিবনে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই কথাবিলাক নিৰ্ভৰ কৰে পুঞ্জীৰ ওপৰত, তথাপি অহা তিনি মাহৰ ভিতৰত কমেও ৩০-৪০ খন চিটী বাছ দিব পৰা হব।

শ্ৰীনূৰুল হুদা :— স্যার, আমরা যারা দিশপুরে থাকি, আমাদের গৌহাটি শহরের অন্যান্য যায়গায় যেতে হলে ষ্টেট বাস বা প্রাইভেট বাস ব্যবহার করতে হয়। কিন্তু যে অবস্থা চলছে এতে মন্ত্রী মহোদয় নিশ্চয়ই জানেন যে দিশপুরে বাসের জন্য আমাদের অনেক সময় দাঁড়িয়ে থাকতে হয় এবং বাসে ভীড়ও থাকে বেশী। সুতরাং মন্ত্রী মহোদয় একথা বিবেচনা করবেন কি যে কলিকাতা শহরে যেভাবে মিনিবাস ব্যব-হার করা হচ্ছে সেভাবে আমাদের এখানে মিনিবাস ব্যবহার করা যায় কি

না এবং তিনি বলেছেন যে বাসের সংখ্যা বৃদ্ধি করা হবে এক্ষেত্রে যদি মিনিবাস চলাচলের ব্যবস্থা করা যায় তাহলে কিছুটা হয়তো সমস্যার সমাধান হবে। একথা তিনি মনে করেণ কি না?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, বৰ্ত্তমান গুৱাহাটীৰ যিটো অৱস্থা হৈছে সেই অৱস্থাত মিনি বাছ কিয় মেক্সি বাছ্ৰেই দৰকাৰ বেছি। গুৱাহাটীৰ চিটি বাছৰ অৱস্থা অতি দুখ লগা হৈছে। আমাৰ বিষয়া সকল, স্কুল-কলেজীয়া লৰা-ছোৱালী বিশেষকৈ মহিলা সকলৰ অৱস্থা অতি দুখ লগা হৈছে। সেই কাৰণে চৰকাৰে বিত্তীয় বিভাগৰ পৰা ৯৩ লাখ টকা পোন প্ৰথম বাৰৰ বাবে পাইছে। গতিকে আশা কৰিছোঁ অহা তিনি মাহৰ ভিতৰতে ৩০-৪০ খন চিটি বাছ দিব পৰা হব। মাননীয় সদস্যজনে যিটো কথা কৈছে মযো অনুভৱ কৰিছোঁ সেই কথা সচাঁ, ৭ খন বাছ বৰ্ত্তমান দিয়া হৈছে। বাঁড বনালে আৰু বাকী খিনি দিব পৰা হব আৰু গোটেইখিনি নহলেও অলপ পৰিমানে এই সমস্যাৰ পৰা কিছু সকাহ পোৱা হব।

মহম্মদ চামছুল হুদা:— অধ্যক্ষ মহোদয়, বাছ বঢ়োৱাৰ কথা কৈছে আমি আনন্দ পাইছো। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে গুৱাহাটী মহানগৰীত যাত্ৰীৰ চাহিদালৈ চাই কিমানখন বাছৰ আৱশ্যক সেই কথা নিৰ্দ্দিষ্ট ৰিপোৰ্টত আছে নে নাই?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, ৰাস্তাৰ যিটো অৱস্থা তালৈ চাই কিমানখন বাছ চলাব পৰা হব সেই কথা কোৱা টান, কাৰণ এই নগৰখন ঠিক পৰিকল্পনা যোগেদি কৰা হোৱা নাছিল। আৱশ্যকতালৈ চাই কমেও এশ খন বাছৰ দৰকাৰ হয়।

শ্ৰীগোলোক ৰাজবংশী:— অধ্যক্ষ মহোদয়, যিবিলাক ব্যক্তিগত

মালিকক চিটি বাছৰ কাৰণে পাৰমিট দিয়া হৈছে সেই বিলাকে অভাৰ লোড নিয়াৰ কাৰণে কোন আইনৰ দ্বাৰা এলাও কৰা হৈছে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, অৱস্থাই বাধ্য কৰাইছে ।

শ্ৰীগোলোক ৰাজবংশী :— কিমানখন বাছক পাৰমিট দিয়া হৈছে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— ১৩০ খনক দিয়া হৈছিল, তাৰে ২৪ খনে নললে। বাকী খিনিৰ ভিতৰত ৯৭ খন চলি আছে। আৰু বঢ়াবলৈ বহুবাৰ কোৰা হৈছে। পাৰমিট দিবলৈও চৰকাৰৰ ফালৰ পৰা চেষ্টা কৰা হৈছে, কিন্তু কোনো আগবাঢ়ি নাহে ।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সদস্য সকলৰ লগতে যাত্ৰী সকলৰ দুৰৱস্থাৰ কথা স্বীকাৰ কৰিছে। গতিকে এনেহেন পৰিস্থিতিত বৰ্ত্তমানৰ অসুবিধা দূৰ কৰাৰ কাৰণে পৰিবহন নিগমৰ বাছৰ লগতে চিটি বাছৰ সংখ্যা বঢ়োৱাৰ কথা চিন্তা কৰিবনে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ব্যক্তিগত মালি-কানাৰ যিবিলাক চিটি বাছ আছে পাৰমিট লোৱাৰ কাৰণে তেওঁলোকৰ কোনোৱেই আগ বাঢ়ি নাহে। গতিকে পৰিবহন নিগমৰ বাছেই ইয়াত দিব লাগিব ।

শ্ৰীখগেন বৰবৰুৱা :— অধ্যক্ষ মহোদয়, বৰ্ত্তমান চিটি বাছবোৰত ইমান যাত্ৰীৰ ভীৰ হোৱা স্বত্তেও এই বাছ বিলাকে লোকচান ভৰি আছে কথাটো সচাঁনে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, বিধান সভাৰ

মজিয়াত মই কৈছোঁৱেই যে এই বছৰ বাছৰ ভাৰা বহুত বৃদ্ধি হৈছে। এটা ষ্টেচনৰ কথা মই কব পাৰোঁ। সেইটো হৈছে মাছখোৱা ষ্টেচন। এটা মাহন্তে যোৱা বছৰ জানুৱাৰী মাহত যিখিনি টকা পাইছিল এই বছৰ জানুৱাৰী মাহত সেই হিচাবে ৬৬ হেজাৰ টকা বৃদ্ধি হৈছে। এই-টোও সচাঁ যে কিছু লিকেজ আছে আৰু সেইটো দূৰ কৰাৰ চেষ্টা কৰা হৈছে।

শ্ৰীদীপক ভট্টাচাৰ্য্য:— স্যাৰ, গৌহাটী মহানগৰীতে যাত্ৰীদেৱ সুবিদাথে ৰাত ১০টা পৰ্যন্ত সিটিবাস চালু ৰাখাৱ কোনও ব্যবস্থা কৰা হবে কি?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী):— কৰা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ:— ব্যক্তিগত মালিকানাৰ ফাংফুং বিলাক বাদ দি.................

শ্ৰীগোলোক ৰাজবংশী:— ফাংফুং শব্দটো পাৰলিয়ামেণ্টৰী হয় নে নহয়?

মাননীয় অধ্যক্ষ:— যিটো শব্দ স্পেচিফিক্ ৰুলত নাই আৰু স্পেচিফিক্ ভাবে পাৰলিয়ামেণ্টৰী হয় নে নহয় কব নোৱাৰি তেনেধৰণৰ শব্দ প্ৰয়োগত অন্য সদস্যই আপত্তি কৰিলে তেনে শব্দ প্ৰয়োগ নক-ৰাই ভাল।

শ্ৰীগিয়াচুদ্দিন আহমেদ:— এই শব্দটো পাৰলিয়ামেণ্টৰী হয় নে নহয় মযো পাৰলিয়ামেণ্টৰী ডিক্স্‌নাৰিত বিচাৰি চাম। মই কব খুজিছো যে ব্যক্তিগত মালিকানাৰ কেলেংকাৰী সব বাদ দি গোটেই গুৱাহাটী মহানগৰীৰ পৰিবহন ব্যৱস্থাটো চৰকাৰে ৰাষ্ট্ৰীয়কৰণ কৰিব নে নাই মই

এই সম্পৰ্কে জানিব বিচাৰিছো।

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— মই প্ৰশ্নস্তোৰত কৈছোঁৰেই যে গোটেই মহানগৰীৰ চিটিবাছৰ কাৰণে পৰিবহন নিগম স্থাপন কৰাৰ প্ৰস্তাৱ আছে। এই প্ৰস্তাৱটো ইতিমধ্যে আমি প্লেনিং কমিচনক দিছো। প্লেনিং কমিচনে গ্ৰহণ কৰা নাই। এইটো গ্ৰহণ কৰিলেই আমি নিশ্চয় ব্যৱস্থা লম।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মন্ত্ৰী মহোদয়ে এইটো কথা স্বীকাৰ কৰিছে যে মাছখোৱাৰ পৰা যোৱা বছৰত ৬০ হাজাৰ টকা বৃদ্ধি হৈছে। তথাপি কিয় চিটি বাছৰ লোকচান হৈছে ? এইটো কথা সচাঁনেকি যে প্ৰত্যেক পইন্টতে আধা ঘণ্টাকৈ গাড়ীৰ ষ্টাৰ্ট বন্ধ নকৰাকৈ ৰখাৰ কাৰণে বহুত ফুৱেল পুৰি যায়। এইটোৰেই এটা লোকচানৰ কাৰণ বুলি মন্ত্ৰী-মহোদয়ে নাভাবেনে ? যদি ভাবে এইটো বন্ধ কৰাৰ কাৰণে কি ব্যৱস্থা লৈছে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— মই আগতেই কৈছোঁ যে পৰি-বহন নিগমৰ বাছ বিলাক অতি পুৰণি, মান্ধাতা যুগৰে বাছ। ইয়াৰ ৰংটোহে সলনি কৰা হৈছে। বহুত বিলাক বাছত ষ্টাৰ্ট বন্ধ কৰিলে পুনৰ ষ্টাৰ্ট কৰাত অসুবিধা হয়।

(একেলগে কেবাজনো সদস্যই প্ৰশ্ন কৰিবলৈ উঠে।)

মাননীয় অধ্যক্ষ :— মাননীয় সদস্য সকলৰ ৮-৯ জনে একে-লগে প্ৰশ্ন কৰিবলৈ থিয় হলে এই সকলক সময় দিবলৈ গলে বহুত সময় লব। সেই কাৰণে এনেকুৱা ধৰণৰ প্ৰশ্ন শেষ কৰাটো সম্ভৱ নহব। গতিকে মই এতিয়া পিচৰ প্ৰশ্নলৈ আহিব বিচাৰিছোঁ।

Re : Office Building of Khowang (Dibrugarh) State Road Transport Corporation

Shri Joy Chandra Nagbanshi asked :

*493. Will the Minister, Transport be pleased to state—

(a) Whether Government is aware of the fact that the Office Building of Khowang (Dibrugarh) State Road Transport Corporation is almost damaged ?

(b) If so, whether the said Corporation has taken any step to reconstruct the same at an early date ?

Shri Zehirul Islam (Minister, Transport) replied :

493. (a)— Yes.

(b)— Yes.

Shri Joy Chandra Nagbanshi :— Sir, the Hon'ble Minister in reply to the question said, 'Yes'. May I know from the Hon'ble Minister the steps taken by the Govt. of Assam and within how long the construction can be started ?

Shri Zahirul Islam (Minister) :— The plans and estimates have already been prepared at a cost of Rs:

৪,000/- and it will be started as early as possible.

Shri Ranendra Narayan Basumatari:— Sir, I would like to inform the Hon'ble Minister that this is not the case of one office building of the State Transport Organisation only. Even the Sub-divisional Bus Stations are lying very much in dilapidated conditions. I want to know whether the Hon'ble Minister has drawn up a master plan to take up repairing works of all the Sub-divisional Bus stations of the State Transport Corporation ?

শ্ৰীৰফিকুল ইছলাম (পৰিবহন মন্ত্ৰী) :— পৰিবহন নিগমৰ ইঞ্জিনিয়াৰিং চেক্‌চনটো বৰ দুৰ্বল। কাৰণ ইঞ্জিনিয়াৰ পোৱা নাযায়। প্ৰায় বিলাকতে কন্‌ট্ৰাকচন চলি আছে। ধুবুৰী, তিনচুকীয়া, নগাওঁ আদিত কনষ্ট্ৰাকচন চলি আছে। ১৯৪৮ চনৰ পৰাই নগাওঁত মেৰামতি হোৱা নাই। বিভিন্ন ঠাইত ইতিমধ্যে কাম হাতত লোৱা হৈছে।

Re : Purchage of Recorder Weigh-bridges

Shri Kiron Chandra Bezbarua asked :

*4.4. Will the Minister, Transport be pleased to state—

(a) Whether it is a fact that the Commissioner of Transport, Assam, Gauhati purchased 6 Nos. of Recorder Weigh-bridge in 1967 ?

(b) If so, whether all the weigh-bridges were insta

lled ?

(c) At what price the weigh-bridges were purchased and from whom ?

(d) Whether it is a fact that 2 steel plates of these weigh-bridges were used as cover in front of the D.T.O.'s Office, Gauhati ?

(e) Whether there was any police case in this regard ?

(f) Why a new order was placed on 10th Februay, 1978 which was cancelled on 29th May, 1978 ?

(g) Whether it is fact that the Commissioner for Transport, Assam asked for a quotation from M/s Avery India Ltd. in last part of 1977 for repair of one of the weigh-bridges which was to be installed in Jalukbari, Gauhati ?

(h) If so, whether it is a fact that M/s. Avery India Ltd. refused to give any quotation regarding the price of the spare parts and the repair charges separately although they submitted a quotation in a consolidated from for Rs. 5,050.00 ?

(i) Whether it is a fact that the Commissioner issued the repair orders on the aforesaid quotation submitted by the said Company ?

(j) Whether any Recorder Weigh-bridges were bought in the earlier years ?

(k) Whether 2 of these machines bought in 1966-67 are still in the back yard of D.T.O's Office ?

(l) Whether it is a fact that another one is lying in D.T.O's Office during 1976 ?

Shri Zahirul Islam (Minister, Transport) replied :

494. (a)— The Commissioner of Transport, Assam purchased only 3 Nos. of Recorder Weigh-bridges, one in 1967-68 and two in 1968-69 and not six.

(b)— Out of 3 weigh-bridges one has already been installed at Jalukbari, Gauhati, the process of installation of another weigh-bridge at Jorhat has been taken up during the current financial year, i.e., 1978-79. The third weigh-bridge will be installed at Shreerampur check gate in 1979-80.

(c)— The weigh-bridges were purchased from M/s Avery India Ltd. @ Rs. 50,890 each (including taxes).

(d) — Yes.

(e) — Yes.

(f)— In order to fully utilise the plan provisions made

for the purpose in the year 1977-78, order for a new weigh-bridge was placed. The order was placed with M/s Avery India Ltd. on 10th March, 1978. But the firm could not give a written confirmation to the effect that the price quoted by them was as per D.G.S & D Rate contract. So, the order placed on 10th March, 1978 was cancelled on 29th March, 1978.

(g)— Yes.

(h)— M/s. Avery India Ltd. submitted a quotation for Rs. 5,050.00. As the amount charged by them was shown in a consolidated manner, the firm was asked to show a detailed break up of the said amount showing repair charges and cost of the parts to be replaced, separately. Accordingly the firm submitted the cost of differant items separately.

(i)— Yes.

(j)— No 'Recorder Weigh-bridge' was purchased before 1967-68.

(k)— No purchase was made in 1966-67. Of the two Recorder Weigh-bridges purchased in 1968-69, one is lying in the premises of the Office of the D. T. O., Gauhati and the other in the premises of D. T. O.

Jorhat.

(1)— Another 'Steel Yard' Wiegh-bridge, purchased in 1954-55, was installed in 1960, at Paltanbazar, Gauhati in front of the Workshop of A. S. T. C. The said 'Steel Yard' Weigh-bridge was removed from that place due to widening and improvement of the road undertaken by the Government in September, 1976 and was kept in D. T. O.'s Office in March, 1977. Since then the said 'Steel Yard Weigh-bridge' is lying in the office premises of D. T. O., Gauhati.

Shri Kiron Chandra Bezbaruah :— The Minister has stated in reply to (b) that they have purchased 3 in 1967 and one has already been installed. May I know from the Minister that at the time of installation of the machine whether any repair was done before installations?

Shri Zehirul Islam (Minister) :— Sir, I would request you to keep the question pending for tomorrow.

Mr. Speaker :— All the supplementaries will be put tomorrow.

Starred Question No. 495 was not put, the Member being absent.

Re : Post of Subdivisional Officers

Shri Narendra Nath Dutta asked :

• 496. Will the Chief Minister be pleased to state—

(a) Why as many as five A.C.S. Subdivisional Officers were abruptly withdrawn just in the midst of Flood-relief operations in July-August, 1978 ?

(b) Whether the Government is aware of the resentment expressed in this regard by a resolution adopted by the Annual Session of the A.C.S (Class-I) Association held on 29th October, 1978 ?

(c) If so, what action has been taken in this regard ?

Shri Golap Borbora (Chief Minister) replied :

496. (a)— The posts of Subdivisional Officers in the State are not the cadre posts of I.A.S. or A.C.S. Both IAS and A.C.S. Officers are posted as Subdivisional Officers from time to time as per administrative exigencies and this has been the practice from the long past which is followed in all the States of India.

(b) & (c)— Yes. The Government do not consider it necessary to change the existing practice of filling up the posts of Subdivisional Officers by I.A.S. and

A.C.S. Officers.

শ্ৰীএ এন আক্ৰাম হুচেইন :— স্বলপতে অসমৰ বিভিন্ন মহকুমাৰ কাৰণে এ চি এচ বিষয়াৰ ঠাইত কিছুমান আই-এচ-এচ বিষয়া নিয়োগ কৰা হৈছে নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— কোনো কোনো ঠাইত আই-এ-এচ বিষয়া দিয়া হৈছে।

শ্ৰীমুকুট শৰ্ম্মা :— যোৱা বছৰ পাচটা মহকুমাৰ পৰা এ-চি-এচ বিষয়া আঁতৰাই আই-এ-এচ বিষয়া ঠিক ট্ৰেইনিং শেষ কৰাৰ পিচতেই মহকুমাধিপতি হিচাবে দিয়া হৈছে কিন্তু ধেমাজি, মৰিগাওঁ আদিৰ উপৰিও কাৰ্বি আংলং উন্নত নহয় কাৰণেই এ-চি-এচকে ৰখা হৈছে আই-এ-এচ নাযায় কাৰণে।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেইটো নহয়। আই-এ-এচ খিনি দ্বিতীয়বাৰ ট্ৰেইনিং লৈ আহিছে, কাৰণেই আৰু আই-এ-এচ হিচাবে বিভিন্ন ঠাইত কাম কৰাৰ পিচতহে দিয়া হৈছে।

শ্ৰীকালিৰাম ডেকাৰজা :— মৰিগাওঁ মহকুমাত বৰ্ত্তমান এচ-ডি-ও নথকা কাৰণে কোঅপাৰেটিভ বেচিচত মহকুমাটো চলাই আছে বুলি জানেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অতি সোনকালে দিয়া হব।

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী :— পাচজন আই-এ-এচ নতুন লোকক মহকুমাধিপতি কৰা হৈছে আৰু কোকৰাঝাৰতো এজন দিয়া হৈছে। কেতিয়াৰ পৰা চৰকাৰে এই নীতি গ্ৰহণ কৰিলে আৰু নতুন মহকুমাক বাদ দি বাকী তেইশটা মহকুমাতো সৰ্ব্বমুঠ কিমানজন এ-চি-এচ কেড়াৰৰ

মহকুমাধিপতি, আছে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এ-চি-এচ কেডাৰৰ মহকুমাধিপতি ভালেকেইজন আছে। মাত্ৰ কেইজনমান আই-এ-এচ দিয়া হৈছে। বাকী অন্যান্য সমপৰ্য্যায়ৰ দায়িত্বতো এ-চি-এচ বিষয়া আছে।

শ্ৰীগজেন তাঁতী :— যি সকল বিষয়াই অসমৰ বাহিৰত আই-এ-এচ হিচাবে কাম কৰি আহিছে তেনে লোকক দিয়াৰ কথা কৈছে কিন্তু যোৰহাটৰ সমস্যাৰ সময়ত গোলাঘাটত যিজন মহকুমাধিপতি আছিল তেওঁ আগতে অসমত কি কি চাকৰি কৰিছিল জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— তেখেত সেই পাচজনৰ ভিতৰত নাছিল।

শ্ৰীগজেন তাঁতী :— ট্ৰেইনিঙৰ পৰা আহি গোলাঘাটত কাম কৰিছিল নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এচিচ্টেন্ট কমিশ্যনাৰ হিচাবেও কাম কৰিছিল।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— এ-চি-এচ বিষয়াক কিমান বছৰ কাম কৰাৰ পিচত মহকুমাধিপতি দিয়া হয় ?

শ্ৰীকেশৱ চন্দ্ৰ চগৈ (আইন মন্ত্ৰী) :— আই-এ-এচ সকলে এচিচ্টেন্ট কমিশ্যনাৰ হিচাবে থকাৰ পিচত ফাৰ্ডাৰ লোৱাৰ পিচত মহকুমাধিপতি হয়। সাধাৰণতে দুবছৰৰ পিচত আই-এ-এচ বিষয়াই আৰু এ-চি-এচ বিষয়াই সাত আঠ বছৰৰ পিচত হয়।

শ্ৰীশূল. বৰা :— লক্ষীমপুৰ জিলাত চেট্‌লমেণ্ট ফিচাৰি জনকে এ-ডি-চিৰ দায়িত্ব দিয়া হৈছে কিন্তু এই সমস্যাবহুল জিলাখনত

চেটলমেণ্টৰ ক্ষেত্ৰত বহুত অসুবিধাৰ সৃষ্টি হোৱা কথা জানেনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী) :— চেটলমেণ্টৰ কাজবোৰ দায়িত্ব থাকে ডি-চিৰ ওপৰত। কেতিয়াবা জৰুৰী প্ৰয়োজনত এ-ডি-চিয়ে কৰিব লগীয়া হয় কাৰণেই চেটলমেণ্ট অফিচাৰকে এ-ডি-চিৰ পাওৱাৰ দিয়া হয়।

Re : Evicted from different Forest Reserves of Tezpur Subdivision

Shri Golok Rajbanshi asked :

*497. Will the Minister, Forests be pleased to state—

(a) How many people have been evicted from different Forest Reserves of Tezpur Subdivision during the year 1978-79 ?

(b) The policy adopted by Government which necessiated such eviction ?

Shri Samar Brahma Choudhury (Minister, Forests) replied :

497. (a)— 1285 families have been evicted from different Reserve Forests of Tezpur Civil Subdivision during 1978-79.

(b)— The Government policy is to keep the Reserve

Forests free from encroachments.

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী :— তেজপুৰ মহকুমাৰ বিভিন্ন ৰিজাৰ্ভত থকা বেদখলকাৰীৰ কিছুমানক উচ্ছেদ কৰিছে আৰু কিছুমানক একেবাৰে স্পৰ্শই কৰা নাই এইটো কি নীতিৰ ওপৰত ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— বৰ্ত্তমান চৰকাৰ গঠন হোৱাৰ আগতে যিবিলাক বেদখলকাৰী আছিল সেই বিলাকক উচ্ছেদ কৰা নহয় বুলি আৰু তাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছিল। আৰু চৰকাৰ গঠন হোৱাৰ পিচত নতুন বেদখলকাৰী যাতে আহি সোমাব নোৱাৰে তাৰ কাৰণে বাধা দিয়া হৈছে।

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী :— যোৱা অধিবেশনত মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছিল যে দহ হাজাৰৰো অধিক বেদখলকাৰী আছে কিন্তু চৰকাৰে উচ্ছেদ ৰিব পৰা নাই। এতিয়া কথা হৈছে কিছুমানক যে উচ্ছেদ কৰিছে কিন্তু কিছুমানক কিয় স্পৰ্শ কৰা নাই ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বনমন্ত্ৰী) :— এই চৰকাৰ অহাৰ আগতে যি সকলে বসতি কৰি আছিল আমি সেই সকলক উচ্ছেদ কৰা নাই।

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী :— পুৰণা মানুহক উচ্ছেদ কৰা বুলি যদি ৰেকৰ্ড সহ দেখুৱাই দিব পাৰো মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লব ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বনমন্ত্ৰী) :— তেনে কৰিলে সংশোধন কৰা হব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— তেজপুৰ মহকুমাত ১৫৮০ জন লোকক ফৰেষ্ট ৰিজাৰ্ভৰ পৰা উচ্ছেদ কৰা হৈছে বুলি জনাইছে। এই মহকুমাত কিমান বেদখলকাৰী আছিল আৰু তাৰ ভিতৰত ১৫৮০ জনকহে বহিস্কাৰ

কৰা হ'ল ? লগতে এইটো কথাও জনাব নে যে বেদখলকাৰী উচ্ছেদ কৰাৰ ক্ষেত্ৰত কোনো স্পষ্ট নীতি গ্ৰহণ কৰা নাই ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন মন্ত্ৰী):— মাননীয় সদস্য গৰাকীয়ে সংখ্যাটো ভুল কৰিছে। এইটো ১২৮৫ হে হব। ইয়াৰ আগতে এটা প্ৰশ্নৰ উত্তৰ দহ হাজাৰমান বেদখলকাৰী আছিল বুলি কোৱা হৈছিল। এই উচ্ছেদ কৰাৰ ক্ষেত্ৰত এই চৰকাৰ অহাৰ আগতে যি আছিল তেনে লোকক স্পৰ্শ কৰা নাই। পিচত অহা লোকক বা সোমাব খোজা লোকক বাধা দিয়া বা উচ্ছেদ কৰা হৈছে।

শ্ৰীঅতুল গোস্বামী :— এই চৰকাৰ অহাৰ পিচত গহপুৰ ৰিৰ্জাভ ফৰেষ্টত ব্যাপক বেদখল হৈছে। আৰু এই বে-দখলকাৰী সকলক আজিলৈকে উচ্ছেদ কৰা হোৱা নাই, এইটো সত্য নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— ৫০০ পৰিয়ালক উচ্ছেদ কৰা হৈছে।

শ্ৰীযোগেন গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক বনাঞ্চলত বৃক্ষৰোপনৰ কোনো পৰিকল্পনা হোৱা নাই আৰু সেই বনাঞ্চলত বহুতো মানুহে বসতি কৰিছে কিন্তু সেই মানুহ বিলাকক তাৰ পৰা উচ্ছেদ কৰা কাৰ্য্য চলি আছে গতিকে এই উচ্ছেদ কাৰ্য্য চলোৱাৰ পৰিবৰ্ত্তে সেইবিলাক চিভিল অথোৰিটিক চমজাই দিবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— যিবিলাক মানুহে তাত বেদখল কৰিছিল সেইবিলাক মানুহক উচ্ছেদ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে ইয়াৰ অৰ্থ হৈছে তাত কিমানখিনি বনাঞ্চল সংৰক্ষন কৰি ৰাখিব পৰা যাব আৰু কিমানখিনি মানুহক তাত চেটেলমেণ্ট দিব পৰা যাব, সেইকাৰণে তাত সাম্প্ৰতিক ভাবে স্থগিত কৰা হৈছে।

শ্ৰীফণী মেধী ঃ— মন্ত্ৰী মহোদয়ে ৪৯৭ প্ৰশ্নৰ উত্তৰত কৈছে যে ফৰেষ্ট ৰিৰ্জাভ সংৰক্ষিত কৰি ৰখাৰ কাৰণে সেই ঠাইবিলাক এনক্ৰোচ-মেণ্টৰ পৰা ফ্ৰি ৰাখিবৰ কাৰণে সেই মানুহ বিলাকক উচ্ছেদ কৰা হৈছে, মন্ত্ৰী মহোদয়ে জানেনে যে তেখেতৰ ঘৰৰ ওচৰতে লুংচুং ৰিৰ্জাভৰ পৰা ডেৰ হাজাৰক উচ্ছেদ কৰা হৈছে। কোন নীতিত তেওঁলোকক উচ্ছেদ কৰা হৈছে। তাৰ পিচত তেওঁলোকক নগালেন্দলৈ পঠিয়াই দিছে নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— কলটো ৰিৰ্জাভ এটা ইনটেক ফৰেষ্ট ৰিৰ্জাভ আৰু লুংচুং হল ইয়াৰ মাজ ঠাই। গতিকে তাত যদি বহিঃৰলৈ সোমাই দিয়া হয় তেতিয়াহলে এই ইনটেক ফৰেষ্টত অসুবিধা হৈ পৰিব। সেইকাৰণে তাত নতুনকৈ সোমোৱা মানুহ বিলাকক উচ্ছেদ কৰা হল। চৰকাৰৰ ফালৰ পৰা তেওঁলোকক নগালেন্দলৈ পঠোৱা হোৱা নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা বুজা গল যে কিছুমানক উচ্ছেদ কৰিব লাগিব আৰু কিছুমানক উচ্ছেদ কৰিব নেলাগিব। এই চৰকাৰ ক্ষমতালৈ অহাৰ আগতে আৰু ক্ষমতালৈ অহাৰ পিচত, উচ্ছেদ কৰাটোৰেই মাপ কাঠি নেকি ? আচল কথাটো হল কোন ভূমিহীন আৰু কোন ভূমিহীন নহয় সেইটোহে উচ্ছেদ কাৰ্য্য কৰাৰ আগতে চাব লাগে। আৰু যিবিলাকক উচ্ছেদ কৰা হৈছে সেইসকল লোকক বেলেগ ঠাইত সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— আজি সমস্যাটো হল বনাঞ্চল সংৰক্ষিত কৰা। এই বনাঞ্চল যদি সংৰক্ষন কৰিব লাগে তেতিয়াহলে বে-দখল আমি বন্ধ কৰিবই লাগিব। সি ভূমিহীন হওঁকেই বা নহওঁ-কেই। ভূমিহীন বুলি বে-দখল কৰিবলৈ এৰি দিলে আমাৰ পক্ষৰ পৰা বনাঞ্চল সংৰক্ষন কৰা সম্ভৱপৰ নহয়। আৰু কিমান মানুহক মাটি দিব পৰা নাই কাৰণে চালি জাৰি চাবলৈ সিদ্ধান্ত লোৱাৰ কাৰণে চৰকাৰৰ

ক্ষমতাত অহাৰ আগতে যিবিলাক মানুহ সোমাইছে সেই সকলক উচ্ছেদ কাৰ্য্য বন্ধ কৰা হৈছে।

Shri Binay Kumar Basumatari :— Sir, a point of order. I am referring to Rule 34 just to humbly bring to your notice that supplimentaries can be only 6.

শ্ৰীকুল বাহাদুৰ চেত্ৰী ঃ — ওলতা পানীটো উচ্ছেদ কৰা কাৰণে চেষ্টা কৰা হৈছে। বিশেষকৈ উজনি অসমতো নটিচ দিছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী)ঃ ওলতা পানী বিষয়ে মাননীয় সদস্যই আমাৰ লগত যোগাযোগ কৰিছিল। সদিয়া ফালৰ পৰাও তালৈ মানুহ আহিছিল। সেই সকলক উচ্ছেদ কৰিবলৈ দিয়া হৈছে।

Re : Posts of U.D.A., L. D. A. and Typists in the Directorate of Evaluation and Monitoring

Shri Nishith Ranjan Das asked :

*498. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that there is not a single post of L.D.A. and U. D. A. in the Directorate of Evaluation Assam ?

(b) If so, how this Directorate functions ?

(c) Whether it is a fact that there are two post of Typists in the said Directorate ?

(d) If so, what is the scope of promotion of these two Typists ?

Shri Golap Borbora (Cheif Minister) replied :

498. (a)— No. There is one post of U. D. A. and one post of L. D. A. in the Directorate of Evalution and Monitoring Assam, which, however, is not an independent Directorate, but an integral part of the Planning and Development Secretariat.

(b)— Does not arise.

(c)— No. There are three posts of Typists in the Directorate.

(d)-- Two of these three Typists were directly recruited in the initial stages, while the third post is filled up by typists from the Typists pool of the Secretariat. As at present there is no promotion scope for the former two typists. However, this matter will be examined further.

শ্রীনিশীথ রঞ্জন দাস :— এই টাইপিষ্টদের প্রমোশন দেওয়ার কথা মুখ্যমন্ত্রী মহোদয় বলেছেন। ওদের জন্য কি ভাবে ব্যবস্থা করা হবে বলবেন কি ?

শ্রীগোলাপ বরবরা (মুখ্যমন্ত্রী):— সেটা পরীক্ষা করে দেখা হবে।

Re: Allegation against the Head Assistant of I. T. I., Srikona

Shri Noorul Huda asked:

* 499. Will the Minister, Labour be pleased to state—

(a) Whether it is a fact that there are serious allegations from the public and staff of I. T. I. Srikona (Cachar) against Head Assistant of the Institute?

(b) Whether it is a fact that the same incumbent has been holding the post for a continuous period of 0 years or so?

(c) Whether is it a fact that attempts were made to transfer the Head Asisstant several times in the post but all such attempts were set at nought because of interference from influential quarters?

Shri Jagannath Sinha (Minister, Labour) replied:

499. (a)— Yes, there were some allegations against the Head Assistant of the I. T. I., Srikona.

(b)— Yes, he is holding the same post since 7th September 1967.

(c)— The Head Assistant was transferred from I.T.I., Srikona to I. T. I., Jorhat in 1978 but the transfer order was stayed temporarily on compassionate ground. The stay order has since been vacated.

শ্রীনূরুল হুদা :— মহোদয়, এই শ্রীকোনার আই টি আই তে ছাত্রদেরে ভর্ত্তি করার ব্যাপারে নানা রকম দূর্নীতির অভিযোগ আছে এবং এই অভিযোগের সঙ্গে এই হেড এ্যাসিষ্টেণ্ট জড়িত আছেন বলে আমাদের কাছে খবর এসেছে। সুতরাং এই সম্পূর্ণ ব্যাপারটি সরকার তদন্ত করে দেখবেন কি এবং যদি তদন্তে প্রমানিত হয় যে সেখানে ছাত্রদের ভর্ত্তির ব্যাপারে নানা রকম দূর্নীতি হয়েছে তাহলে উপযুক্ত ব্যবস্থা গ্রহণ করা হবে কি?

শ্রীজগন্নাথ সিন্হা (মন্ত্রী) :— এই ব্যাপারে ডিরেক্টর অব এমপ্লয়মেণ্ট এণ্ড ক্রাফট্‌মেন এণ্ড ট্রেনিং তদন্ত করেছিলেন। তবে, ভর্ত্তির ব্যাপারে কোনও অভিযোগ পাওয়া যায়নি দুর্ব্যবহার সম্পর্কে অভিযোগ পাওয়া গিয়েছিল এবং সেজন্য তাকে ট্রেন্সফার করা হয়েছে।

শ্রীনূরুল হুদা :— স্যার, মন্ত্রী মহোদয়কে আমি অনুরোধ করবো যেন তিনি আরও গভীরভাবে বিষয়টি দেখেন। কারণ এই সম্পর্কে গত ১ বৎসর যাবৎ, এই নতুন বিধান সভা গঠন হওয়ার পর থেকেই আমার কাছে প্রচুর পরিমাণে অভিযোগ এসেছে যে যারা মেট্রিক পরীক্ষায় কম নম্বর পেয়েছে তাদের ভর্ত্তি করা হয়েছে এবং যারা বেশী নম্বর পেয়েছে তাদের ভর্ত্তি করা হয় নি। এছাড়াও আরও নানা ধরণের দূর্নীতির

অভিযোগ আমাদের কাছে এসেছে। সুতরাং আমি জানতে চাই যে এই ব্যাপারে সরকার আর একবার তদন্ত করবেন কি না ?

শ্রীজগন্নাথ সিন্‌হা (মন্ত্রী) :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য মহাশয় যদি এই এলিগেশনের কপি আমার কাছে দেন তাহলে নিশ্চয়ই তদন্ত করে দেখা হবে।

Shri Fakrul Islam :— May I know from the hon: Minister whether it is a fact that inspite of the allegation of malpractice done by the I.T.I. Srikona not a single student from Karimganj Subdivision is given admission ?

Shri Jagannath Sinha (Minister) :— Allegations are there against the Headmaster, I. T. I. If the member submits any complaint against him, definitely steps will be taken against him.

শ্রীরামেন্দ্র দে :— স্যার এই কর্ম্মচারিকে ১৯৫৭ ইংরাজি থেকে ১৯৭৮ ইংরাজি পর্যন্ত বহাল তবিয়তে রাখা হয়েছে। অথচ আমাদের কাছে প্রচুর অভিযোগ আছে যে এই হেড এসিষ্টেন্ট ছাত্রদের ভর্ত্তির ব্যাপারে অনেক দূর্নীতির সঙ্গে যুক্ত এবং আমরা এটাও লক্ষ্য করেছি যে যখনই এই হেড এসিষ্টেন্টকে বদলী করা হয় তখনই বার বার এই অর্ডার ষ্টে করা হয়। সুতরাং এর থেকে আমরা এই ধারণা করতে পারি কি যে এই হেড এসিষ্টেন্টের সঙ্গে দূর্নীতির ব্যাপারে সরকার পক্ষও যুক্ত আছেন ?

শ্রীজগন্নাথ সিন্‌হা (মন্ত্রী) :— এটা মাননীয় সদস্য মহোদয়ের ধারণা।

তবে, এক্ষেত্রে ষ্টে অর্ডার ভেকেট করা হয়েছে।

Shri Giasuddin Ahmed :— Whether it is a fact that there is a standing order from the Govt. that no officer should be kept in one place for more than 3 years ? If so, why this is violated in this particular case ?

Shri Jagannath Sinha (Minister) :— There is a standing order. But in this particular case the transfer has not been effected as it falls within the academic session. As the education of the children will be disturbed, the transfer order was stayed. The stay order would be vacated as soon as the academic session will be over.

বিষয় ঃ আহোমৰ ভাষা সংস্কৃতি শিকাৰ স্কুল

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে ঃ

* ৫০০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আহোমৰ ভাষা সংস্কৃতি শিকিবৰ বাবে, চৰকাৰে সাহাৰ্য্য দিয়া কোনো স্কুল আছে নেকি ?

(খ) যদি আছে, ক'ত আছে আৰু কেইখন আছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫০০। (ক)— হয়, আছে।

(খ)— শিৱসাগৰ জিলাৰ পাতসাকোঁত 'চেণ্ট্ৰেল টাই একাডেমী' নামৰ এখন স্কুল আছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে শিৱসাগৰ জিলাৰ পাট সাকোত 'চেণ্ট্ৰেল টাই একাডেমী' নামৰ এখন স্কুল আছে বুলি কৈছে, কিন্তু এখন স্কুলেই যথেষ্ট বুলি ভাবিছে নেকি? যদি ভবা নাই, প্ৰত্যেক জিলাতেই এনে ধৰণৰ একোখন স্কুল পতাৰ দিহা কৰিবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, উজনি অসমত বিভিন্ন অঞ্চলত পৰি থকা আহোম টাই ভাষাৰ পুথি উদ্ধাৰ কৰিবৰ কাৰণে এই অনুষ্ঠান পূৰ্ব্বতে খুলিছিল আৰু তাৰ পৰাই টাই ভাষাৰ শিক্ষা লোৱাৰ ব্যৱস্থা কৰা হ'ল। এইটো ১৯৭১ চনৰ পৰাই চলাই থকা হৈছে স্কুল হিচাবে। এইটো এটা স্বয়ং সিদ্ধ অনুস্থান। নতুন স্কুল খোলাৰ কথা কোনো স্থানীয় লোকে চিন্তা কৰা নাই। টাই ভাষাৰ পুথি সংৰক্ষণ আৰু এই পুথি বিলাকৰ সংকলন আদি অন্যান্য ধৰণৰ স্কীম এই অনুস্থানৰ জৰিয়তে সমাধা কৰা হয়। এই অনুস্থানটো সাংস্কৃতিক অনুষ্ঠান হিচাবে চৰকাৰে তিনি হেজাৰ টকাৰ অনুদান দিছিল। এই বাৰ আৰু এটি প্ৰস্তাৱ আগবঢ়োৱা হৈছে যাতে আৰু মঞ্জুৰী বঢ়াই দিব পাৰে তাৰ কাৰণে বিত্ত বিভাগৰ লগত যোগাযোগ কৰা হৈছে। কাৰণ এইটো বিশেষ ভাবে উপলব্ধি কৰা হৈছে, যিহেতু টাই ভাষাৰ পণ্ডিত সকলে বিষয়টোৰ ওপৰত লেখি আছে আৰু সেই বিলাক পঢ়ি আমি এই সিদ্ধান্ত লৈছো।

শ্ৰীযোগেন গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, শিৱসাগৰ জিলাৰ পাটসাকোঁ এখন সাংস্কৃতিক কেন্দ্ৰ। এই কেন্দ্ৰৰ ওচৰে পাজৰে বহুতো

দেওঁধাই বাইলুং মানুহ আছে, যি সকলে আহোম ভাষাত কথা কয়। গতিকে "একাডেমী" খনৰ উন্নিত কৰণৰ কাৰণে এটা বলিষ্ঠ পদক্ষেপ লৈ টাই ভাষাটোক আৰু উন্নতি স্থায়ী ভাবে পূৰ্ণ ভাৱে, কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ে বেচি মঞ্জুৰী দাবী কৰাৰ প্ৰয়োজন হৈছে আৰু এই একাডেমী খনৰ উন্নতি কৰাৰ দায়িত্ব বৈ গৈছে বুলি মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, ৰেগুলাৰ তিনি হেজাৰ টকা দিয়া হৈছিল। ১৯৭৭-৭৮ চনত দিয়া নাই। এতিয়া দিয়া হৈছে। তাৰ পিছত আকৌ দিবলৈ ইতিমধ্যে এটা প্ৰস্তাৱ এইটো অনুষ্ঠান উন্নতি কৰিবলৈ বিত্ত বিভাগলৈ পঠোৱা হৈছে। যিমানদূৰ সম্ভৱ, শিক্ষা বিভাগে ইয়াৰ উন্নতিৰ চেষ্টাত আছে।

শ্ৰীঅতুল গোস্বামী:— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই অনুষ্ঠানত কিমান ছাত্ৰই পঢ়ি আছে আৰু ছাত্ৰ সকলক বৃত্তি আদি দিয়া হৈছে নেকি? যদি দিয়া হোৱা নাই, দিয়াৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, সেই কাৰণে নতুন আঁচনি কৰা হৈছে।

শ্ৰীৰনেন্দ্ৰ বসুমতাৰী:— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই অনুষ্ঠানত শিক্ষা লবৰ কাৰণে সাধাৰণ শিক্ষাৰ অৰ্হতা কিমান হ'ব লাগে আৰু যি সকলে টাই ভাষাৰ শিক্ষা লৈ আছে সেই সকলৰ এই ভাষাটোৰ প্ৰতি ধাউতি আছে নে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, ধাউতি বৰ বেচি। যি সকলে শিক্ষা লাভ কৰি আছে, সেই সকলৰ বয়সৰ কথা নাই, ১৫ বছৰৰ পৰা ৬৫ বছৰলৈকে ছাত্ৰই এই শিক্ষা ল'ব পাৰে আৰু লৈ আছে।

বৰ্ত্তমান টোল আৰু মাদ্ৰাছাৰ দৰে কৰিবলৈ ব্যৱস্থা কৰা হৈছে।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে টাই ভাষাত শিক্ষা লোৱা ছাত্ৰৰ সংখ্যা কিমান আৰু কোনে এই শিক্ষা দান দিয়া প্ৰশিক্ষন প্ৰাপ্ত শিক্ষক আছে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই টাই আৰু আহোম ভাষা শিক্ষাৰ কাৰণে ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ব বিদ্যালয়ত ব্যৱস্থা আছে। কিন্তু এই বস্তুটো আমাৰ যেনেকৈ ব্ৰাহ্মণৰ পুৰোহিত শ্ৰেণীৰ দৰে আহোমৰ মাজতো পুৰোহিত আছে আৰু সংস্কৃত টোলৰ দৰে এই পুৰোহিত শ্ৰেণীটোৰে শিক্ষা দান কৰিব পাৰে। কিন্তু এতিয়া ৰেগুলাৰ স্কুলৰ নিচিনা কৰিবলৈ বিচৰা হৈছে।

শ্ৰীযোগেন গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষা দিবৰ কাৰণে স্থানীয় বহুতো পণ্ডিত আছে। এই সকলৰ ওপৰত মন্ত্ৰী মহোদয়ে গুৰুত্ব দিবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আগতে এই বিষয়ে ভাবিবলৈ সুবিধা পোৱা নাছিলো, কিন্তু মন্ত্ৰী হোৱাৰ পিছত মই বহুতো এনে পণ্ডিতক লগ পাইছো আৰু সহায় কৰিবলৈ কাষ চাপিব পাৰিম বুলি ভাবিছো। কাৰণ এনে পণ্ডিতৰ পৰা কেইখনমান পুথিও মই আনিব পাৰিছো।

শ্ৰীজয় চন্দ্ৰ নাগ বংশী :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মুকুট শৰ্ম্মা ডাঙৰীয়াই এই প্ৰশ্ন কৰিছিল যে তাত কিমান ছাত্ৰই শিক্ষা লাভ কৰি আছে, মন্ত্ৰী মহোদয়ে তাৰ উত্তৰ নিদিলে গতিকে মই ছাত্ৰৰ সংখ্যা কিমান জানিব বিচাৰিছো, আৰু এইটোও জানিব বিচাৰিছো যে এতিয়ালৈকে কিমানজন ছাত্ৰই শিক্ষা শেষ কৰিছে, অনুগ্ৰহ কৰি

জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ছাত্ৰৰ সংখ্যাটো কোৱা অলপ টান, কাৰণ কোনোবা কেইজন ছাত্ৰই মাত্ৰ ছমাহ বা কোনোবাই ছমাহ শিক্ষা লৈ ওলাই গৈছে। গতিকে ইয়াৰ সঠিক হিচাব নাই।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— माननीय অধ্যক্ষ মহোদয়, এই শিক্ষানুষ্ঠানটো কেতিয়ালৈ কৰা হ'ব মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই আজিয়েই কৰিব বিচাৰো, ওচৰৰ মানুহৰ পৰা সহাৰি পালেহে।

Re : Post of Deputy Director of Inland Water Transport

Shrimati Syeda Anwara Taimur asked :

*501. Will the Minister, Transport be pleased to state —

(a) Since when the post of Deputy Director of Inland Water Transport, Assam is lying vacant ?

(b) The reasons for keeping this post vacant ?

(c) Whether advertisement have been made for the post ?

(d) If not, why ?

Shri Zehirul Islam (Minister, Transport) replied :

501. (a)— No post of Deputy Director Inland Water Transport is vacant now.

(b)— Does not arise.

(c)— Assam Public Service Commission has been requested to advertise a post which was filled up under regulation 3 (f).

(d)— Does not arise.

চৈয়দা আনোৱাৰা টাইমুৰ :— অধ্যক্ষ মহোদয়, এই ডেপুটি ডাইৰেক্টৰ জনৰ নাম মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— শ্ৰীবি, বৰুৱা।

চৈয়দা আনোৱাৰা টাইমুৰ :— এই ভেকেন্সীটো কেতিয়া পুৰণ কৰা হৈছে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— এইটো ১-৪-৭৭ তাৰিখত এটা এক্স কেডাৰ পোষ্ট ক্ৰিয়েট কৰি এই ডেপুটি ডাইৰেক্টৰ জনক মকৰল কৰা হৈছিল। সময়ত এইটো ৰেগুলাৰ পোষ্ট কৰা হব বৰ্ত্তমান স্থগিত ৰখা হৈছে। ৩০-৬-৭৮ লৈকে তেওঁ আছিল। যোৱা ১-৫-৭৮ তাৰিখত এই পোষ্টটো ৰেগুলাৰাইজ কৰি মানুহ মকৰল কৰিবলৈ পাবলিক চাৰ্ভিচ কমিছনক অনুৰোধ কৰা হৈছে।

চৈয়দা আনোৱাৰা টাইমুৰ :— এই পোষ্টৰ কাৰণে শিক্ষাগত অৰ্হতা কিমান লাগে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— প্ৰথম শ্ৰেণীৰ এম, অ', টি।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, এই পদটো ৩ (ফ)ত নিযুক্তি দিছে বুলি কৈছে আৰু শ্ৰীবৰুৱাক যে নিযুক্তি দিছে তেখেতৰ শিক্ষাগত অৰ্হতা কিমান? আৰু তেখেতৰ লগত আৰু কোনো প্ৰাৰ্থীৰ কথা বিবেচনা কৰা হৈছিল নেকি? যদি হৈছিল তেন্তে তেখেত সকলৰ শিক্ষাৰ অৰ্হতা কিমান আছিল আৰু সেই সকলৰ নাম কি মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— আমি তেনে কোনো প্ৰাৰ্থী পোৱা নাই। সেই কাৰণেই এই এক্স কেডাৰ পোষ্টটো ৰেগুলাৰাইজ কৰাৰ কাৰণে চেষ্টা কৰা হৈছে আৰু তাৰ বাবে প্ৰথম শ্ৰেণীৰ এম, অ,' টি হোৱা দৰকাৰ।

চৈয়দা আনোৱাৰা টাইমুৰ :— যি জন মানুহক ইতিমধ্যে নিযুক্তি দিয়া হৈছে তেখেতৰ অৰ্হতা কিমান?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— তেখেত ২য় শ্ৰেণীৰ এম, অ,' টি

শ্ৰীফনী মেধি :— অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ডাইৰেক্টৰ অৱ ইনল্যাণ্ড ওৱাটাৰ ট্ৰেন্সপোৰ্ট নামৰ ডিপাৰ্টমেণ্টতো আছে তাত অকল ডিপাৰ্টমেণ্টৰ অফিছ আৰু অফিছত কাম কৰা মানুহ থিনি থকাৰ বাহিৰে আন কিবা কাম আছে নে?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— চাৰ, এই বিভাগটোৰ বেছিভাগ মানুহেই নদীত কাম কৰি আছে।

Re : Appointment of teachers in Provincialised Schools

Shri Binoy Kumar Basumatari asked :

* 502. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the Headmasters/Principals of High and Higher Secondary Schools have been given the sole authority to appoint teachers in their respective schools after the Provincialisation of schools on 1st October, 1977 ?

(b) If so, whether the Managing Committee of High and Higher Secondary Schools have any role to play after provincialisation of schools and if so, what are these roles ?

(c) Whether Government is aware that number of appointments were made to the High School at Harisinga after the provincialisation without advertisements in the news papers and without any consultations with the Managing Committee ?

(d) If so, what action has been taken by the Government in this regard ?

Shri Lakshyadhar Choudhury (Minister, Education) replied :

502. (a)— No.

(b)— The Managing Committees have all other functions except functions relating to appointment, dismissal, disciplinary matters.

(c)— Yes. Appointment has been approved by the Inspector of Schools, Darrang District Circle, Tezpur.

(d)— The Officer is being asked to explain the position.

Shri Benoy Kumar Basumatari :— Mr. Speaker, Sir, is the Hon'ble Minister aware that appointments are being made without consulting the Managing Committee by the Headmaster ? Is the Hon'ble Minister aware that the wife of the said Headmaster is drawing double salary as Teacher and a Librarian ? Is the Hon'ble Minister aware that the said Headmaster had called some persons to serve in the School without any advertisements or any application from them but later on when they claimed their pay etc., they were not given any pay.

Shri Lakshyadhar Choudhury (Minister) :— Sir, surely I will enquire into the matter.

শ্ৰীনজমুল হক :— হাইস্কুল বিলাক প্ৰভিনচিয়েলাইজেচন হোৱাৰ

পিচত তাৰ মেনেজিং কমিটি কৰি দিওঁতে ৰাইজৰ পক্ষৰ পৰা দিয়া প্ৰতিনিধি যথেষ্ট কম হৈছে। আৰু তাৰ বাবে স্কুল বিলাকত যথেষ্ট অসুবিধা হৈছে। সেয়ে এই মেনেজিং কমিটি বিলাকত আৰু বেছিকৈ ৰাইজৰ পক্ষৰ প্ৰতিনিধি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এতিয়াও সেই বিষয়ে চিন্তা কৰা হোৱা নাই।

শ্ৰীনূরুল হুদা :— স্যার, মন্ত্ৰী মহোদয় একথা জানেন কি যে প্ৰভিন্সিয়েলাইজেশনের পরে বিভিন্ন জেলায় এবং বিশেষ করে কাছাড় জেলার শিলচর সাব-ডিভিশনে ইন্সপেক্টর অব স্কুলস্ যোগ্যতার বিচার না করে অস্থায়ীভাবে শিক্ষকদের নিয়োগ করার অনেক অভিযোগ আছে ? ভবিষ্যতে এরকম হবেনা বলে মন্ত্ৰী মহোদয় আমাদেরে আশ্বাস দিতে পারবেন কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— ইন্সপেক্টৰ আৰু হেডমাষ্টাৰৰ যোগেদি অস্থায়ীভাৱে ৩ মাহলৈ নিযুক্তি দিয়াৰ ব্যৱস্থা আছে। কিন্তু অন্যায়ভাৱে অৰ্হতা নথকা লোকক নিয়োগ কৰাৰ ব্যৱস্থা নাই। তেনে ধৰণৰ বহু অভিযোগ শিলচৰৰ বাহিৰেও বিভিন্ন জিলাৰ পৰা পাইছো আৰু তাৰ কিছুমানৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে আৰু কিছু বাকী আছে। সেইবোৰবো বিবেচনা কৰি আছো।

শ্ৰীবানেশ্বৰ শইকীয়া :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ৫০২ (বি)ৰ উত্তৰত কৈছে যে মেনেজিং কমিটি বিলাকৰ শিক্ষক নিযুক্তি দিয়াৰ ক্ষেত্ৰত ভূমিকা আছে। বিশেষকৈ স্কুল প্ৰভিচিয়েলাইজেচন হোৱাৰ পাচত যি বিলাক মেনেজিং কমিটি ভাঙি দিয়া হল সেই স্কুল বোৰত নতুনকৈ মেনেজিং কমিটি গঠন কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে নে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— হোৱা নাই। কিন্তু স্কুল বিলাকত কি ধৰণে মেনেজিং কমিটি নিয়োগ কৰা হব সেই বিষয়ে চিন্তা কৰা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ :— মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে নানান জিলাৰ পৰা তেনে অন্যায়ৰ অভিযোগ আহিছে। এই গোটেই কথা বিলাক বিবেচনা কৰি ইন্সপেক্টৰ অব স্কুলক ৩ মাহৰ বাবে অস্থায়ীভাৱে নিয়োগ কৰিবলৈ যি অধিকাৰ দিয়া হৈছে আৰু সেই অধিকাৰৰ অপব্যৱহাৰ কৰা হৈছে আৰু প্ৰায় বিলাকতে কোনো জাননী নিদিয়াকৈ মানুহ নিয়োগ কৰাৰ এই অস্থায়ী নিয়োগৰ ক্ষেত্ৰত চৰকাৰে এটা নীতি নিৰ্দ্ধাৰণ কৰি দিয়াৰ কথা বিবেচনা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এই স্কুল বিলাক সোনকালে হোৱাৰ আশা ৰাখিছো। নহলে ইয়াৰ কিবা বিকল্প ব্যৱস্থা লোৱা হব।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে স্কুল বিলাক প্ৰভিন্‌চিয়েলাইজেচন হোৱাৰ পিচত কি নতুন নীতিৰে এই শিক্ষক সকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হব ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— আমাৰ অসম চৰকাৰে যি নীতি কৰি থৈ গৈছে সেই নীতিকেই অৱলম্বন কৰি থকা হৈছে। নতুন নীতি কৰা এতিয়ালৈকে হোৱা নাই। নতুন নীতিৰ ব্যৱস্থা কৰি থকা হৈছে।

শ্ৰীমুকুট শৰ্ম্মা :— অসম চৰকাৰে কি ব্যৱস্থা লৈছিল ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এইটো প্ৰভিন্‌চিয়েলাইজেচন হোৱাৰ পিচত এই বিষয়টো মেনেজিং কমিটিয়ে বিবেচনা কৰি চাব। আৰু এই বিষয়ে ডি পি আইয়ে ক্ষমতা দিব পাৰিব। ইন্সপেক্সচনৰ ক্ষেত্ৰতো যি

অভিযোগ আদি আছে সকলোবোৰ আতৰ কৰাৰ সহজ সাধ্য ব্যৱস্থা কৰিবলৈ ৰুলচ্ কৰি থকা হৈছে।

শ্ৰীমুকুট শৰ্ম্মা ঃ— মন্ত্ৰী মহোদয়ে জনাবনে এই ৰুলচ্ আদি কৰোতে কিমান দিন লাগিব সেইটোৰ সময় নিৰ্দ্ধাৰণ কৰি দিব নে? আৰু মন্ত্ৰী মহোদয়ে নিজে স্বীকাৰ কৰিছে যে বিভিন্ন জিলাত এই নিয়োগৰ কাৰণে বহুতো খেলিমেলিৰ সৃষ্টি হৈছে। এইবোৰ আতৰ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— আমাৰ ফালৰ পৰা কৰিব লগীয়া নাই। এতিয়া এইটো আইন বিভাগৰ হাতত আছে।

শ্ৰীফনী মেধি ঃ— এই চৰকাৰ ক্ষমতা লৈ অহাৰ পিচত আগৰ যিবিলাক মেনেজিং কমিটি আছিল সেই বিলাক ভাঙি দিয়াৰ প্ৰয়োজন বোধ কৰা নাই কিয়? সেই বিলাক ভাঙি নিদিয়াৰ কাৰণে স্কুল পৰি-চালনা কৰিবলৈ সুবিধা হৈছে নে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— ইতিমধ্যে ১৪ খন ভাঙি দিয়া হৈছিল তাবে কেইবাখনেও মোকৰ্দ্দমা কৰিছে। গতিকে বাকীবোৰ ভাঙি দিয়া নাই কাৰণ তেওঁলোকেও আকৌ মোকৰ্দ্দমা কৰিলে অহাবাৰলৈ মই আকৌ ধন বেছি খৰছ কৰাৰ বাবে জবাব দিব লাগিব। ভাঙি দিয়া বিলাকৰ দুই চাৰিখন ইতিমধ্যে কৰ্টলৈ গৈছে আৰু এটা এতিয়া কোৰ্টত আৰম্ভ হৈ আছেই। গতিকে বাকী বিলাক ভাঙি দিয়াটো টান।

শ্ৰীদেবানন্দ বৰা ঃ— অধ্যক্ষ মহোদয়, এই নিয়োগৰ সম্পৰ্কত বিভিন্ন ধৰণৰ অভিযোগ আছে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে যিটো নিয়োগ নীতি আছে সেই নীতি ইন্সপেক্টৰ অব স্কুলচ্‌ক নিদি মেনেজিং কমিটিক অস্থায়ী ভাৱে সৰু কমিটি কৰি দিয়াৰ সুবিধা দিব নে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মেনেজিং কমিটিক দিয়াৰ ব্যৱস্থা কৰা হয় আৰু যদি তাত পলম হয় তেতিয়াহলে অন্য ব্যৱস্থা কৰি মেনেজিং কমিটিক দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

Mr. Speaker :— The Question hour is over.

Undisposed Starred Questions dated 4-4-79

Re : Recruitment of I.A.S. officers hail from outside the State

Shri Bilton G. Momin asked :

* 503. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that another batch of 10 (ten) I.A.S. officers from outside the State has been accepted ?

(b) If so, what is the special reason for bringing so many officers from outside the State ?

Shri Golap Borbora (Chief Minister) replied :

503. (a)— Government of India have allocated 9 (nine) I.A.S. probationers of 1978 batch to the Joint I. A. S. Cadre of Assam-Meghalaya. These I. A. S. probationers have been recruited on the results of I. A. S. Examina-

tion held in 1977 and hail from the outside State. One probationer is from Meghalaya.

(b)— The recruitment and allocation of I.A.S. probationers to all the States of India are done by the Government of India as per rules and procedure formulated under the provisions of the All India Services Act, 1951.

ৰিষয় ঃ The Officers Association of Handloom Development Schemeৰ স্মাৰক পত্ৰ

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

* ৫০৪। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ৫ ডিচেম্বৰ তাৰিখে The Officers Association of Handloom Development Schemeৰ পক্ষৰ পৰা বিত্তমন্ত্ৰী মহোদয়ৰ ওচৰত Revision of Pay Scale সন্দৰ্ভত এখন স্মাৰক পত্ৰ দিছিল নেকি ?

(খ) যদি দিছিলে এই গোলমেলিৰ সমস্যা খণ্ডনৰ বাবে এই বিষয়টো Anomaly Committee লৈ যোৱা জুন মাহত পঠোৱাটো সঁচা নেকি ?

(গ) যদি সচাঁ হয়, তেন্তে বৰ্ত্তমান পৰ্য্যন্ত এই বিষয়ে কি ব্যৱস্থা হাতত লোৱা হৈছে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫০৪। (ক)— যোৱা ৬ ডিচেম্বৰ তাৰিখে The Officers Association of Handloom Development Schemeৰ পক্ষৰ পৰা বিত্ত মন্ত্ৰীক Revision of Pay Scale সন্দৰ্ভত এখন স্মাৰক পত্ৰ দিয়া হৈছিল।

(খ) আৰু (গ)— এই বিষয়টো Anomaly Committee লৈ পঠোৱা হোৱা নাই, বিত্ত বিভাগতে বিবেচনাধীন হৈ আছে।

বিষয় ঃ অসমৰ প্ৰায়বোৰ প্ৰাইমাৰী স্বাস্থ্য কেন্দ্ৰ আৰু ডাক্তৰ খানাত ডাক্তৰ আৰু অন্যান্য বিষয়া থকা বাস গৃহ

শ্ৰীৰবিন্দ্ৰ নাথ মালাকাৰে সুধিছে ঃ

* ৫০৫। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা চৰকাৰে জানেনে যে অসমৰ প্ৰায়বোৰ প্ৰাইমাৰী স্বাস্থ্য কেন্দ্ৰ আৰু ডাক্তৰ খানাত ডাক্তৰ আৰু অন্যান্য বিষয়া আৰু ধাই থাকিবলৈ বাসগৃহৰ কোনো ব্যৱস্থা আজিলৈকে হোৱা নাই?

(খ) ডাক্তৰ সকলে যি ঠাইত চাকৰী কৰে তাত থাকিবৰ সুবিধা নহলে তেওঁলোকৰ উদ্দেশ্যত ব্যাঘাট নঘটনে?

(গ) যদি জানে ডাক্তৰ সকল স্বাস্থ্য কেন্দ্ৰত নাথাকিলে গাঁৱলীয়া ৰাইজৰ জৰুৰী কালিন চিকিৎসাৰ বাবে অন্য কি ব্যৱস্থা আছে?

ডাঃ কোযেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫০৫। (ক)— হয় জানো।

(খ)— ঘটে।

(গ)— স্বাস্থ্য কেন্দ্রত ডাক্তৰ থকাটো চৰকাৰে জানে।

বিষয় ঃ কলিকতাৰ অসম ভৱনৰ সন্মুখত থকা মাটি

শ্রীএম, ইব্ৰাহিম আলিয়ে সুধিছে :

* ৫০৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) এই কথা সচাঁনে যে কলিকতাৰ অসম ভৱনৰ সন্মুখত থকা মাটি হেনো মাটিৰ মালিকে অসম চৰকাৰক বিক্রী কৰিব বুলি লিখিত চুক্তি কৰিছিল?

(খ) যদি সচাঁ হয়, তেন্তে সেই চুক্তিৰ পৰা আঁতৰি গৈ কেনেকৈ সেই মাটি অন্যক বিক্রী কৰা হল জনাবনে?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

৫০৬। (ক)— তেনে কোনো চুক্তি হোৱা নাই।

(খ) (ক)— প্রশ্নৰ উত্তৰ সাপেক্ষে এই প্রশ্ন নুঠে।

বিষয় ঃ লক্ষীমপুৰ জিলাৰ খেতিত লগোৱা ট্রেক্টৰ

শ্রীশুল বৰাই সুধিছে :

* ৫০৭। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) লক্ষীমপুৰ জিলাত কিমানখন খেতিত লগোৱা ট্রেক্টৰ আছে ?

(খ) ধেমাজী মহকুমাত কিমান ট্রেক্টৰ আৰু উত্তৰ লক্ষীমপুৰ মহকুমাৰ কাৰণে কিমানখন ট্রেক্টৰ আছে ?

(গ) এই জিলাৰ মুঠ খেতিত লগোৱা ট্রেক্টৰৰ ভিতৰত কিমানখন কামত লগাব নোৱাৰাকৈ অচল হৈ আছে ?

(ঘ) এই জিলাৰ ট্রেক্টৰবোৰ বেয়া হলে তাৰ পাৰ্টছ আদি কৰ পৰা গৈ আনিব লাগে ?

শ্রীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

৫০৭। (ক)— লক্ষীমপুৰ জিলাত সৰ্ব্ব মুঠ ২৪ খন ট্রেক্টৰ আছে।

(খ)— ইয়াৰে ধেমাজী মহকুমাত ৫ খন ট্রেক্টৰ আৰু উত্তৰ লক্ষীমপুৰত ১৯ খন ট্রেক্টৰ আছে।

(গ)— ধেমাজী মহকুমাত ৫ খন ট্রেক্টৰেই কামত লগোৱা হৈছে। উত্তৰ লক্ষীমপুৰ মহকুমাৰ ১৯ খন ট্রেক্টৰৰ ভিতৰত ৭ খন ট্রেক্টৰ চলিত অৱস্থাত আছে আৰু বাকী ১২ খন অচল অৱস্থাত আছে।

(ঘ)— উত্তৰ লক্ষীমপুৰত দুই এটা সৰু-সুৰা বস্তুৰ বাহিৰে বাকী সকলোবোৰ পাৰ্টছ গুৱাহাটী, যোৰহাট, ডিব্রুগড় আদি ঠাইৰ পৰা যোগাৰ কৰি আনিব লগা হয়।

Re : Office Assistant of Provincialised Schools

Shri Nishith Ranjan Das asked :

* 508. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that some provincialised schools having roll strength of 500 or more have got only one office Assistant instead of two?

(b) If so, the steps taken by Government in this regard?

Shri Lakshyadhar Choudhury (Minister, Education) replied :

508. (a)— Yes.

(b)— In assessment is being made on completion of which, necessary action will be taken.

Re : Recognition of Bishnupriya Manipuri language

Shri Noorul Huda asked :

* 509. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that Bishnupriya Manipuri Community in the District of Cachar (Assam) have been for a long time, demanding for recognition of their langu-

age by the State Government as "Bisnupriya Manipuri" language for the purpose of Primary education ?

(b) Whether the State Government is aware that there is acute resentment among the Bishnupriya Manipuri Community for non-recognition of their language ?

(c) Whether the Government would expeditiously look into the matter and arrive at a decision soon ?

Shri Lakshyadhar Choudhury (Minister, Education) replied :

509. (a)— Yes.

(b)— Yes.

(c)— Government is looking into the matter.

Re : Sorbhog Air Field

Shri M. Ibrahim Aali asked :

* 510. Will the Minister, Transport be pleased to state—

(a) Whether the Government is aware of the existence of an aerodrome at Kamarchar within Barpeta Subdivision built by the then British Government during

the second world War ?

(b) If so, the present condition of this Aerodrome ?

Shri Rabindra Nath Choudhury :— Mr. Speaker, sir, I beg to move that (i) the existing Clause 7 shall be renumbered as 7 (1); (ii) in lines third and fo-

urth of clause 7 (1) so proposed, the words "two hundred and fifty rupees" shall be substituted by the words "one thousand rupces"; (iii) in line fourth, the punctuation "(.)" at the end shall be deleted and the words "and the appointment so made stands void and the State Govt. may also draw up proceedings against the respective authority" "shall be added thoreafter; (iv) the proviso to clause 7 shall be deleted and a new Sub-clause 7 (2)" shall be inserted as follows:

"(2) if a private employer, i.e., any establishment in the private sector contravenes provisions of section 4 or section 5, the Managing Director or its Executive Authority shall have to show cause and the State Govt. may, unless suitable reasons are furnished for such contraventions, withdraw Govt. al facilities from such private establishement as aid, loan, other forms of assistance etc., and may also recommend to the Central Govt. to take further motion against the recalcitrant employer, as it deem necessary."

শ্ৰীৰমেশ মোহন কুলি :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিখিনি সংশোধনী আ নছে সেইবিলাক প্ৰায় ইউনিফৰম নেচাৰৰ। গতিকে যিহেতুকে সৰহ সংখ্যক সদস্যৰ ইচ্ছা আছে বুলি ভাবিছো সেই কাৰণে মই তেখেত সকলৰ সংশোধণী গ্ৰহণ কৰিছো।

Then, Sir, regarding the amendment moved by

Shri Bipin Hazarika, Shri Noorul Huda and Shri Nishit Ranjan Das............ the existing clause 7 shall be renumbered as 7 (i) and (ii) in lines third and fourth of clause 7, the words "two hundred and fifty rupees" shall be substituted by the words "one thousand rupees" and thereafter the words "and the Govt. may also draw up proceedings against the respective Head of the deptt. asking for show cause and for further punishment" shall be added সেইটো গ্ৰহণ কৰিছো।

Then, Sir, regarding the amendment of Shri Binoy Kr. Basumatari .... (i) in line fourth, the punctuation at the end shall be deleted and the words "and such appointments will be void" shall be inserted thereafter এইটোও গ্ৰহণ কৰা হৈছে। Then, sir, regarding the amendment in (iii) moved by Shri Hoda and Shri Nishit Ranjan Das সেইটোও গ্ৰহণ কৰা হৈছে।

শ্ৰীবাগেশ্বৰ শইকীয়া :— এইখিনিতে মই এটা কথা কব বিচাৰিছো। Sir, as far as the word recalcitrant is concerned, I think this word may be substituted by another suitable word as the connotation of the word must have a different meaning. বিকালচিট্ৰাই টাৰ্মটো মোডিফাই কৰাৰ আগতে চো কজ কৰা আৰু উইড্ৰ কৰাৰ কথা আছে। সেই কাৰণে বিকালচিট্ৰাই শব্দটো ব্যৱহাৰ নকৰি Here the word 'erring' may be pleaced in place of recalcitrant.

Shri Noorul Huda :— Sir, before the Hon'ble Law Minister gives the clarification, I would like to submit that this word 'recalcitrant' has been used against the employers. Sir, as you are aware even after 30 years of independence, employers in general have been creating havoc, specially the employers of Private Sectors. Sir, I do not think that this word 'recalcitrant' is not proper here. The word 'recalcitrant' is very much appropriate here. Therefore, Sir, it should not be changed. This is my submission.

Shri Baneswar Saikia :— Sir, the word 'recalcitrant' has a different connotation. Sir, this word is used against a private employer. If somebody violates the provision delaberately, then this is very much proper. Otherwise, it will have a different connotation. Therefore, sir, this word may be replaced by other suitable word.

Shri Narendra Nath Dutta :— Sir, this word is very much appropriate. What the Hon'ble Member has meant by saying different conotation is not clear.

Shri Keshab Chandra Gogoi :— Sir, I think there will be no harm if the word remains here. Here in Clause (7) we find that 'if an appointing authority makes an appointment in contravention of the provi-

sions of Section 4 or section 5, he shall be punishable with fine which may extend to two hundred and fifty rupees." Then, sir, again we find that "provided that nothing contained in this Saction shall apply in relation to an appointment to any service or post of which the appointing authority is the Governor". This is clear here and it is said that 'in relation to an appointment to any service or post'. So, sir, I don't think that this provision should not be there because the appointments to any service or post contemplated under this act are to be governed by Section (7). So, sir, this provision may be there and I think the Hon'ble Minister may also agree to it.

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ :— এটা কথাত দিগ্‌দাৰী হয় নেকি ? যে চৰকাৰী স্থবিধা য'ত পাইছে সেইটোত বাধা কৰা হব। যদি চৰকাৰী সাহায্য নাপায়, নিজৰ টকাৰে ব্যক্তিগত ভাবে কৰে তেনে ক্ষেত্ৰত এই ক্লজটোৰে গন্দগোল লগাব নেকি ?

Shri Keshab Chandra Gogoi :— Sir, this provision is applicable only when a particular farm violates the rules. So, I don't think this provision should not be there.

Mr. Speaker :— The House now stands adjourned till 2/0 p.m. Today.

(After lunch)

Mr. Speaker :— Now about the amendments.

Shri Baneswar Saikia:— Sir, about the applicability and appropriateness of the word recalcitrant, actually it means strong opposition, a very obstinate opposition. I have consulted the Chambers Dictionary and Shorter Oxford Dictionary. I consulted both and found the meaning here is not appropriate. Recalcitrant means something else according to Shorter Oxford Dictionary. Hence I would request you to see that this word is properly modified.

Mr. Speaker :— What is your suggestion ?

Shri Baneswar Saikia :— My suggestion is Sir, that a suitable word should be placed in substitution of the word recalcitrant.

Shri Keshab Chandra Gagoi :— Mr. Speaker, Sir before going to the word, I would like to submit the law in this respect. In Mr. Choudhury's amendment No. 21 of clause 7 (1) he says the words 'two hundred and fifty rupees' shall be substituted by the words 'one thousand rupees', that is alright and in clause (iii) the appointment so made stands void and the State Government may also draw up proceedings against the respective authority". Regarding the clause

I have got to say that appointment will be made and that will take some time. So during the period when officer so appointed he will have to do some work. He has to issue licence and do some other works. So there is nothing in the amendment in the nature of any suggestion. In that circumstances I submit that it will not be propor to accept this amendment. Then sir, regarding deleting the proviso to Clause 7 which provided says that nothing in this caluse shall apply in relation to appointment of any service or post in which the appointing authority is the Governor. This proviso cannot be deleted. Again under Article 361 of the Constitution it has been stated that no criminal proceedings whatsoever shall be instituted or continued against the President of the Governor of a State, in any court during his term of office. That is in clause 2. So in that view if it is to be deleted the Governor will have to be prosecuted but he cannot be prosecuted. So my submission before the House is that it should continue. If this clause is to be deleted then the Governor will have to be prosecuted in the court of law. Then sir, regarding the other amendment i.e. employment in a private Sector, this provision cannot be included in view of the fact that in 2 (b) the establishment is defined. In this definition

the private sector is not included. In that case other proviso of punishing the private sector employer cannot arise. In this connection I refer to rule 78 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly wherein it is said that 'an amendment shall be within the scope of the Bill and relevant to the subject matter of the clause to which it relates. So this definition goes out of the context and therefore this also cannot be there. Then again, regarding the heads of the Department that is also defective in view of the fact that some appointments are not made by the Head of Department. Some are made by some other persons say Deputy Commissioner or Sub-Divisional Officer. He cannot be said to be the Head of the Department. So it cannot be said that against the respective Department. In view of what I have stated, these amendments will not be in conformity with the law. Hence I would request the hon'ble members who brought these amendments to withdraw and now let it remain that the punishment is Rs. 100 /- for the present. Let the punishment be upto Rs. 1000/- and afterwards if we find that some other amendments are necessary that can conveniently be made but to-day let us be contended only by amending the punishment and substituting

the word upto Rs.1000/-; I think that will be sufficient for the present.

Mr. Speaker.— Will the hon'ble members withdraw? Shri Bipin Hazarika, Noorul Huda, Nishit Das, Ramendra De?

Shri Ramendra De :— We are not pressing, Sir.

Shri Promode Gogoi :— Mr. Speaker, Sir when they have moved the amendment, they will have to withdraw it,

Mr. Speaker :— Will you withdraw if you are not pressing?

Shri Ramendra De :— We will not withdraw, Sir.

Mr. Speaker :— What about amendment No. 19 (1) that the existing Clause 7 shall be renumbered as 7 (i)?

If No. (ii) is accepted then one is going to be withdrawn. Whether the Government is going to accept No. 2? As far as I remember, the Minister, Law said that Rs. 1000/- penalty suggested here may be acceptable. If (ii) is accepted whether (i) is to be accepted

or not ?

Shri Keshab Chandra Gogoi :— (i) is not necessary because Clasue 7 says, 'if an appointing authority makes an appointment in contravention of the provisions of Section 4 or Section 5, he shall be punishable with fine which may extend to two hundred and fifty rupees...." This 250 rupees shall be 1000 rupees.

Shri Promode Chandra Gogoi :— And the renumbering will not be necessary.

Shri Keshab Chandra Gogoi :— Not necessnary.

Mr. Speaker :— Now, shall I put amendments Nos. (i), (ii) and (iii) together or separately ? (Voices separately)

Shri Biresh Misra :— Sir, it was accepted by the Mover yesterday but how this question can come up today ?

Mr. Speaker :— It did not come up yesterday.

Now I put the question. The question is that the existing clause 7 shall be renumbered as 7 (i).

(The amendment was lost)

Now amendment No. (ii). The question is that

in lines third and fourth of Clause 7, the words "two hundred and fifty rupees" shall be substituted by the words "one thousand rupees" and thereafter the words "and the State Government may also draw up proceedings against the respective Head of the Department asking for show cause and for further punishment" shall be added.

(The amendment was passed)

Now No. (iii).

The question is that the proviso to Clause 7 shall be deleted and a new sub-clause "(2)" shall be inserted as follows :

"(2) If a private employer i.e. any establishment in the private sector contravenes provisions of Section 4 or Section 5, the Managing Director or its Executive shall have to show cause and the State Government may, unless suitable reasons are furnished for such contraventions, withdraw Governmental facilities from such private establishment such as aid, loan, other forms of assistance, licance etc. and may also recommend to the Central Government to take further action against the recalcitrant employer, as it deems necessary."

(The amendment was lost)

Now, amendment No. 20. Shri Binoy Kumar Basumatari. You have already moved it. Are you withdrawing it ?

Shri Binoy Kumar Basumatari :— Sir, in view of the learned opinion of the Law Minister I have one submission to make. (i) in line fourth, the punctuation "(:)" at the end shall be delated and the words "and such appointments will be void." This word 'void' has created some legal Complicacy and so I wish to change it to "and such appointments will be terminated", i. e., I want to substitute the word 'void' with the word 'terminated'.

Mr. Speaker :— You have to withdraw your amendment first.

Shri Binoy Kumar Basumatari :— Since the legal opinion has come at a later stage I request the House to reconsider this.

Mr. Speaker :— Is it the pleasure of the House to grant leave to Shri Binoy Kumar Barumatari to withdraw his amendment ?

(Voices— Yes).

Mr. Speaker :— The amendment stands withdrawn.

Mr. Speaker :— Now, No. 21. Rabindra Nath Choudhury. You have moved (i) and (ii).

Shri Rabindra Nath Choudhury :— With regard to (iii) I want to move.

Mr. Speaker :— With regard to (iii) whether you are withdrawing or pressing?

Shri Robindra Nath Choudhury :— I want to press it.

Shri Robindra Malakar :— The very word 'void' i.e., this word is... ....

Shri Atul Chandra Goswami :— Sir he is speaking from another Members seat.

Mr. Speaker :— The Law Minister has already spoken about the scope of the Bill.

Shri Keshab Chandra Gogoi :— Sir, regarding this clause, I have already said that if we declare the appointment void, in that case some lacuna remains there, because the person who would be appointed will held office for a period of, say, six months or a year or till the appoint, are declared void. During this particular period that particular person will discharge some functions. So for these works that have already

been done, there is no mention in the amendment. Unless all these are in corroporated in the amendment, this amendment cannot be accepted.

Shri Rabindra Nath Choudhury :— Sir, I have done it according to rules and procedures.

Mr. Speaker :— Mr. Rabindra Nath Choudhury, you can suggest it in the third reading. Now will you withdraw the amendement ?

Shri Rabindra Nath Choudhury : - Alright Sir, I withdraw the amendment.

Mr. Speaker :— Question is that the leave be granted to the mover of the amendment.

The amendment No. 21 stands withdrawn.

Now I put clause 7. Clause 7, as amended, do form part of the Bill.

Clause 7, as amended, forms part of the bill.

Now Clause No. 8— Shri Rabindra Nath Choudhury.

Shri Rabindra Nath Choudhury :— Hon'ble Speaker Sir, in regard to amendment to clause 8, I rise to move that the Clause 8 shall be deleted and the

subsequent clauses shall be renumbered accordingly.

Shri Keshab Chandra Gogoi :— Mr. Speaker Sir, in this connection my submission is that if the amendment to clause No. 8 is made many things will crop up later such as who will start the case again, who will examine it, etc. and the State Govt. is also unable to institute prosecution against it. So this should remain as it is.

Shri Rabindra Nath Choudhury :— Sir, I think, it is aggrieved person who will go to the court and sometimes it so happens that Govt. might loose the cases.

Shri Keshab Chandra Gogoi :— Sir, the aggrieved person may go to the court to file the case under this clause, but if the person may not have money and machinery to deal with his case. So the person concerned should come to Govt. and Govt. in its turn will examine the case and then proceed with it. I think it would be better.

Shri Ramesh Mohan Kouli :— Sir, there should be no objection in retaining this clause because the State Govt. will obviously take into consideration all aspects of the matter as soon as permission for pro-

secution is granted. There may be numerous unnecessary prosecution cases against the officers, but the Govt. will not hesitate to take action against the defaulting officers. I, therefore, request the Hon'ble Member to withdraw the amendment.

Mr. Speaker :— Now Mr. R. N. Choudhury, will you withdraw it ?

Shri Rabindra Nath Choudhury :— Sir, I am not satisfied with the explanation. Since the Hon'ble Minister has said that the Govt. will examine the cases of S.C. & S.T., with that assurance, I withdraw the amendment.

Mr. Speaker :— The motion is that the House is to grant leave to the mover of the amendment to withdraw it.

The amendment stands withdrawn.

The question is that Clause 8 do form part of the Bill.

Clause 8 forms part of the bill.

Now Amendment to Clause 9— Shri Robindra Nath Choudhury.

Shri Rabindra Nath Choudhury :— Sir, when the

bill was discussed one Hon'ble Member said that the production of Vishkarma had been reduced to a mouse (chika). First of all, Govt. is to loose the case against the firm as some wrong has been committed by the Govt. officer. So let the plea which will be taken by the Govt. officers be incorporated in the amendment to clause 9. In good faith, if some wrong has been done to Scheduled Caste and Scheduled Tribes, that will be a legal one. So Sir, under these circumstances, at least. I would like to move the amendment that the Clause 9 shall be deleted and the subsequent clauses shall be renumbered accordingly.

Shri Ramesh Mohan Kouli :— Sir, generally it exists in all the States. It is just like "madhurena samapayet". Actually, there should be no objection to such a provision as this is a saving clause. So there should not be any objection from the Hon'ble Members: I, therefore, request the Hon'ble Members to wiindraw the amendment.

Shrs Rabindra Nath Choudhury :— Sir, in good faith, it has been going on from time immemorial. I, therefore, request the Minister concerned to accept the amendment.

Mr. Speaker :— I have heard both sides and I

think I shall have put it to vote.

Shri Keshab Chandra Gogoi :— Mr. Speaker Sir, I would again request the Hon'ble Members to withdraw the amendment. It can be seen that in all the enactments it has been made and it is not only exception in this act. This is necessary to check the false and frivolous prosecuiion. In view of this, I request the Hon'ble Members to wtthdraw the amendment.

Mr. Sperker :— The amendment is rejected. Now I put clause 9. Clause 9 do form part of the bill.

Clause 9 forms part of the bill. There are no amendments to Clauses 10 to 13 and Schedule to the Bill. So I put Clauses 10 to 13 and the Schedule. Clauses 10 to 13 and the Schedule do form part of the Bill.

(After a pause)

Clauses 10 to 13 and the Schedule form part of the Bill.

Now, I put Clause 1, Preamble, Enacting formula and Short Title. Clause 1, Preamble, Enacting formula and Short Title do form part of the Bill.

(After a pause)

Clause 1, Preamble, Enacting formula and Short Title form part of the Bill.

Now, item (b).

Shri Ramesh Mohan Kouli :— Sir, I beg to move that the Assam Scheduled Castes and Scheduled Tribes (Reservation of Vacancies in Services and Posts) Bill, 197৪, as amended be passed.

* শ্রীপ্রমোদ গগৈ :— অধ্যক্ষ মহোদয়, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ চাকৰি সংৰক্ষণৰ ক্ষেত্রত এই বিলখনে এটা ডাঙৰ ভূমিকা পালন কৰিব সেই বিষয়ে সন্দেহ নাই। কাৰণ এতিয়ালৈকে আমাৰ ৰাজ্যত জনসংখ্যা অনুপাতে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সকলে চাকৰীৰ ক্ষেত্রত যি প্রতিনিধিত্ব পাব লাগিছিল সেয়া পোৱা নাই। সি লাগিলে উচ্চ খাপৰ চাকৰিয়েই হওক, চতুর্থ শ্রেণীৰ চাকৰিয়েই হওক বা তৃতীয় শ্রেণীৰ চাকৰিয়েই হওক। সেই কাৰণে চৰকাৰী চাকৰিৰ ক্ষেত্রত অনুসূচীত জাতি আৰু উপজাতি সকলৰ সংৰক্ষণ দিয়াটো এটা সাংবিধানিক দায়িত্বৰ উপৰিও সমাজৰো এটা নৈতিক দায়িত্ব আৰু কর্ত্তব্য আছে। এইটো কেৱল কোনো এটা জাতি বা উপজাতিকেই অধিক সুবিধা দিয়াৰ কথা নহয়। ভাৰতবর্ষৰ সংবিধানত অনুসূচীত জাতি আৰু উপজাতি সকলৰ ক্ষেত্রত লোক সভা আৰু বিধান সভাত প্রতি-নিধিত্বৰ কাৰণে যি ব্যৱস্থা ৰখা হৈছে সেই ব্যৱস্থা কেতিয়াও বঢ়োৱা নহয় আৰু তাকে বহাল ৰখা হৈছে। এই ব্যৱস্থাই হয়তো বিশেষকৈ লোকসভা আৰু বিধানসভাৰ প্রতিনিধিত্বৰ ক্ষেত্রত আৰু বঢ়াই দিয়াৰ

* Speech not corrected

প্ৰয়োজন হব পাৰে। তাৰ মানে মই এইটো কোৱা নাই যে কোনো কোনো ঠাইত সাধাৰণ সমষ্টিৰ পৰাও অনুসূচীত জাতি আৰু উপজাতিৰ লোক নিৰ্ব্বাচিত হৈছে সেই কথা মই ক্ষুই কৰিব নোৱাৰো। কিন্তু সৰহভাগ ক্ষেত্ৰতে প্ৰতিনিধিত্বৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা আছিল এতিয়াও আছে আৰু হয়তো কিছুদিনলৈ থাকিব। ঠিক তেনেকৈ চৰকাৰী চাকৰিৰ ক্ষেত্ৰত, প্ৰতিনিধিত্ব ক্ষেত্ৰত সংৰক্ষণ দিয়াতো নিতান্ত প্ৰয়োজন। কাৰণ আমি জানো যে স্বাধীনতাৰ আগতে অনুসূচীত আৰু উপজাতিৰ লোক সকলৰ চাকৰিৰ ক্ষেত্ৰত উচ্চ প্ৰতিনিধিত্ব পোৱা নাছিল। আৰু স্বাধীনতাৰ পৰৱৰ্ত্তী কালতো তেখেত সকলৰ অৱস্থাৰ অলপ উন্নতি হলেও প্ৰয়োজন অনুপাতে প্ৰতিনিধিত্ব পোৱা নাই। আৰু মই আশা ৰাখিছো এই বিল পাছ হোৱাৰ মাজেদিয়ে অসমৰ অনুসূচীত জাতি আৰু উপজাতি সকলৰ চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণ পোৱাটোৱেই নহয় তেখেত সকলৰ স্বাৰ্থ ৰক্ষা কৰাৰ ক্ষেত্ৰতো এই আইনে এটা ডাঙৰ ভূমিকা পালন কৰিব। কিন্তু এখন আইন পাছ কৰিলেই যথেষ্ট নহয়। এই আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰতো আৰু তাক সঠিকভাবে ৰূপায়িত কৰাৰ ক্ষেত্ৰতো চৰকাৰৰ এটা বিশেষ দায়িত্ব আছে। আমি আশা ৰাখিছো যে এই ক্ষেত্ৰত অৰ্থাৎ এই আইন যথাযথ ভাবে ৰূপায়িত কৰাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। অধ্যক্ষ মহোদয়, তাতৈকৈ ডাঙৰ কথা যে আমাৰ অসমৰ জাতি আৰু উপজাতি সকলৰ সমস্যা একমাত্ৰ চাকৰি দিয়াৰ যোগেদিয়েই সমাধান কৰিব নোৱাৰি। কাৰণ আমি যদি অকল এই চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণ দিয়াতো বিচাৰো তেতিয়াহলে এই সংৰক্ষণে হয়তো জাতি আৰু উপজাতি সকলৰ শতকৰা ১০ ভাগ বা ৮ ভাগ মানুহৰহে স্বাৰ্থ ৰক্ষা কৰিব পাৰিব। বাকী যি সকল নিৰক্ষৰ লোক, যিসকল মাটিহীন কৃষক লোক সেই সকলৰ স্বাৰ্থ সংৰক্ষণ কৰাৰ কাৰণে তাতকৈয়ো সুদূৰ প্ৰসাৰী বিলৰ প্ৰয়োজন। সেই কাৰণেই আমি আজি

দেখিছো যে ভাৰতবৰ্ষত সামাজিক ভাবে যিসকল নিৰ্য্যাতিত হৈছে সেই হৰিজন সকল আৰু যি সকল দুখীয়া মানুহ সেই সকলেই বেছিকৈ নিৰ্য্যাতিত হৈছে। এই কথা বিলাক আমি জানো আৰু সেয়ে মই তাৰ পুনৰাবৃত্তি কৰিব নোখোজো। লোকসভাত এই বিলৰ বিষয়ে আলোচনা হৈছে যে যোৱা কেইবছৰত ভাৰতবৰ্ষত হৰিজন সকলৰ ওপৰত আৰু অনুসূচীত জাতি আৰু উপজাতি সকলৰ ওপৰত যি নিৰ্য্যাতন হৈছে আৰু যি ভাবে তেওঁলোকক আক্ৰমণ কৰা হৈছে ইয়াৰ দৃষ্টান্ত ভাৰতবৰ্ষত বিৰল। সেই কাৰণে আমি আশা ৰাখিছো চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণ দিয়াৰ উপৰিও যদি প্ৰয়োজনীয় ভাৱে অনুসূচীত জাতি আৰু উপজাতি সকলৰ শতকৰা ৯০ ভাগ কৃষক আৰু কৃষকৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত যি সকলৰ মাটিবাৰী নাই তেওঁলোকক খেতি মাটি দিয়াৰ ক্ষেত্ৰত যি সকলৰ ঘৰৰ ভেটি নাই সেই সকলক ঘৰৰ মাটি ভেটি দিয়াৰ ক্ষেত্ৰত যি সকলৰ অৰ্থনৈতিক অৱস্থা খুব বেয়া সেই সকলৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত আৰু আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব। এই কথা মই জানো যে আমি যিমানেই আইন পাছ নকৰো কিয় যেতিয়ালৈকে পুজিবাদী ব্যৱস্থা থাকিব নিৰ্য্যাতন, অন্যায়, অবিচাৰ হবই চাকৰিৰ ক্ষেত্ৰত, ভূমি বণ্টনৰ ক্ষেত্ৰত, সমাজৰ উন্নয়নৰ ক্ষেত্ৰত এই বিলাক থকাতো স্বাভাবিক। এই কাৰণেই এনে আইন কৰাৰ উপৰিও প্ৰকৃতপক্ষে যি সকল নিৰ্য্যাতিত আৰু শোষিত আৰু সমাজৰ পিচপৰা জাতি আছে তেওঁলোকৰ স্বাৰ্থৰক্ষা আৰু উন্নয়নৰ কাৰণে আমি এই ব্যৱস্থাৰ, পৰিবৰ্ত্তন কৰাৰ কাৰণে চৰকাৰক ব্যৱস্থা কৰাৰ নিবেদন জনালো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী ভাঙৰীয়া দুজনমানে বৰ বেছিকৈ ভামোল খোৱা যেন দেখিছো, সেইটো বৰ ভাল নেদেখি।

শ্ৰীপ্ৰমোদ গগৈ :— অধ্যক্ষ মহোদয়, মই আৰু বেছি নকওঁ এই

বিলখন প্ৰায় সৰ্ব্বসম্মতিক্ৰমে পাছ কৰাৰ মাজেদি অসমৰ জাতীয় জীৱন আৰু ৰাজনৈতিক জীৱনত এটা ডাঙৰ পদক্ষেপ হব। মই সগতে আশা ৰাখিছো যে এই আইন পাছ হোৱাৰ পিচত অসম চৰকাৰে চাকৰি ক্ষেত্ৰত সংৰক্ষণ কৰাটোৱেই নহয় সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আৰু বিশেষকৈ অনুসূচীত জাতি আৰু উপজাতি সকলৰ মাজত দুখীয়া যি সকল লোক আছে তেওঁলোকৰ অৰ্থনৈতিক আৰু সামাজিক স্বাৰ্থ ৰক্ষা কৰাৰ ক্ষেত্ৰত চৰকাৰে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব।

শ্রীবীরেশ মিশ্র ঃ— অধ্যক্ষ মহোদয়, যে অনুসূচীত জাতি এবং অনুসূচীত জনজাতির উপর যুগ যুগ ধরে (যুগ যুগ বললে কম হবে) শত শত বৎসর ধরে যে অন্যায়, অবিচার চলে আসছে তার সামান্যটুকু দুর করবার জন্য প্রথম পদক্ষেপ হিসাবে আজ সদনে যে বিল পাশ হতে যাচ্ছে তাতে আমরা আমাদের পার্টির তরফ থেকে সমর্থন জানিয়েছি। কিন্তু সঙ্গে সঙ্গে আমরা এই কথাও স্মরণ করে দিতে চাই যে শুধু এই চাকরীর ক্ষেত্রে সুবিধা দিয়েই এই বঞ্চিত জাতিকে আমরা উন্নত করে তুলতে পারবো না। এই আশা আমরা করি না এবং সরকারও বোধ-হয় এই আশা করেন না। এই জন সমষ্টির মধ্যে যারা গরীব কৃষক তাদের এই বিল পাশ করার পরও তেমন কোন লাভ হবে না। তাদের অর্থনৈতিক উন্নতির চেষ্টা না করলে কখনই এই বিলের দ্বারা এই অনুসূচীত জাতি এবং জনজাতি লোকেদের উন্নতি করা সম্ভব নয়। শুধু বড় বড় লোক যারা এই কমুনিটিতে রয়েছে এবং লেখা পড়া জানা যারা আছে শুধু তাদেরই স্বার্থ রক্ষা হবে। আমি মাননীয় মন্ত্রী তথা সরকারকে অনুরোধ করবো তারা যেন এই বিল পাশ করার সঙ্গে সঙ্গে ওদের অর্থনৈতিক উন্নতির দিকেও দৃষ্টি সম্প্রসারণ করে তাদের সদিচ্ছার পরিচয় দেন। আমাদের দেশ স্বাধীন হওয়ার পর থেকেই জনসাধারনের অর্থনৈতিক অবস্থার উন্নতির জন্য অনেক আইন এই সদনে পাশ হয়েছে।

দেশ স্বাধীন হওয়ার দুই বৎসর পরে ও ভাগা আধিয়ার আইন পাশ হয়েছিল। কিন্তু আজকেও এই আধিয়ার আইনের ফলে কৃষকদের কোন সুবিধা হয় নি। এই আইন এখন সরকারের ঠাণ্ডা ঘরে রয়েছে। এই আইন কার্যকরী না হওয়ার ফলে জমিদার শ্রেণী আমাদের গরীব কৃষক-দের জমি থেকে উচ্ছেদ করে চলেছে।

মাননীয় অধ্যক্ষ মহোদয়, লেন্ড রিফরম সংক্রান্ত অন্যান্য আইন যেমন সিলিং একট টিনেনসি একট পাস হওয়ার পরও তার একটিও কৃষকদের স্বার্থে কার্য্যকরী করা হয়নি। এই সরকারকে এই আইন কার্য্যকরী করার জন্য অগ্রাধিকার দেওয়া উচিত। এই সরকার এই লোকদের উন্নতির ক্ষেত্রে এই আইন প্রয়োগ করে কতখানি সাফল্য লাভ করতে পারেন সেটাই হল আসল কথা।

মাননীয় অধ্যক্ষ মহোদয়, আমি আর একটি কথা বলতে চাই যে পার্ব্বত্য জনজাতির যে সমস্ত লোকরা সমতল অঞ্চলে বাস করছেন তাদেরে জনজাতি হিসাবে এই রাজ্যে গণ্য করা হয় না। আমরা এই উপজাতির ব্যাপারে মন্ত্রী মহোদয়ের কাছে বার বার অনুরোধ করছি এবং আমাদের এই রাজ্যের পার্ব্বতীয় জনজাতিদের যারা সমতল অঞ্চলে যুগ যুগ ধরে বসতি করে আসছে যেমন গারো, মিকির ইত্যাদি। কিন্তু তারা এই বিলের আওতায় আসে নাই। এই সমস্ত উপজাতিদের নাম কেন্দ্রীয় সরকারের তালিকাভুক্ত হয় নাই। এই সমস্ত বঞ্চিত উপজাতীয়রা ট্রাইবেল উন্নয়নে যে টাকা পয়সা খরচ হয়, তারা আজ পর্য্যন্ত তার একটা পয়সাও এদের ভাগে জুটে নাই। এই ব্যাপারে মন্ত্রী মহোদয়ের সঙ্গে আমাদের অনেক আলোচনা হয়েছে। এই উপজাতির উন্নয়নের ব্যাপারে ডেপুটেশন দিয়েও কোন কিছু করতে পারা যায়নি। আজ এই কথা বলতে হচ্ছে যে, এই বিলে এই দিক দিয়ে গাফিলতি রয়ে গেছে।

সমতল অঞ্চলের এই বিরাট সংখ্যক পাহাড়ী জনজাতীয় লোকদেরে অবিলম্বে তালিকা ভুক্ত করার ব্যবস্থা সরকার থেকে করা প্রয়োজন এবং এই বিলের সুযোগ যাতে এরাও পেতে পারে তার ব্যবস্থা গ্রহন করা এখনই প্রয়োজন নতুবা এদের ভাগ্যে কি আছে কেউ বলতে পারবে না। আমি এই বলে, এই বিলকে সমর্থন জানিয়ে আমরা বক্তব্য শেষ করলাম।

শ্ৰীখগেন বৰবৰুৱা :— অধ্যক্ষ মহোদয়, মোৰ এটা কথালৈ মনত পৰিছে None to think for the downtrodden. এনেকুৱা হৃদয়হীন লোকো আছে নে যে যি দৰিদ্ৰ লোকসকলৰ কল্যাণৰ কাৰণে চিন্তা নকৰে। বিশেষকৈ কমিউনিষ্ট শিবিৰত তেনে লোক নাই। Marxist শিবিৰত তেনে লোক নাই। কিন্তু তেনে লোক আছে ধনতান্ত্ৰিক শিবিৰতহে। মই এটা কথা কব বিচাৰিছো যে দৰিদ্ৰ মানুহৰ কল্যাণৰ কাৰণে কাম কৰাৰ প্ৰয়োজন সদায়ে আছে। আমাৰ এই জনজাতীয়, অনুসূচীত লোকসকৰ কল্যাণৰ অৰ্থে আজি যি বিল আনিছে, আজি সদনত গৃহীত হৈছে। আমি তাত সন্তোষ প্ৰকাশ কৰিছো। আজি বহুত দিন শাসন হৈ গ'ল স্বাধীনতা পোৱাৰ পিচতো। কিন্তু আজি ইমান দিনৰ মূৰত এই বিল আহিবলগীয়া হৈছে ইয়াৰ দোষ নিশ্চয় কৰবাত আছে। আজি ইমান দিনৰ মূৰত এই বিল আহিবলগীয়া হোৱাটো হিষ্টৰিকেল ডেভ্‌লপ্‌মেণ্ট। এই লোকসকলৰ কেনেকৈ দশা এনে হ'ল সেইবিলাক কব নোখোজো। ক'ত বোৰ্ড হ'ল ট্ৰাইবেল মানুহৰ কাৰণে, চিডিউল্ড কাষ্টৰ কাৰণে। ট্ৰাইবেল বা চিডিউল্ড কাষ্ট মানুহে নিজে নিজৰ কল্যাণৰ কাৰণে চিন্তা নকৰে। ক'ত টকা পানীত পৰিল। কম টকা দিয়া হোৱা নাই। লক্ষীমপুৰত লাখ লাখ টকা পানীত পৰিল। কিন্তু জনসাধাৰণৰ কল্যাণৰ কাম একো নহল। ট্ৰাইবেলৰ নামত, চিডিউল্ড কাষ্টৰ নামত কম টকা পোৱা নাই। সমষ্ট টকা পানী হ'ল। অবশ্যে আমি সবার কাছে ব্যর্থ হয়ে তোমার কাছে

এসেছি।

আজি এই বিল আনিবলগীয়া হ'ল। এইখন বিল যদিও জনজাতীয়, অনুসূচীত জাতিৰ কল্যাণৰ কাৰণে আহিছে, অৱশ্যে ইয়াৰ দ্বাৰা দুই চাৰি জনৰ কল্যাণ হব। কিন্তু সকলোৰে কল্যাণ হব নোৱাৰে। যিসকলৰ লৰা-ছোৱালীক পঢ়াবৰ শক্তি আছে সেই সকলৰ লৰা-ছোৱালীয়ে চাকৰি পাব। শতকৰা ১৫ ভাগো তেখেত সকলৰ শিক্ষিত মানুহ নাই। এই শতকৰা ১৫ ভাগ মানুহৰ চাকৰি নিশ্চয় হব কিন্তু বাকী শতকৰা ৮৫ ভাগ মানুহ কলৈ যাব? এই শতকৰা ৮৫ ভাগ মানুহৰ কথা এই বিলৰ দ্বাৰা চিন্তা কৰা হোৱা নাই। ক'ত পঞ্চবাৰ্ষিক পৰিকল্পনা কৰি চিডিউল্ডকাষ্ট, চিডিউল্ড ট্ৰাইবচৰ লগে লগে যিবিলাক চাহ বাগিছাৰ পিচপৰা মানুহ, সেইসকলৰ কাৰণে পৰিকল্পনা কৰা হোৱা নাই। গতিকে ইয়াৰ দ্বাৰা শিক্ষিত এচামহে উপকৃত হব। দৰিদ্ৰ শ্ৰেণী পিচপৰি থাকিব। গতিকে সমস্ত লোকৰ কল্যাণৰ কাৰণে বিশেষ পৰিকল্পনাৰ দৰকাৰ। তাৰ কাৰণে প্ৰথমেই দৰকাৰ হব শিক্ষা। শিক্ষাৰ মাধ্যমেৰে যদি আগবঢ়াই নিয়া নাযায়, তেনেহলে এই শ্ৰেণী সেই দৰেই পৰি থাকিব। আৰু চাকৰি কৰা এই শ্ৰেণীয়ে বেলেগ ৰূপ পাব। ওপৰৰ পৰা ওপৰলৈ গৈয়ে থাকিব কিন্তু তলত পৰা খিনি তললৈ গৈ থাকিব। ওপৰৰ খিনিয়ে তলৰ খিনিৰ কথা নাভাবে। নাইটিঙ্গেল চৰায়ে আকাশত গান গাই থাকিলেও নিজৰ বাহটোৰ কথা নাপাহৰে। কিন্তু মানুহে আগুৱাই যোৱাৰ পিচত পিচপৰি থকা মানুহখিনিৰ কাৰণে চিন্তা নকৰে। মই সেই কাৰণেই কৈছো যে ইয়াৰ কাৰণে বিশেষ পৰিকল্পনাৰ দৰকাৰ। শিক্ষা এনেধৰণে ষ্টাৰ্ট কৰিব লাগে যাৰ কিতাপ নাই তাক কিতাপ দিব লাগে, যাৰ স্কুললৈ পিন্ধি যাবলৈ কাপোৰ নাই তাক কাপোৰ ফ্ৰি কৰি দিব লাগে। খাবলৈ নোহোৱাৰ খোৱাৰ ব্যৱস্থা হ'ব লাগে।

এই ক্ষেত্ৰত মই কব খোজো যে ইয়াৰ এটা বাস্তৱ পৰিকল্পনা হোৱা দৰকাৰ। শিক্ষাৰ এনেদৰে বিস্তাৰ কৰিব লাগিব যে এই মানুহ বিলাকৰ আজি কিতাপ কিনিবলৈ পইচা নাই, খাবলৈ পইচা নাই, পিন্ধিবলৈ কাপোৰ নাই তেনে অৱস্থাত তেওঁলোকৰ লৰা-ছোৱালীয়ে স্কুললৈ যোৱা কথা কেনেকৈ চিন্তা কৰিব। গতিকে এই সকলো বিলাক অভাৱ পূৰণ কৰিব পৰাকৈ তেওঁলোক যিমান দূৰ আগবাই যায় সিমান দূৰ দিয়া প্ৰয়োজন বোধ কৰি পৰিকল্পনা কৰিব লাগে। এই মানুহ বিলাকৰ জালো মানুহে কাঢ়ি লৈ যায়। এনেকুৱা দুখীয়া তেখেত সকল ইমানেই দুৰৱস্থা তেওঁলোকৰ। গতিকে পৰিকল্পনা কৰি কোন মাটিহীন আছে, সেইবিলাক চাই চিতি তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰি তেওঁলোক যাতে তিষ্ঠি থাকিব পাৰে আৰু নিজৰ লৰা-ছোৱালীক পঢ়া-শুনা কৰাৰ কাৰণে ব্যৱস্থা কৰি দিব পাৰে। আমি যি দেখিছো হাতত কুঠাৰ আৰু দাৰে এই মানুহ বিলাকে গাৰে গাৰে হাজিৰা বিচাৰি হাবা-থুৰি খাই পৰিছে। গতিকে তেখেত সকলৰ আৰ্থিক অৱস্থাৰ উন্নয়ন কৰি মাটি বাৰী দি ব্যৱস্থা কৰিব লাগে। সেইদৰে খোৱা বোৱা, কাপোৰ কানি ব্যৱস্থা কৰি দিব লাগে। আৰু এই মানুহ বিলাকে চিকিৎসাৰ অভাৱত অলপ বয়সতে মৃত্যু মুখত পৰিব লগীয়া হৈছে। বহুতো নাৰী কম বয়সতে মৃত্যু মুখত পৰিব লগীয়া হৈছে। তাৰ সীমা কোনেও গননা কৰা নাই। মন্ত্ৰী ডাঙৰীয়াই যিখন বিল আনিছে তাৰে কেইজনমান অৱস্থাহীন মানুহৰ লৰা-ছোৱালীয়েহে পঢ়িব পাৰিব। কেৱল চাকৰি দি কোনো সমাজ বা এটা জাতিৰ কল্যাণ হব নোৱাৰে। গতিকে তল ফালৰ পৰা শিক্ষাৰ যোগেদি তেখেত সকলক অৰ্থনৈতিক ভাৱে আগুৱাই নিবলৈ চেষ্টা কৰিব লাগিব। গতিকে মই আশা কৰিছো যাতে এই কথা মনত ৰাখিব, আৰু বিলখন গৃহীত হলেই নহব। ইয়াক প্ৰয়োগ কৰাৰ কাৰণে ব্যৱস্থা কৰিবলৈ আহ্বান জনাই মোৰ বক্তব্য সাম-

ৰণি মাৰিলো।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— এই বিল গ্ৰহণ হোৱাৰ পূৰ্ব্ব মূহুৰ্ত্তত আমাৰ সন্মানিত সদস্য মিশ্ৰ ডাঙৰীয়া আৰু বৰবৰা ডাঙৰীয়াই চৰকাৰৰ কৰ্ত্তব্য সমন্ধে যিখিনি কথা কৈছে সেইখিনিত মই সম্পূৰ্ণ এক-মত আৰু মই এই বিষয়ে দুআষাৰ কথা কব বিচাৰিছো। শদীয়াৰ পৰা ধুবুৰীলৈ গলে কোনোবা এখন গাৱত যদি থিয় হওঁ, ভগা-ছিগা গাওঁবোৰ, ঘৰ-দুৱাৰ দেখা বা নঙঠা লৰা-ছোৱালী দেখো তাৰ পৰাই ধৰিব পাৰি সেইখন হৈছে কৈৱৰ্ত্ত গাওঁ। অনুসূচীত গাওঁ। এই অৱস্থা আজি ৩০ বছৰ ধৰি আছে। এই অৱস্থা পৰিবৰ্ত্তন চাকৰি সংৰক্ষণৰ বিলৰ দ্বাৰা কেতিয়াও হব নোৱাৰে। যেতিয়ালৈকে অৰ্থনৈতিক ভাৱে তেওঁলোকক আগবঢ়াই অনা নহয়। যেতিয়ালৈকে টাইম বাউন্দ আঁচনি লোৱা নহয় তেতিয়ালৈকে এই অৱস্থা বৰ্ত্তি থাকিব। যিসকলে যোৱা ৩০ বছৰে সুযোগ লাভ কৰিছে সেই সকলেই আৰু সুযোগ লাভ কৰিব। আৰু যিসকল ইমান দিনে বঞ্চিত হৈ আছে তেওঁলোক যে উপকৃত হব সেইটো আমি আশা কৰিব নোৱাৰো। আজি কিছুদিনৰ আগতে মই পশ্চিম গুৱাহাটী সমষ্টিৰ এখন হীৰা সম্প্ৰদায়ৰ গাৱলৈ গৈছিলো। কিন্তু যোৱা ৩০ বছৰে সেই গাৱৰ পৰা মাত্ৰ এজনহে মেট্ৰিকুলেট ওলাইছে। সেই গাৱত হাতেৰে তৈয়াৰ কৰা মাটি শিল্প এটা আছে। কিন্তু সেইটো আজি মৃত্যুৰ মুখত। তালৈ কোনেও দৃষ্টি দিয়া নাই। তেওঁলোকে তাত এখন এম, ই, স্কুলো প্ৰতিস্থা কৰিব পৰা নাই। মাটি বাৰী যোগাৰ কৰি লব পৰা নাই। ঘৰ-দুৱাৰ সাজিব পৰা নাই। গতিকে তেওঁলোকৰ আৰ্থিক অৱস্থা কোনোমতে বৃদ্ধি কৰিব পৰা মাই। মই আন এটা কথা দৃষ্টি আকৰ্ষণ কৰিব

* Speech not corrected

বিচাৰিছো, আমি যিবিলাক সাধাৰণ সমষ্টিৰ পৰা নিৰ্ব্বাচিত হৈ আছো তাত থকা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি লোকৰ অৱস্থা তাতোতকৈ শোচনীয়। তেওঁলোকৰ কোনেও চকু দিওঁতা নাই। কিয়নো অনুসূচীত জাতি জনজাতি যিবিলাক বড´ বা কমিটি আছে তেওঁ-লোকে সেই সমষ্টিৰ কাৰণে বেচিকৈ চিন্তা কৰে, চৰকাৰী অনুদান আগবঢ়াই। কিন্তু সাধাৰণ সমষ্টিত থকা অনুসূচীত জাতি আৰু অনু-সূচীত জনজাতিয়ে সেইখিনিও নাপায়। মিশ্ৰ ডাঙৰীয়াই কোৱাৰ দৰে কিছুমান সমষ্টি আছে তাত কাৰবি আংলংৰ কিছুমান লোক আছে তেওঁ-লোক অনুসূচীত জাতি বা অনুসূচীত জনজাতিও নহয়। তেওঁলোকলৈ এচ, টি, এচ, চি বড´ৰ পৰা কোনো সাহাৰ্য্য নাপায়। এনেকুৱা দেখিছো যে বাগৰি সমষ্টি এই মানুহ বিলাকে ৪-৫ মাইল ৰাস্তা ইমান ৰ'দৰ খৰত কাক বাহৰ খোপত শিলৰ ফাকৰ পৰা পানী আনিবলৈ যাব লগা হয়। মোৰ ওচৰৰে ঢেকীয়াল কটীয়ালি সেনচোৱা এচ, চি গাৱত আজি পৰ্য্যন্ত কোনো পানী যোগান ধৰা হোৱা নাই। অথচ সেই ৰাজ আলিৰে বাওঁ কাষত আন যিসকল উচ্চ শ্ৰেণী মানুহ আছে তেওঁ-লোকৰ ঘৰৰ সন্মুখতে ওৱাটাৰ টেপ আৰু পিচৰ ফালে কুৱা আছে। আৰু ৰাস্তাৰ কাষত ওৱাটাৰ টেপৰ পৰা এনেয়ে পানী পৰি নষ্ট হৈ আছে। এইদৰে এই মানুহ সকলক পানীৰ পৰাও বঞ্চিত কৰা হৈছে। অথচ মোৰ সমষ্টিতে জখলাবন্ধাত পানী যোগানৰ ব্যৱস্থা লৈছে। আৰু তাত টেপ অনবৰতে সদাই থাকে। সেই কাৰণে মই কব বিচাৰিছো এই বিলখন গ্ৰহণ কৰিলে কৰ্ত্তব্য সমাধা কৰিছো বুলি ভাবিলে নহব। নহলে মুকুট শৰ্ম্মা ডাঙৰীয়াৰ চৰকাৰৰ নিচিনায়েই হৈ থাকিব। গতিকে মই আশা ৰাখিছো এই যিখন বিল গৃহীত হল, তাৰ লেটাৰ এন্দ স্পিৰিট দুয়োটাই সমানে প্ৰমান কৰি দেখুৱাই আগবাঢ়ি যাব লাগিব যে আগৰ চৰকাৰৰ নিচিনাকৈ লিপ চিমফেথী নাথাকি অন্তৰৰ পৰা যে তেওঁ-

লোকৰ প্ৰতি সহানুভূতি আছে সেইটো কাৰ্য্যত প্ৰতিফলিত কৰি দেখুৱাব লাগে। এই বিলখন কিছুমান ন্যষ্ট স্বাৰ্থ মানুহে উচ্চ বংশৰ বামুন, গোহাঁই, কলিতা অধিকাৰ ধ্বংশ কৰিব, ভাত মাৰিব ইত্যাদি অপপ্ৰচাৰ কৰিছে। কিন্তু এই প্ৰচাৰত আমি ভুল নেযাওঁ। মই আশ্বাস দিব পাৰো যে উচ্চ বংশৰ লোক সকলৰ এই অনুসূচীত জাতি আৰু জনজাতি সম্প্ৰদায়ৰ প্ৰতি কোনো বিদ্বেষ নাই। দুই এজনৰ বিদ্বেষ থাকিব পাৰে। আনকি এই সম্প্ৰদায়ৰ দুই এজন লোক আছে তেওঁলোকে এই সম্প্ৰদায়ৰ নামত অন্যান্য সম্প্ৰদায়ৰ লগ লাগি সমবায় কৰি টকা পইচা লৈ বহু ধৰণৰ সুবিধা লৈ আছে। আৰু চৰকাৰী ধন প্ৰয়োগ কৰিছে আৰু সেই সকল মানুহক ঠগায় আছে। পদ্মবন্ধা দুৱাৰ বান্ধি লয়। এইবিলাকলৈও আমি চকু ৰাখিব লাগে। এই পিচপৰা মানুহখিনি আগবঢ়াই নিয়াৰ কাৰণে ঠিকমতে তেওঁলোক সুবিধা দি তেওঁলোকক আগবঢ়াই নিবলৈ আহ্বান জনালো। আৰু এই বিলখন পাচ কৰি আজি বিধান সভাত যি এটা ঐতিহাসিক কৰ্ত্তব্য পালন কৰিলে, তাৰ কাৰণে সকলো সদস্যকে ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীগোলোক ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, যদিও আমি আমাৰ সমাজৰ যিসকল পিচপৰা মানুহৰ কাৰণে এই বিলখন গ্ৰহণ কৰি বাস্তবিকতে এখোজ আগবাঢ়িলো তথাপি মই এইটো নকও যে আমাৰ যিখিনি সমস্যা আছে সেই সমস্যাখিনি এই বিলৰ দ্বাৰা সমাধান কৰাৰ কাৰণে এটা চুৰান্ত পৰ্য্যায়ত উপনিত হৈছো। অনুসূচীত জাতি আৰু জনজাতি বা অন্যান্য পিচপৰা সম্প্ৰদায়ৰ মানুহৰ কাৰণে অকল চৰকাৰী পৰ্য্যায়তে নহয় বেচৰকাৰী পৰ্য্যায়তো তেওঁলোকৰ সমস্যা সমাধান কৰাৰ কাৰণে ইয়াৰ আগতেও কেইবাটাও কমিশ্যন পাতি

দিয়া হৈছিল। এই অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলৰ উন্নতিৰ কাৰণে কানেলকাৰ আদি কেইবাটাও কমিশ্যন পাতি দিয়া হৈছিল আৰু তেওঁলোকে এই বিষয়ত বহু কথাই চুপাৰিশ কৰিছিল সেইবিলাক পৰামৰ্শ ৰাজনৈতিক বা অন্যান্য কিছুমান কাৰণত কাৰ্য্যক্ষেত্ৰত ৰূপায়িত কৰিব পৰা হোৱা নাছিল। এই বিষয়টো লৈ আমাৰ ৰাজ্যৰ জনতা চৰকাৰেও বাজেট বক্তৃতাত তেনে এটা কথাই উল্লেখ কৰিছিল আৰু আগৰ কমিশ্যন বিলাকে যিবোৰ চুপাৰিশ আগবঢ়াইছিল সেইখিনি কাৰ্য্যক্ষেত্ৰত পৰিণত কৰিবৰ কাৰণে চেষ্টা কৰিব। বৰ্ত্তমান চৰকাৰে আগৰ এই বিলখনৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছে আৰু তাৰ কাৰণে মই সচাকৈয়ে আনন্দিত হৈছো যে তেখেত সকলে এই বিলখন বৰ উৎসাহেৰে গ্ৰহণ কৰিবলৈ আগবাঢ়িছে। মই আশা ৰাখিছো যাতে তেওঁলোকে ইয়াৰ দ্বাৰা সমাজবাদৰ এক নতুন পদক্ষেপ লব পাৰে তালৈ লক্ষ্য ৰাখে। আমাৰ পিচপৰা মানুহৰ কথা কবলৈ যাওঁতে দুটা কথা লক্ষ্য ৰাখিব লাগিব সেই দুটা হৈছে সমাজ আৰু তাৰ অৰ্থনীতি। আমাৰ মন্ত্ৰী ডাঙৰীয়াই যি সকল মানুহ পিচপৰি আছে সেই সকলৰ সামাজিক আৰু অৰ্থনৈতিক বিষয়ে উল্লেখ কৰিছিল ইমান দিনে তেওঁলোক কিয় পিচপৰি থাকিব? তাৰ কাৰণে কোনোবাই চৰকাৰক দায়ী কৰিব আৰু কোনোবাই ৰাজনৈতিক দলক দায়ী কৰিব। কিন্তু এই পিচপৰা শ্ৰেণীৰ উন্নয়নৰ কাৰণে যিমানেই নীতি লুলিয়াওক তেওঁলোকৰ যি জন্ম বৃত্তান্ত তাৰ দ্বাৰা যে সমাজত এটা বৈষম্যৰ সৃষ্টি হৈছে সেইটো কোনেও নুই কৰিব নোৱাৰে। মই নিজৰ ক্ষেত্ৰতেই তেনে ধৰণৰ বহু উদাহৰণ দাঙি ধৰিব পাৰো। আজি যে চৰকাৰে কেইটামান পদত এই পিচপৰা শ্ৰেণীৰ মানুহক নিয়োগ কৰি আটাইবিলাক সমস্যা সমাধান কৰিব পাৰিব সেইটো একেবাৰে অসম্ভৱ। এইখিনিতে মই কব খুজিছো যে অনুসূচীত জাতি বা জনজাতিৰ কেইজনমান মানুহক উচ্চ খাপৰ চাক-

বিত নিয়োগ কৰাৰ ফলত তেওঁলোকে সমাজত যি বাতাবৰণ পাব লাগে সেইটো পাইছে নে? কেতিয়াও পোৱা নাই। অৱশ্যে এই বিলখনে সেইবোৰ কথা দূৰ কৰাত অলপ সহায় কৰিব যেন অনুমান হয়। এই-খিনিতে তেওঁলোকক তিনিটা অতি প্ৰয়োজনীয় বস্তুৰ দৰকাৰ হৈ পৰে সেই কেইটা হল সমাজৰ অসমতা দূৰ কৰা, এটা হল ৰাজনৈতিক আৰু এটা হল অৰ্থনৈতিক। তেওঁলোকৰ এই দুৰৱস্থা দূৰ কৰিবৰ কাৰণে চৰকাৰ যিয়ে চলাই তেওঁলোকে দায়িত্ব লব লাগিব। কিন্তু এইখিনিতে আমি এটা কথা চিন্তা কৰিব লাগিব যে তেওঁলোকক যদি এফালে কেইটামান চাকৰিত নিয়োগ কৰাৰ কাৰণে চেষ্টা কৰা হৈছে আনফালে তেওঁলোকৰ সামাজিক আৰু অৰ্থনৈতিক দিশকেইটা ভালকৈ চালি-জাৰি চোৱাৰ প্ৰয়োজন হব। তেওঁলোকৰ এইবোৰ সমস্যা যদি চিন্তা কৰা নহয় তেনেহলে আজি বেলুচিস্থান বা পাকিস্থানত যি অৱস্থা হৈছে সেই অৱস্থাৰ সন্মুখীন হৈ কোনোবাই হয়তো ফাঁচী কাঠত উঠিব লগা হব। তেওঁলোকৰ এই আটাইবিলাক কথা অকল বিধান সভাতেই এৰি থৈ গলে সেই সমস্যা শেষ নহব তাক কাৰ্য্যক্ষেত্ৰত ৰূপায়িত কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। অলপতে আমি আৰু কিছুমান কথা দেখিবলৈ পাইছো যে ৩১ মাৰ্চ শেষ হোৱাৰ লগে লগে কিছুমান মানুহে চিডিউল কাষ্ট চিডিউল ট্ৰাইব মানুহৰ নামত মীন মহল কিছুমান লৈ তাৰ পৰা যথেষ্ট ধন ঘটিছে। পিচপৰা শ্ৰেণীৰ মানুহে এইক্ষেত্ৰত তেওঁলোকৰ নিজৰ নাম বিক্ৰি কৰি কিছুমান অসৎ প্ৰবৃত্তিৰ মানুহক ধন ঘটাত সুবিধা কৰি দিছে আৰু তাৰ দ্বাৰা সেই মানুহখিনিক শোষণ কৰি আছে। সেই কাৰণে এই মানুহখিনিয়ে যি আন্দোলনৰ ভূমিকা লৈছে তাৰ প্ৰতি চৰকাৰে সহানুভূতি দেখুওৱা উচিত আৰু এই মানুহখিনিয়ে যাতে তেওঁ-লোকৰ প্ৰাপ্য ঠিকমতে আদায় কৰিব পাৰে তাৰ বাবে সংগঠনৰ দৰ-কাৰ হৈ পৰিব। মই আৰু বেচি কথা কবলৈ নাযাওঁ এইখিনিতে মই

আমাৰ আম্বেদকাৰ চাহাবে কোৱা কথা এষাৰ নকৈ নোৱাৰিলো। তেখেতে যেতিয়া সংবিধান ৰচনা কৰিছিল তেতিয়া সতৰ্কবাণী শুনাই আমাক কৈছিল যে আমি যি সংবিধান ৰচনা কৰিছো তাৰ দ্বাৰা ভাৰতীয় জন-সাধাৰণক সকলো প্ৰকাৰৰ সুবিধা দিয়া হব। কিন্তু যদি আমি তলত পৰি থকা মানুহখিনিক যি সুবিধা দিয়া হৈছে সেইখিনি যদি প্ৰকৃত পক্ষে বাস্তৱ ক্ষেত্ৰত কাৰ্য্যকৰী কৰাত ব্যৰ্থ হও তেনেহলে এটা ভয়ানক অৱস্থাৰ সৃষ্টি হব। কিন্তু এতিয়াও আমাৰ সমাজত সামাজিক পৰিবৰ্ত্তন হোৱা পৰিলক্ষিত হোৱা নাই। ইয়াৰ কাৰণে আমাৰ যি আইন আছে তাৰ দ্বাৰা ভাৰতবৰ্ষৰ জাতীয় জীৱনত প্ৰতিক্ৰিয়া কৰিছে কিন্তু আচল ৰূপটো এতিয়াও দিবলৈ বাকী আছে। এইখিনিতে মই আন এটা কথা কবলৈ বিচাৰিছো যে আমাৰ যিসকল পিচপৰা মানুহ আছে তেওঁলোকৰ উন্নতিৰ কাৰণে আমাৰ নিজৰ চৰকাৰেই চিণ্তা কৰিব লাগিব। কিয়নো নিজে যদি নিজৰ কথা চিন্তা নকৰে তেনেহলে চিন্তা কৰিব কোনে? উদাহৰণ স্বৰূপে আমি এটা কথা কব পাৰো যে নিজৰ লৰা-ছোৱালী আৰু আনৰ লৰা-ছোৱালীৰ লগত তুলনা কৰিলেই আমি এই কথাষাৰ ভালকৈ উপলব্ধি কৰিব পাৰিম। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যাতে এই পিচপৰা লোকসকলক সামাজিক, অৰ্থনৈতিক আদি সকলো ফালৰ পৰাই আগবঢ়াই আনি তেওঁলোকক আন আন সম্প্ৰদায়ৰ মানুহৰ লগত একেটা মনোভাবেৰে চলিবলৈ সুবিধা দিয়ে। তেওঁলোকৰ এই আটাইবিলাক সমস্যা সমাধানৰ কাৰণে সময়ত হয়তো আৰু বেলেগ বিলৰ উৎথাপন কৰিবলগীয়া হব। তাৰ কাৰণে মই চৰ-কাৰক ভালকৈ চিন্তা কৰিবলৈ অনুৰোধ জনালো আৰু এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো।

* মঃ নজমুল হক :— মাননীয় অধ্যক্ষ মহোদয়, অনুসূচীত জাতি

* Speech not corrected

আৰু অনুসূচীত জনজাতি চাকৰি সংৰক্ষণৰ ওপৰত বিভিন্ন ভাবে আলোচনা হৈছে। মইও এইখনৰ ওপৰত সংক্ষিপ্ত বক্তব্য দিব বিচাৰিছো। এই বিলখনৰ ওপৰত আমাৰ মাননীয় সদস্য সকলে বিভিন্ন ধৰণে মতামত আগবঢ়াইছে। কিছুমানে সমৰ্থন কৰিছে। কিন্তু মই কব খুজিছো কথা আৰু কাম একে হব লাগে। বহুবোৰ ডাঙৰ ডাঙৰ মেল মিটিঙত বিভিন্ন জনে বিভিন্ন ধৰণে কৈ আহিছে। এই ধৰণে কথা কব পাৰি কিন্তু কাৰ্য্যত পৰিণত কৰিবহে নোৱাৰি। মই এই অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে লক্ষ্য ৰাখি এটা প্ৰস্তাৱ দাঙি ধৰিছো। সেইটো হৈছে সংবিধানত অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলৰ কাৰণে আইন লিপিবদ্ধ কৰা হৈছিল। কিন্তু কাৰ্য্য ক্ষেত্ৰত কিছু পাৰ্থক্য ৰাখিছে। সেই কাৰণেই কথা আৰু কামৰ মাজত আমি পাৰ্থক্য আছে বুলি কৈছো। অধ্যক্ষ মহোদয়, সংবিধানত লিপিবদ্ধ কৰা মতে অনুসূচীত জাতি বা জনজাতিৰ কাৰণে প্ৰয়োজনীয় সুবিধা ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা কৰিব লাগে। আজি ৩২ বছৰ শেষ হৈ গ'ল। ইমান দিনৰ পাচতো ইয়াৰ ব্যৱধান থাকি গ'ল। ইয়াৰ কাৰণে দায়ী কোন। বিদেশী সকলে শোষণ কৰা কাৰণেই নেকি? সংবিধান মতে ভাৰতীয় নাগৰিকে আমাৰ দেশত অবাধে ঘূৰি ফুৰাৰ অধিকাৰ আছে। কিন্তু কাৰ্য্য ক্ষেত্ৰত সেইটো আমি দেখা নাই। সেই দৰে সংবিধানত আছে ১৪ বছৰৰ তলৰ লৰা ছোৱালীক কল কাৰখানাত কাম কৰিবলৈ দিয়া নহয়। কিন্তু আমি আজি দেখিছো ভাৰতবৰ্ষৰ প্ৰায় বিলাক ধনী মানুহৰ ঘৰতে সৰু সৰু কন কন লৰা ছোৱালীয়ে কেৱল ভাত মুঠিৰ কাৰণে কাম কৰি আছে। সংবিধানৰ এইটো ধাৰা নিয়ম অনুসৰি ৰক্ষা কৰিব পাৰিছে নে? মালিক সকলে কয় যে কমেও ৫ বছৰ কাম কৰাৰ পাচতহে দৰমহা দিব পৰা হব। অধ্যক্ষ মহোদয়, আজি যিখন বিলৰ ওপৰত আলোচনাৰ শেষ পৰ্য্যায়লৈ আহিছে তাত কিছুমানে কৈছে এইখন যুগান্তকাৰী বিল। এইখনে নতুন ইতিহাসৰ সৃষ্টি কৰিছে। কিন্তু কিছুমানে অৱশ্যে ইয়াৰ অন্য

দিছোঁ ইঙ্গিত কৰিছে। মই কব খুজিছো অকল অনুসূচীত জাতিক বা জনজাতিক এৰি দিলেই যে এই বিলখনৰ দোষ ক্ৰটি নাইকীয়া হব সেইটো নহয়, বাকী সম্প্ৰদায়বো, যি সকল দৰিদ্ৰ সীমা ৰেখাৰ তলত আছে, সেই সকলো বিশাল সমুদ্ৰত হাহাকাৰ কৰিব লাগিব। এই বিলখনত কোৱা হৈছে যে মানুহৰ দুখ দন্য নাথাকিব। কিন্তু সাধাৰণ মানুহে এখন কুঁহিপাঠো কিনি দিব নোৱাৰিব। গতিকে মই কওঁ যে কেবল চাকৰি ক্ষেত্ৰতে নহয়, সামান্য এটা ঘৰ নোহোৱাৰ কাৰণে, সামান্য এটুকুৰা মাটি নোহোৱাৰ কাৰণে ভাৰতবৰ্ষৰ চাৰিওফালে অনাই বনাই ঘুৰি ফুৰিব লাগিব। গতিকে মই কওঁ এই বিলখন অৰ্থহীন। এই বিলখনে কেতিয়াও নতুন ইতিহাস সৃষ্টি কৰিব নোৱাৰে। এই বিলখনে কেবল ধনী মানুহকে উপকাৰ কৰিব। শতকৰা ৯৯ জন জনসাধাৰণ দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা লোক সকলৰ কেতিয়াও উপকাৰ সাধন কৰিব নোৱাৰিব।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা আপোনাৰ জৰিয়তে কব বিচাৰিছো যে আগতে এই বিষয়ত এই বিধান সভাত বহুতো তৰ্ক বিতৰ্ক হৈছে। কোৱা হৈছে যে এই ৩২ বছৰে কংগ্ৰেছৰ শাসনত আমাৰ এই লোক সকলক হঠাতে শতকৰা ৭৫ ভাগ দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰিবলৈ দিলে। আজি শতকৰা ২৮ জনহে দৰিদ্ৰ সীমাৰেখাৰ তলত আছে শতকৰা ৭৫ ভাগ নহয় নেকি? মই কৈছো শতকৰা ৭৫ ভাগেই দৰিদ্ৰ সীমাৰেখাৰ তলত আছে।

(ভইচেচ: শতকৰা ২৮ ভাগ ক'ত পালে? আপুনি ক'ত পালে?)

এইটে মই অনুসূচীত জাতি আৰু জনজাতিৰ যিটো সংখ্যা আছে তাৰ ওপৰত ভিত্তি কৰি কৈছো।

(ভইচেচ: তেতিয়াহলে সেইমতে এইটো শতকৰা ১৭ ভাগহে হয়)।

যি হওক আজি শতকৰা ৭৫ ভাগ মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰি আছে।

অধ্যক্ষ মহোদয়, এই বিলখনে আজি কোনো উল্লেখযোগ্য ইতিহাস সৃষ্টি কৰিব পৰা নাই। ইতিহাস নোহোৱা কৰাৰ হে সম্ভাৱনা আছে। এই বিলখনৰ দ্বাৰা মুষ্টিমেয় কেইজনমান লোকহে লাভবান হোৱাৰ সম্ভাৱনা আছে। এই বিলখনত গোটেই অনুসূচীত জাতি আৰু জনজাতিৰ কথাহে উল্লেখ কৰিছে তাৰ দ্বাৰা অসমৰ গোটেই অঞ্চলৰ মানুহখিনিৰ মাজত এটা বৈষম্যৰহে সৃষ্টি কৰিলে যিটোৰ ফলত আজি এই অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলক বাকীখিনি মানুহৰ পৰা পাৰ্থক্য কৰি আনিলে। গতিকে সামূহিক ভাৱে এই বিলখনৰ দ্বাৰা যদি তেওঁলোকৰ দৰিদ্ৰতা দূৰ কৰিবলৈ বিচাৰিছে তেতিয়াহলে বিভিন্ন সম্প্ৰদায় জাতি ধৰ্ম্ম ভাষা নিৰ্ব্বিশেষে পুজিপতিৰ বিৰুদ্ধে চৰম শোষণৰ বিৰুদ্ধে এটা বৈপ্লৱিক শক্তিৰ প্ৰয়োজন হৈ পৰিছে। কাৰণ এই বিলখনৰ দ্বাৰা আজি চৰকাৰে এটা দুৰ্ব্বল শ্ৰেণীৰ মাজত ডিভিজন কৰাৰহে চেষ্টা কৰিছে।

অধ্যক্ষ মহোদয়, বিধান সভাত আমাৰ পক্ষৰ পৰা স্পষ্ট কৰি কৈছো যে জাতি ধৰ্ম্ম ভাষা গোষ্ঠী নিৰ্ব্বিশেষে এই বিলখন পাছ কৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ আমি তীব্ৰ বিৰোধীতা কৰিছো ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

* শ্ৰীগোলক কাকতি :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা শীতকালীন অধিবেশনত এই বিলখন উত্থাপিত হওঁতে ইয়াৰ সমৰ্থনত মই দুই এষাৰ কথা কৈছিলো আৰু সকলোৰে উপলব্ধিৰ কাৰণে মই এইটো কথাও কৈছিলো যে এই বিলখনৰ জৰিয়তে জাতিৰ জনক মহাত্মা গান্ধীৰ

* Speech not corrected

আশা আকাংশা পূৰ্ণ নহব। কাৰণ তেখেতৰ উদ্দেশ্য আছিল আমাৰ দেশৰ অৰ্থনৈতিক ভাবে পিচপৰি থকা সমগ্ৰ ভাৰতীয় জাতিটোক উদ্বুদ্ধ কৰিবৰ কাৰণে তেওঁলোকৰ মানসিক, সামাজিক সাংস্কৃতিক দিশত উন্নতিৰ কাৰণে এটা বৈপ্লৱিক পন্থাৰে সৈতে সকলোকে সম অধিকাৰ দি এখন সৰ্ব্বাঙ্গ সুন্দৰ বিল উত্থাপন কৰা হওক। কিন্তু এইটো যি সামাজিক পৰিস্থিতি সেই পৰিস্থিতিত এনে এখন বিল অনাৰ প্ৰয়োজনীয়তা আছে। এই বিলখনৰ ওপৰত এই সদনত যিখিনি আলোচনা বিলোচনা হৈছে সেই আলোচনা বিলোচনাৰ পৰা এই কথা সৰ্ব্বসন্মত সিদ্ধান্ত হৈছে বুলি কব পাৰি যে এই বিলখনে আমাৰ পিচপৰি থকা অনুসূচীত জাতি আৰু জনজাতিৰ জনসাধাৰণক সামূহিক উন্নতিৰ একমাত্ৰ পথ নহয় সাময়িক ভাবে তেখেত সকলৰ ওপৰত থকা অবিচাৰ দূৰ কৰাত এটা মানসিক সহায়ভাহে হৈছে। তথাপিও আজিৰ এই জনসাধাৰণৰ দ্বাৰা নিৰ্ব্বাচনত জয়ী হৈ অহা আমি যিসকল বাছকবনীয়া লোক আছো এই লোক সকলৰ মাজত নিশ্চয় এইখন বিল গৃহীত হব লাগিব। মই লগতে এই কথাও কওঁ যে এই বিলখন যদি আমাৰ জন সম জলৈ নিয়া হ'ল- হেতেন ইয়াত অধিক সংখ্যক ৰাইজে তেওঁলোকৰ উপকাৰ নহব বুলি ভাবি গ্ৰহণ নকৰিলেহেতেন। কাৰণ মহাত্মা গান্ধীয়ে এইটো কথা কৈছিল যে ভাৰতবৰ্ষৰ মূল সমস্যা হল ভাত কাপোৰ শিক্ষা চিকিৎসা এই চাৰিটা মূল সমস্যাৰ কোনো এটা সমস্যাকেই অকলে সমাধান কৰা নাযায়। কোনোবা এটা সমস্যাক অকলে আতৰাই ৰাখি বাকী তিনিটা সমস্যা হাতত ললেও ই সমাধান নহয়। সংবিধান ৰচনা হওঁতেই তেতিয়াৰ দেশৰ মনিষী সকলে জনসাধাৰণৰ মনোভাৱৰ কথা লক্ষ্য ৰাখি অনু- সুচীত জাতি আৰু জনজাতিৰ জনসাধাৰণৰ ৰক্ষাৰ কবচ বান্ধি দিছে। এইটো ৰক্ষা-কবচ বান্ধি থৈ দিয়াৰ পিচত দেখিবলৈ পাইছো যে সেই লোক সকলক বেলেগকৈয়ে নিম্নতম অধিকাৰখিনিও বিভিন্নভাবে সংৰক্ষণ

কৰা হৈছে। এই ভাবি তেওঁলোকৰ বাঞ্ছনীয়খিনি কৰাৰ পিচতো এইবোৰ কেনেভাবে এই লোক সকলৰ ওপৰত প্ৰতাৰণা কৰা হৈছে তাৰ বিচাৰৰ বাবেও বিভিন্ন কমিচন বিভিন্ন কমিটি বিভিন্ন অনুসন্ধান চলিছে। কিন্তু এই অৱহেলিত শ্ৰেণীসকলৰ উদ্ধাৰৰ বাবে যোৱা স্বাধীনতাৰ ৩০টা বছৰেও গোটেই এটা উল্লেখযোগ্য সিদ্ধান্ত গৃহীত হৈছে বুলি কব নোৱাৰি। ইয়াৰ মূল কাৰণ কি? ইয়াৰ মূল কাৰণ হল আমি যেনেকৈ কথাত কওঁ তাক কাৰ্য্যতঃ পৰিণত কৰিবৰ কাৰণে আমাৰ আন্তৰিক নিষ্ঠাৰ অভাৱ পৰিলক্ষিত। আজি এই বিলখন ওলগ জনোৱা হৈছে। কিন্তু সুদীৰ্ঘ ৩০ বছৰে এনেধৰণৰ কাৰ্য্যকলাপৰ কথা শাসক দলত থকা কংগ্ৰেছ চৰকাৰে উপলব্ধি কৰিব পৰা নাই। আজি আমাৰ পুৰণি শাসক দলত থকা এজন বন্ধুৱে কৈছে এই শাসক শ্ৰেণীত থকা লোকসকলে তেতিয়া একে সময়তে তেনে এখন বিলৰ বিৰোধীতা কৰিছিল। জাত-পাত বিচাৰি এই বিলখন আনোতে তেখেত সকলে তীব্ৰ বিৰোধীতা কৰিছিল। মই কিন্তু সেইটোৰ কোনো আৱশ্যক নাই বুলি কব বিচাৰিছো। লগতে মই এই কথাও কওঁ যে পুৰণি শাসক দলত থকা লোক সকলে এনে এখন বিল অনাৰ পৰা বিৰত থকাৰহে প্ৰয়াস কৰিছে এনে কথাৰ প্ৰমাণ হয়। যোৱা ৩০টা বছৰে শাসনৰ গাদীত থকা লোক সকলৰ কোনো সহাৰি আৰু কোনো নিষ্ঠা এই লোক সকলৰ প্ৰতি থকা অন্যায় অবিচাৰ দূৰ কৰিবৰ কাৰণে কোনো সহায়তা বিলখন উত্থাপন কৰাত নেদেখুৱালে আৰু এই বিলখন তেখেত সকলৰ পৰা উত্থাপন কৰিবলৈ সাহস নকৰিলে।

মই এই বিলখন সমৰ্থন কৰি কব বিচাৰিছো যে জাতিৰ পিতা মহাত্মা গান্ধীৰ আশা আকাংখ্যা পূৰ্ব্বৰ দৰে গঢ়ি তুলিব লাগে। যদি তেনে কৰা নহয় তেতিয়াহলে কোনোবাই জাত কুল বিচাৰি গোটেই আইন সংশোধন কৰি আইনখন পাছ কৰিলে দেশৰ অৰ্থনৈতিক অৱস্থা গঢ়ি দিব নোৱাৰে।

অধ্যক্ষ মহোদয়, যেতিয়ালৈকে সামগ্ৰিক ভাবে আমাৰ এটা আদৰ্শ স্বীকাৰ কৰি লোৱা নহয় আৰু সেই আদৰ্শক ৰূপ দিবৰ কাৰণে ৰাজনৈতিক গণ্ডিৰে সামাজিক গণ্ডিৰে বিচাৰো আৰু সংকল্প যদি গ্ৰহণ নকৰো তেনেহলে আমি নিশ্চয় কম যে যোৱা ৩০ বছৰে আমাক যি সুবিধা সংবিধানে দিছে, আইনে দিছে সেই সুযোগ-সুবিধাখিনি পিচপৰা লোকসকলে গ্ৰহণ কৰিবৰ কাৰণে আমি কিমান চেষ্টা কৰিছো? ট্ৰাইবেল সকলৰ নামত মাটি ৰখা হৈছিল কিন্তু এই মাটি ট্ৰাইবেলৰ যিসকল ধনী ধনী লোক সেই লোকসকলে কেনেদৰে আত্মসাৎ কৰিছে সেই সম্পৰ্কে বিগত বিধান সভাত গোবিন্দ কলিতাই ভালদৰে প্ৰকাশ কৰিছিল। আজি চিডিউল কাষ্টৰ নামত যিবিলাক মেল-মিটিং হৈছে তেওঁলোকৰ যিবিলাক লোকক বিষয় বৰীয়া পতা হৈছে সেই লোকসকলে চিডিউল কাষ্টক নানা ভাবে প্ৰতাৰণা কৰিছে, অৰ্থনৈতিক ভাবে শোষণ কৰিছে তাৰ বহুতো প্ৰমান মোৰ হাতত আছে। আজি এজন বন্ধুৱে কৈছে আমাৰ এই লোকসকলক উদ্ধাৰ কৰিবৰ কাৰণে এনে এখন বিত্ত চৰকাৰে চাকৰি দিয়াৰ ওপৰত এম, এল, এ, এম, পি আৰু মন্ত্ৰীক এটা সংৰক্ষণ দিয়াৰ ব্যৱস্থা বহুদিনলৈ কৰিব লাগিব। মই কওঁ এইটো কেৱল ক্ষনিকৰ উত্তেজনা নহয়, আজি সহায় সহানুভূতি পাবৰ কাৰণে মাছ মৰীয়া দৰিদ্ৰ জনসাধাৰণে মীন মন্ত্ৰী মহোদয়ক নানা অভিযোগ দি আহিছে এই কথা সকলোৱে জানে। প্ৰশ্ন হৈছে এই অভিযোগ বিলাক কিয় আহে? আমি যদি আমাৰ ৰাইজৰ উন্নতি কৰিবলৈ চাও তেনেহলে আমি কি নীতি লৈ কৰ্মক্ষেত্ৰত আগবাঢ়িব লাগিব তাৰ কোনো মীমাংশা আজিলৈকে হোৱা নাই। যিজন মনীষীয়ে ভাৰতবৰ্ষ স্বাধীন কৰিলে সেই মনীষীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ যদি আমি আগবাঢ়িব নোৱাৰো তেনেহলে দেশৰ তথা ৰাজ্যৰ উন্নতি হব নোৱাৰে। চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইবৰ ডেকা সকলক আজি চাকৰি দিয়াৰ ব্যৱস্থা হৈছে

কিন্তু চাকৰি দিলেই জানো আমাৰ দেশৰ সকলো সমস্যা সমাধান হব? যি মহুর্ত্তলৈকে আমি, আমাৰ দেশৰ একেবাৰে দৰিদ্ৰ জনসাধাৰণৰ কথা মনলৈ আনিব নোৱাৰো তেতিয়ালৈকে আমাৰ উন্নতি নহয়। মই নিজেও এজন শিক্ষক আছিলো, শিক্ষকতা কৰাৰ কালছোৱাত মই ডিব্ৰুগড়, তেজপুৰ, নগাওঁ আদি বিভিন্ন ঠাইত চাকৰি কৰিছিলো। তেতিয়া মই দেখিছিলো চিডিউল কাষ্ট বা চিডিউল ট্ৰাইবৰ যিবিলাক লৰা-ছোৱালীয়ে সৰু কালতে শ্ৰেণীত প্ৰথম হয় কিন্তু পিচত দেখা যায় তেওঁলোকে কেতিয়াও মেট্ৰিক পাছ কৰিব নোৱাৰে। ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণ হৈছে সমাজৰ এই দৰিদ্ৰ জনসাধাৰণৰ প্ৰতি আমাৰ কোনো অনুকম্পা নাই। সমাজৰ নেতৃস্থানীয় লোক সকলে তেওঁলোকৰ দায়িত্ব পালন কৰিব পৰা নাই। এই পিচপৰা লৰা-ছোৱালীবিলাকৰ প্ৰতি যি সুযোগ-সুবিধা আগ বঢ়াব লাগিছিল সেইখিনি আগবঢ়াব পৰা নাই। তেওঁলোকৰ স্বাৰ্থপৰতাৰ কাৰণেই আজি তেওঁলোক পিচপৰি থাকিব লগা হৈছে। চৰকাৰৰ ফালৰ পৰাও কোনো সহায়- দিয়াৰ ব্যৱস্থা নাই। আমাৰ নতুন জনতা চৰকাৰ আহিছে আৰু তেওঁলোকেও বিশেষ কিবা কৰিছে বুলি অহংকাৰ কৰিব নোৱাৰে। গতিকে যিবিলাক অঞ্চলত চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইবৰ মানুহ আছে সেই অঞ্চল বিলাকত ভাল ধৰণে স্কুল ঘৰ পাতি দিব লাগে, পঢ়া-শুনাৰ ব্যৱস্থা কৰি দিব লাগে, পঢ়াৰ সা-সজুলি যোগান ধৰিব লাগে। তেতিয়াহলে হয়তো কিছু সমস্যা সমাধান হব। তাৰোপৰি যি সকল লোক অতি পিচপৰা দুখীয়া যাৰ পেটত ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, চিকিৎসাৰ সা-সুবিধা নাই সেই বিলাকঅঞ্চলৰ উন্নতি কৰিব নোৱাৰিলে এই বিলখনৰ দ্বাৰা কি উন্নতি হব মই কব নোৱাৰো। আজি জাত-পাতৰ নামত এনে ধৰণে বিল আনি প্ৰশংসা লাভ কৰিলেই নহয়, সমাজৰ এই গৰীব শ্ৰেণীটো যিটোৱে আজি ৩০ টা বছৰে লাঞ্ছিত বঞ্চিত হৈ আহিছে

তেওঁলোকৰ বিভিন্ন বিষয়ত সামাজিক ভাবে, সাংস্কৃতিক ভাবে উন্নত কৰিবলৈ হলে আৱশ্যকীয় সকলো সুবিধা দিব লাগিব। আমাক যি দায়িত্ব সংবিধানে দিছে সেই দায়িত্ব আমি পালন কৰিব লাগিব। আজি দেখা গৈছে যি ঠাইত মুছলিম মানুহ বেছি তাত নিৰ্ব্বাচনৰ সময়ত মুছলিম প্ৰতিনিধি দিলেহে ভোট পায়। গতিকে এইবিলাক মনোভাব দূৰ কৰিব লাগে। আজি দেখা গৈছে চিডিউল কাষ্টৰ ঠাইত যদি এজন চিডিউল ট্ৰাইবৰ মানুহৰ হাতত পৰে তেনেহলে কাম নহয়। মই নিজে কাষ্ট হিন্দু মানুহ হিচাবে কৈছো যে এই চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইবৰ মানুহক উদ্ধাৰ কৰিবলৈ হলে সকলো স্বাৰ্থ বিসৰ্জন দি কাম কৰিব লাগিব। আগৰ মনোভাব পৰিহাৰ কৰিব লাগিব। জনসাধাৰণৰ প্ৰতি অন্তৰৰ সেৱাৰ প্ৰবৃত্তি থাকিব লাগিব তেতিয়াহে আমি মহামানৱ মহাত্মা গান্ধীয়ে কোৱাৰ দৰে শ্ৰেণীহীন, শোষণহীন সমাজ গঢ়িব পাৰিম। আজি এই বিলখন উত্থাপন কৰা হৈছে আৰু আশা কৰিছো পৰবৰ্ত্তী কালছোৱাত তেওঁলোকে সমাজৰ সেৱা কৰিব পৰাকৈ আঁচনি গ্ৰহণ কৰিব আৰু তেতিয়াহে দেশ উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, এই বিল পাচ হোৱাৰ ক্ষেত্ৰত যি বিলত অনুসূচীত জাতি আৰু জনজাতিৰ ভবিষ্যত জড়িত আছে তাৰ কাৰণে জনতা চৰকাৰ শলাগৰ পাত্ৰ বুলি কব পাৰি। উভয় পক্ষৰ সদস্য সকলে এই বিলত সমৰ্থন জনোৱাত তেওঁলোকো শলাগৰ পাত্ৰ। বিশেষকৈ দুখীয়া পিচপৰা শ্ৰেণীৰ কথা কবলৈ গলে চকু পানী ওলায়। আজি আমাৰ দুখীয়া পিচপৰা লৰা ছোৱালী বিলাকৰ পঢ়া-শুনা কৰাৰ বাবে তেওঁলোকৰ ঘৰত কেৰাচিন তেল নাই, বা থাকিলেও কিনিব নোৱাৰে, কেৰাচিন তেলৰ অভাৱত আন্ধাৰত থকা ৰাইজ বহুতো আছে। বহুত ক্ষেত্ৰত লৰা ছোৱালীয়ে কাঠেৰে বাহেৰে জুই জ্বলায়ো লৰা ছোৱালীয়ে পঢ়া গাওঁত দেখা যায়। আজি আমাৰ যিবিলাক ব্ৰহ্ম-

পুত্ৰৰ পাৰৰ চাপৰি বিলাক আছে তাত বহুত দুখীয়া লোক আছে যাৰ খবৰ কোনেও নাপায়। বাৰিষা হলেই তেওঁলোকৰ খবৰ লওতা নাই, তেওঁলোকে সাতুৰিব জানে আৰু নাও চলাব জানে সেইখিনি সাহসতে তেওঁলোক থাকে। এই অঞ্চলৰ লৰা ছোৱালী পঢ়া কাৰণে ১০-১২ কিলোমিটাৰ পৰ্য্যন্ত কোনো প্ৰাথমিক স্কুলো নাই। স্বাধীনতাৰ ৩১ বছৰ পাচতো এই চাপৰি বিলাকত যাবলৈ যাতায়তৰ কোনো সা-সুবিধা নাই, খোৱা পানীৰ সুবিধা নাই, দুই এজন সদস্যই কোৱাৰ দৰে খৰালীৰ নৈৰ পানী শুকাই যোৱাৰ পাচত বালিচৰত বহুত দূৰৰ পৰা পানী আনিবলগীয়া হয়। এই পিচপৰা লোক সকলক আমি আগ-বঢ়াই আনিব নোৱাৰিলে আমি কেতিয়াও এই দেশখনক সৰ্ব্বাঙ্গ সুন্দৰ কৰিব নোৱাৰো। অৱশ্যে এই বিলখনৰ দ্বাৰা আজি কিছুমান হলেও লোকৰ সুবিধা হব আৰু দুখীয়া কেইজনমান ভাই ভণ্টিহঁত উপকৃত হব। আজি দেশত শতকৰা ৭৫ ভাগ লোকেই দাৰিদ্ৰ সীমা ৰেখাৰ তলত আছে আৰু শতকৰা প্ৰায় ৮০ ভাগেই গাওঁত বসবাস কৰে। এই দুখীয়া শ্ৰেণীৰ লোক সকলৰ কাৰণে যদি আমি কিবা কৰিব নোৱাৰো নিশ্চয় দেশখনৰ উন্নতি নহয়, (সময়ৰ সংকেট) আজি এই বিলখনৰ বাবে মই আমাৰ চৰকাৰক বিশেষকৈ কেবিনেটক ধন্যবাদ জনাইছো কিন্তু এই বিল পাচ কৰিয়ে সন্তুষ্ট থাকিলে নহব। আমাৰ দাৰিদ্ৰ সীমা ৰেখাৰ তলত যি ৭৫ ভাগ লোক আছে তেওঁলোকৰ উন্নতিৰ কাৰণেও কিবা আঁচনি হাতত লওক এয়ে অনুৰোধ। ইয়াকে কৈ মই এই বিলখনক স্বাগতম জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Benoy Ku nar Basumatari :— Hon'ble Speaker, Sir, I on behalf on my party wish to thank our partners for facing the turmoil in presenting this bill. Some learned people, some time ago remarked that

these processes can be compared, I mean such discussion on passage of bills and amendments can be compared to the process of delivering a baby. Sir, this baby is about to be born and we have been a partner in fathering this bill. We are indeed very happy. Undoubtedly we should also express our gratitude, particularly, to our supporters, the C.P.M. group who very strongly supported us in facing this problem and also a group of people under whom we have been victimised, suddenly they have, this time come out with all their supports. Perhaps, though it is very late, we should thank them and particularly, the group of S.U.C.I has opposed this bill saying that this is the forerunner of a class war. Sir, I am not a very learned student of Karl Marx. But I find it confusing when one group of Marxist can support, I cannot understand why the other group cannot support it and this brings a very pertinent point about Marxists. They always say that they support nationalism in whatever form it is. But this group has somehow decided not to support this bill. Now, Sir our learned Member Shri Borbarua has made one pertinent point that only 15% of the tribals are educated. So this job reservetion of 17% as envisaged in this bill is a misfit. Sir, I do not agree with his calculations because the job that

will be given to the] Scheduled Castes and Scheduled Tribes through this bill. and the scops of the jobs are very limited. This bill will basically provide protection to the tribals only in case of jobs which are available in Assam and undoubtedly, these jobs do not require such specialised trainings for the tribals. We know that many Scheduled Castes and Tribes were not able to get admission in the Colleges because College facilities are not available in our areas. So they do not have the scope of having higher education and, therefore this bill will definitely held them to get some sort of job because most of the jobs in Assam are of Ministerial nature only and some learned Members have said that the rich tribals will be benefitted by the bill.

Mr. Speaker :— You are not to reply.

Shri Benoy Kr. Basumatari :— Sir, there are misconception which are to be removed. Sir, because of this misconception which are already there for the tribals, are to be explained. Since there is no time I will not go into details but this bill will undoubtedly have some affect on the terrible tribal problem, that is now in Assam. Sir, the tribals have a lot of problem and it is only the first step. The tribals have many more serious problems. So as long as we rem-

ain in partnership we will request our partners to face the tribal problms squardy seriously and with vigour: Sir, with these few words I thank again and express gratituds for the sympathies shown to the tribals by most of the members and by the Government for bringing this bill. With these few words I resume my seat.

Mr. Speaker :— The Minister will give reply now.

Shri Md. Fokhrul Islam : - Sir, I wanted 5 minutes.

Mr. Speaker :— Alright you are the last but not the least.

Shri Md. Fokhrul Islam :— Hon'ble Mr. Speaker, Sir I realise the sentiments of the Hon'ble Members. My time is short and I will try to cut short my speech. While moving some amendments to the S.T. & S.T. Bill, some members thought that I had got no support to the bill. Actually speaking, I have got every support to ameliorate the condition of the downtrodden people. But I would like to caution the Govt. that that is not the end of it ; it is rather a beginning of it. I only opposed the idea that justice should not be meted out to a particular section only, all other

sections should be given the same benefit. For example, there are tea garden labourers and other backward classes and minority communities, who are most backward in matters of state service. The S. C. & S. T. are deprived of these. So, I do not hate or I do not like to obstruct the smooth passage of the bill, in which measures of justice are being meted out to S.C. & S. T. people. Let it be a learning to the Janata Govt. that these minority communities and the lobour classes who supported the Congress Govt. for 30 years, had failed to do justice to these classes of the people. The people who got support from these people are now sitting in the opposition benches. Under the Janata umbrella if these people are neglected or if the Govt. fails to do some thing there may be repercussion in the whole state. So I would like to hear from the Govt. side whether they are ready to give equal protection and benefit to other sections of the people, like tea graden labourers and other backward classes/minority communities, etc, otherwise they are to see the writings on the walls that like Congress Govt. the Janata Govt. also may not be here again. With these few words, I support the measures of the bill. I hope the Hon'ble Members will not misunderstand me. I have got nothing to hate. My only point is that if

one section is given justice, other classes should not be neglected. This fundamental right has been neglected during the last 30 years of Congress regime. I have got least satisfaction that somebody from minority community has become President of India or Chief Justice of India, because they are the most neglected people in matters of service not only in Assam but all over India. So this should be taken as a hint that existence of in justice cannot continue indefinitely. I welcome this bill wholeheartedly as it ameliorates the grievances of S.T. and S.T. But the other classes are crying who are living below the subsistance level and human level. I, therefore, request the Hon'ble Minister to see that some measures are brought about for other sections of the people too.

শ্ৰীৰমেশ মোহন কুলি ঃ— মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি মোৰ বিলখনৰ বিবেচনাৰ কালত কিছুমান পৰামৰ্শ দিয়া হৈছিল। এতিয়া যিখিনি কথা মাননীয় সদস্য সকলে পৰামৰ্শ হিচাবে আগবঢ়াইছে আৰু কিছুমান সদস্যই প্ৰতিশ্ৰুতি বিচাৰিছে এই সকলো বিলাক মই শুনিছো আৰু যি সকল সদস্যৰ পৰা মহামূল্য পৰামৰ্শ পাইছো সেই বিলাকৰ দুটা এটা কথা মই চমুকৈ আপোনালোকক জনাব খুজিছো। এই বিলখন গ্ৰহণ কৰাৰ পিচত চৰকাৰৰ কি কৰ্ত্তব্য আৰু কৰণীয় সেইটো মাননীয় সদস্য সকলে সোঁৱৰাই দিছে। আমি জানো যে আইন এখন প্ৰণয়ণ কৰি সেই আইনখন কাৰ্য্যকৰী কৰিব নোৱাৰিলে সেই আইনখনৰ বহু কথাই কাগজৰ পাততে থাকে। অসমৰ যিখন ভূমি ৰাজহ আইন সেই আইন ট্ৰাইবেল

বেল্ট আৰু বুকৰ ক্ষেত্ৰত প্ৰযোজ্য কৰিব পৰা নাই। গতিকে ঠিক তেনে-কুৱা আইন এখন আজি আমি জনতা চৰকাৰে এই বিলখনত আনি আপোনাসকলৰ মাজত জোৰ-জবৰকৈ পাছ কৰি বা আপোনাসকলৰ সহানুভূতি নোপোৱাকৈ ভৱিষ্যতলৈ কাম কৰাৰ কাৰণে আমি কেতিয়াও আগ-নাবাঢ়ো।

মাননীয় অধ্যক্ষ মহোদয়, মই নিচেই সামান্য খেতিয়কৰ ঘৰত জন্ম গ্ৰহণ কৰিছো। খেতিয়কৰ ঘৰত জন্ম গ্ৰহণ কৰি মই মোৰ জীৱনত সৰুৰে পৰা এইটোৱেই পাইছো যে আমাৰ যিখিনি আগবঢ়া সমাজ সেই সমাজৰ সহানুভূতিৰে তেওঁলোকৰ মৰম স্নেহ আৰু অৱদানেৰে অনুপ্ৰাণিত কৰি আহিছে সেই কথা মই পাহৰিব নোৱাৰো আৰু এই সকলো অৱস্থাৰ মাজেৰে যি সকল জনজাতি আৰু যি সকল অনুসূচীত জাতি সেই সকল আগবাঢ়ি আহিছে। অন্যান্য ৰাজনৈতিক ক্ষেত্ৰতো মই নিজেই পাইছো বিভিন্ন ৰাজনৈতিক দলৰ লগতে মোৰ সৰুৰে পৰা সম্বন্ধ আছে আৰু ৰাজহুৱা কামতো বৰ্ত্তি আছো। লগতে অনুসূচীত জাতিৰ সন্মিলন বিলাকতো মই পৃষ্ঠপোষকতা কৰি নিৰ্দেশ দি আহিছোঁ। এই বিলাকৰ পৰা দেখিছো আগবাঢ়ি অহা সমাজখনৰ মানুহ বিলাকে জনজাতিৰ এই মুষ্টিমেয় মানুহ খিনিয়ে কেনেকৈ সকলো সুবিধা পাব পাৰে সেই সহানুভূতি দেখুৱাই আহিছে। সেই কাৰণে এই বিলখনত আপোনালোকৰ সহানুভূতি সহযোগত আৰু চেষ্টাত বিলখনত যিখিনি টকা উল্লেখ কৰা হৈছে সেই বিলাক আপোনা-সকলৰ পৰামৰ্শৰ যোগেদিহে অনা হৈছে বুলি মই ভাবিছো। আৰু এই বিলখনত যিবিলাক সৰু-সুৰা খুটি-নাটি আছে সেই বিলাকো ভৱিষ্যতলৈ আপোনালোকৰ যোগেদি দূৰীকৰণ কৰাৰ কাৰণে মই চেষ্টা কৰিম। ইয়াৰ লগতে আৰু এটা কথা হৈছে মই কৈছোৱেই যে এই বিলখনত সমুদায় অৰ্থনৈতিক ভাবে আৰু সামাজিক ভাবে এটা সমাজক উদ্ধাৰ

কৰিব নোৱাৰো। কিন্তু এই উন্নত শ্ৰেণীৰ লোক সকলৰ যে চাকৰী-বাকৰিৰ ক্ষেত্ৰত বা নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰতো যে অসুবিধা নাই সেই কথা মই নকওঁ। এই বিলাক কোনোবা ভেচটেড ইন্টাৰেষ্টৰ মানুহৰ যোগেদি সেইটো হৈছে সেই বুলিও মই নকওঁ।

সেই কাৰণে এইটো এনেক্‌মেন্ট হোৱাৰ আগতে আমি সেই সকলক সুবিধা দিব পাৰিলোহেতেন। কিন্তু সেই সকলক সুবিধা দিব পৰা নগল। গাওঁ অঞ্চলত আৰু চৰ অঞ্চলতো এল পি পাচ কৰা লোক আছে। চৰ অঞ্চলতো জনজাতীয়, অনুসূচীত লোক আছে। আজিও হৰিজন সকল প্ৰাথমিক স্কুললৈও যাব পৰা হোৱা নাই। এই হৃদয় বিদাৰক অৱস্থাৰ পৰা চৰকাৰী চাকৰীয়েই হওক বা প্ৰাইভেট অনুষ্ঠানেই হওক এই বিলাকত সৰু সৰু চাকৰি দি এই সকলক সহায় কৰাৰ লগতে তেওঁলোকৰ অৰ্থনৈতিক অৱস্থাও ভাল হব। ঠিকাৰ ক্ষেত্ৰত জনজাতীয়, অনুসূচীত জাতিৰ লগতে ও, বি, চি, ৰো কনচেচন আছে। এই সকলো বিলাক কাৰ্য্যকৰী কৰাৰ এনেকুৱা ব্যৱস্থা আছে। এনেকৈ সহ অৱস্থানৰ মাজেদি এই বিল পাছ কৰিবলৈ লোৱা হৈছে। জনতা চৰকাৰে এই বিল পাচ কৰি লৈছে বুলি আমি সন্তোষ লাভ কৰিব নোৱাৰো। এইক্ষেত্ৰত আমাৰ চৰকাৰে ক্ৰেডিট লব সেইটো কথা নহয়। এই ক্ৰেডিট সকলো মাননীয় সদস্যৰে। আপোনাসকলে ৩০ বছৰৰ বিশেষ কথালৈ লক্ষ্য কৰি, সদনে বিলখন পাচ কৰাৰ দিহা কৰিলে তাৰ কাৰণে সকলো মাননীয় সদস্যই গৌৰৱ বোধ কৰিব লাগিব। ৰাইজে এই গৌৰৱ দিব। মই ভাবো বিল পাচ হোৱাৰ পিচত, এক্ট হোৱাৰ পিচত এইটো আমাৰ ডিঙিৰ মাদুলি হব। ট্ৰাইবেল বেল্ট আৰু বুকৰ কাৰণে আইন কৰিলে যদিও তাৰ কাৰণে এতিয়া জনসাধাৰণক উত্তৰ দিব লগীয়া হৈ আছে। দায়িত্ব যেনেকৈ লৈছে তেনেকৈ কাৰ্য্যকৰী কৰিম। দায়িত্ব লৈছো যেতিয়া এই বিলৰ যোগেদিয়ে এইখিনি

মানুহক সহায়-সহযোগ কৰিব পাৰিম।

শ্ৰীমিশ্ৰ ডাঙৰীয়াই এটা কথা কৈছে যে অসমৰ বিভিন্ন অঞ্চলত আজি জনজাতীয় সকলো বিলাক লোকেই জনজাতীয় বুলি পৰিগণিত হোৱা নাই। চাহ বাগিছাৰ আৰু চাহ বাগিছাৰ বাহিৰত অনুসূচীত জাতি আৰু জনজাতিৰ মানুহ আছে। অন্যান্য প্ৰদেশ, পশ্চিমবঙ্গ, বিহাৰ, উৰিষ্যাত যিবিলাক ট্ৰাইবেল মানুহ সেইবিলাক ইয়াত ট্ৰাইবেল বুলি পৰিগণিত হোৱা নাই। ইয়াত দুটা কথা আছে। এটা হৈছে ইন্টাৰ ষ্টেট আৰু এটা হৈছে ইন্টাৰ ডিষ্ট্ৰিক্ট। সেইটো কেন্দ্ৰীয় চৰকাৰে..............

শ্ৰীগজেন তাঁতী :— এই সম্পৰ্কত সংবিধান সংশোধন হৈ গৈছে।

শ্ৰীৰমেশ মোহন কুলি :— এতিয়াও হোৱা নাই। হৈছে যদি মই নাজানো। ইন্টাৰ ৰিলেটেড বেৰিয়াৰ ভাঙি দিয়া নাই। যদি ট্ৰাইবেলৰ কাৰণে এই বেৰিয়াৰ ভাঙিছে আমি ভালেই পাইছো। আমি লিষ্ট কৰি আছো। আমি যিখন লিষ্ট ইয়াৰ পৰা পঠাইছো আগৰ চৰকাৰে বহুত ক্ষেত্ৰত আপত্তিজনক ভাবে ও, বি, চি, ৰ ক্ষেত্ৰত দিয়া হৈছিল বিশেষকৈ টি-গাৰ্ডেন আৰু এক্স টি-গাৰ্ডেনৰ মানুহে প্ৰতিবাদমূলক কম-পেইন দিছিল। তাৰ পিচত আকৌ পঠালো। আমি এইখিনি সংশোধন কৰি লিষ্ট তৈয়াৰ কৰাৰ কাৰণে ব্যস্ত আছো। আমি এইটো ততালিকে পঠাম। শ্ৰীমিশ্ৰ ডাঙৰীয়াই যিটো কথা কৈছে এইটো বহুতো চেষ্টা কৰি আমি চৰকাৰলৈ অহাৰ লগে লগে মই গোটেই অসমৰ অন্যান্য অঞ্চল নিজে চাই মেলি ইনট্ৰিগেটেড লিষ্ট কাছাৰৰ পৰা আৰম্ভ কৰি পঠাইছো। এইটো ২০ নভেম্বৰত পঠাইছো। এইখিনি কাম কৰোতে ৫ মাহ সময় ললে। ইত্যাদিৰ কাৰণত এইটোৰ অন্তৰ্ভুক্তিৰ কাৰণে এইটো ব্যৱস্থা অনতি-পলমে হব। তাৰ পিচত যিবিলাক সংখ্যালঘু শ্ৰেণী, আৰ্থিক ভিত্তিত এখন বিল আনিবৰ কাৰণে মই যদিও অধিকাৰী নহয় তথাপি আমাৰ চৰকাৰে

বিবেচনা কৰিছে, চিন্তা কৰিছে। এইখিনি হবৰ কাৰণে আপোনাসকলৰ সহযোগ বিচাৰিছো। তাৰ পিচত অৰ্থনৈতিক উন্নয়ণৰ কাৰণে আমাৰ যিখিনি আঁচনি আছে সেইবিলাক এই পৰ্য্যায়ত নাহিলেও আমাৰ সদনৰ শ্ৰীগগৈ, শ্ৰীমিশ্ৰ, শ্ৰীবৰবৰুৱা, শ্ৰীগোস্বামী, শ্ৰীৰাজবংশী আৰু শ্ৰীকাকতী ডাঙৰীয়াই যিখিনি কথা কলে সেইখিনিৰ লগত ময়ো একমত। আজি যিবিলাক আঁচনি আমি কৰিছো সেইবিলাক কাৰ্য্যকৰী কৰাত সন্দেহপূৰ্ণ আৰু আসোঁৱাহপূৰ্ণ। এই আঁচনি যিবিলাক অঞ্চলত কাৰ্য্যকৰী হব লাগে সেইখিনি নাপায়গৈ। আমি এইবিলাক আঁচনি যাতে দোষমুক্ত কৰিব পাৰো আৰু প্ৰকৃত মানুহৰ ওচৰত পৌচাই দিব পাৰো তাৰ কাৰণে বিশেষ ভাবে চেষ্টা কৰিছো।'

আজি ট্ৰাইবেল সকলে ট্ৰাইবেলৰ কথা চিন্তা কৰিব লাগিব, চিডিউল্ড কাষ্ট সকলে তেওঁলোকৰ নিজৰ কথা চিন্তা কৰিব লাগিব এইটো নহয়। ইতিহাস মেলি চালে দেখা পাওঁ যে জাতিৰ জনক মহাত্মা গান্ধী হৰিজনো নহয়, ট্ৰাইবেলো নহয়। যিসকলে আমাক শিক্ষা দিছিল সেই সকল ট্ৰাইবেল নহয়, কিন্তু তেখেত সকলৰ সজ পৰামৰ্শতেই আজি আমি এইখিনি পাইছোহক। গতিকে এই ভাব ৰাখিব নালাগে। আৰু সেই ভাবৰ পৰা সমাজৰ উন্নতি হব নোৱাৰে বুলি মই ভাবো। এই ঐতিহাসিক প্ৰসিদ্ধ বিলখনত আপোনালোকে বহুমূলীয়া পৰামৰ্শ দি বিলখন গৃহীত কৰাৰ কাৰণে যি সুবিধা দিছে তাৰ কাৰণে মই সকলো মাননীয় সদস্যকেই ধন্যবাদ জনাইছো। যদি এই বিলখন কাৰ্য্যকৰী নহয় তেনেহলে আমাৰ ভবিষ্যত সতি-সন্ততি সকলৰ, উত্তৰাধীকাৰী সকলৰ চকুৰ পানীৰে ভবিষ্যতৰ ৰাস্তা বন্ধ কৰি দিব। মই অনুৰোধ কৰিছো আপোনাসবৰ বহুমূলীয়া পৰামৰ্শৰে এই সদনত এই বিল অনুমোদিত কৰি দিব তাৰ কাৰণে ধন্যবাদ জনাইছো।

Mr. Speaker :— The question is that the Assam Scheduled Castes and Scheduled Tribes (Reservation of Vacancies in Services and Posts) Bill, 1978, as amended be passed.

(After a pause)

The Bill as amended has been passed. Now next item.

Shri Jagannath Sinha :— Mr. Speaker Sir, I beg to move that the Assam Shops and Establishment (amendment) Bill 1979, be taken into consideration.

Mr. Speaker :— The question is that the Assam Shops and Establishments (Amendment) Bill 1979 be taken into consideration.

(The motion is adopted)

Mr. Speaker :— There is only one amendment in Clause 2. (The amendment not moved). The question is that Clause *2* does form part of the Bill.

Clause 2 forms part of the Bill.

There is no amendment to clauses 3 to 5 of the Bill. I put the question that clauses 3 to 5 do form part of the Bill.

Clauses 3 to 5 form part of the Bill.

Now I put that clauses 1, preamble, enacting formula and Short Title do form part of the Bill.

Clause 1, preamble, enacting formula and short title form part of the Bill.

Shri Jagannath Sinha :— Mr. Speaker Sir, I beg to move that the Assam Shops and Establishments (Amendment) Bill, 1979 be passed.

*শ্ৰীপ্ৰমোদ গগৈ :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম চপচ্ এণ্ড এষ্টাব্লিচমেণ্ট ১৯৭৯ এই বিলখনত যিকেইটা সংশোধনী অনা হৈছে সেই সংশোধনীৰ উদ্দেশ্য হৈছে যে সপ্তাহত কৰ্ম্মচাৰী সকলে এদিন ছুটি পাব লাগে বা বন্ধ থাকিব লাগে সেই ক্ষেত্ৰত যি অসুবিধাৰ সৃষ্টি হৈছে সেইটো দূৰীকৰণৰ বাবে সংশোধনী অনা হৈছে। বহু ঠাইত কৰ্ম্মচাৰী সকলে এতিয়াও সপ্তাহত এদিন বন্ধ উপভোগ কৰিবলৈ পোৱা নাই। কোনোবা ঠাইত সোমবাৰ, কোনো ঠাইত মঙ্গলবাৰ আৰু কোনো ঠাইত শনিবাৰ বন্ধ দিয়া হয় কিন্তু কোনো নিৰ্দ্দিষ্ট দিন নাছিল কাৰণেই এই অনুষ্ঠান বিলাকৰ মালিক সকলে আইনৰ পৰা আঁতৰত থাকিব পাৰিছিল। এই আইন আগতেও আছিল এতিয়া ইয়াৰ সংশোধনী দিয়া হৈছে কিন্তু ইমান দিনে চৰকাৰে এই আইনৰ ধাৰা অনুযায়ী ঠিকমতে কৰ্ম্মচাৰী সকলক সুবিধা দি আচলতে আইনখন কাৰ্য্যকৰী কৰিব পৰা নাছিল। আইনখন বলবৎ কৰাৰ কাৰণে শ্ৰম বিভাগৰ যি সকল বিষয়া বা চৰকাৰী যন্ত্ৰ সেই সকলে আইনৰ ধাৰা ব্যৱহাৰ কৰাৰ কাৰণে তৎপৰতা অৱলম্বন কৰা নাছিল। সেই কাৰণেই আইন থকা সত্বেও বহুত ঠাইত

* Speech not corrected

আইনৰ সুবিধা উপভোগ কৰাৰ পৰা কৰ্ম্মচাৰী সকল বঞ্চিত হৈ আছিল। সেই কাৰণে চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো যাতে সংশোধন হৈ যোৱাৰ পিচত আইনৰ ধাৰা বিলাক প্ৰয়োগ কৰাৰ ক্ষেত্ৰত চৰকাৰী বিভাগ বিলাক তৎপৰ হয়। এতিয়ালৈকে কাৰ্য্যকৰী নোহোৱাটো কিন্তু দুখজনক কথা। যদিও এই আইনৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে জড়িত নহয় তথাপি এইটো কথা উল্লেখ কৰিব খোজো যে ইণ্ডাষ্ট্ৰীয়েল বিলৰ জৰিয়তে শ্ৰম কৰা কৰ্ম্মচাৰী সকলৰ অধিকাৰ খৰ্ব্ব কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে পাৰ্লিয়ামেণ্টত বিল দাঙি ধৰিছে যদিও পাচ হৈ যোৱা নাই। ইয়াৰ দ্বাৰা ট্ৰেড ইউনিয়নৰ অধিকাৰ আৰু ধৰ্ম্মঘট আদিৰ অধিকাৰ খৰ্ব্ব-কৰা হৈছে। ধৰ্ম্মঘট বে-আইনী ঘোষণা কৰা হৈছে। আনকি মধ্য-প্ৰদেশ চৰকাৰে এখন অৰ্ডিনান্স জাৰি কৰি চৰকাৰী কৰ্মচাৰী সকলৰ ধৰ্মঘট বে-আইনী ঘোষণা কৰা বুলিও শুনিবলৈ পাইছো। কিমানদূৰ সত্য নাজানো। আইন ভঙ্গকাৰীক বৰ্খাস্ত কৰাৰ উপৰিও দহ বছৰ পৰ্য্যন্ত জেলো দিয়াৰ ব্যৱস্থা ৰখা হৈছে। আৰু এই কথাও শুনিছো যে আমাৰ অসম চৰকাৰেও হেনো মধ্যপ্ৰদেশ চৰকাৰৰ নিচিনা এনে অৰ্ডিনান্স প্ৰস্তুত কৰিব বিচাৰিছে। গতিকে মই স্পষ্ট ভাৱে চৰকাৰৰ পৰা এই বিষয়ে জানিব বিচাৰিছো। সদৌ শেষত কওঁ যে চৰকাৰী কৰ্ম্মচাৰী সকলক সুবিধা দিয়াৰ ক্ষেত্ৰত আইনত যি অলপ আসোৱাহ আছিল সেইখিনি এই সংশোধনীৰ দ্বাৰা আঁতৰাব বিচৰা হৈছে আৰু পাবলগীয়া অধিকাৰ বলৱৎ কৰাৰ ক্ষেত্ৰত বৰ্ত্তমান লোৱা ব্যৱস্থা অধিক কাৰ্য্যকৰী কৰাৰ কাৰণে মই দাবী জনাইছো।

শ্ৰীফণী মেধী ঃ— ১৯৭৯ চনৰ দোকান আৰু স্থাপনা (সংশোধনী) যিখন বিল আজি এই সদনত উত্থাপিত কৰা হৈছে, আৰু আইনৰ জৰিয়তে দোকানী কৰ্ম্মচাৰী সকলক যি অধিকাৰ দিব বিচাৰিছে মাননীয় সদস্য গণে ভাওৰীয়া সৈতে একগোট। অধ্যক্ষ মহোদয়, শ্ৰম বিভাগ অসম

চৰকাৰৰ এটা অদৃষ্ট পৰিহাস। যে শ্ৰমিক সকলক আইনৰ জৰিয়তে কিছুমান অধিকাৰ দিয়া হয় কিন্তু সেই অধিকাৰ সমূহ ৰক্ষণা-বেক্ষণা দিয়াৰ কাৰণে কোনো ব্যৱস্থা লোৱা হোৱা নাই। অসম চৰকাৰৰ যি লেবাৰ-ওৱেল ফেয়াৰ ডিপাৰ্টমেণ্ট আছে, ডিষ্ট্ৰিক্ট লেবাৰ অফিচাৰ আছে, লেবাৰ কমিচনাৰ আছে তেখেত সকলে কোনো দিনেই শ্ৰমিক সকলৰ অধিকাৰ সম্পৰ্কে চৰকাৰৰ যিটো আইন সেই আইন তেখেত সকলৰ ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে চেষ্টা কৰা দেখা নাই। বৰং ওলোটা ভাবে এই লেবাৰ দিপাৰ্টমেণ্ট বা বিভাগীয় বিষয়া সকলে লেবাৰ আৰু মেনেজমেণ্টৰ দিচপুট হলে মেনেজমেণ্টৰ সপক্ষে যোৱা দেখা যায়। এই শ্ৰমিক সকলে সপ্তাহত এটা দিন ছুটি পাব। বিভিন্ন ঠাইত বিভিন্ন হিচাবে দেখা যায়। এইটো আইনৰ কথা। এটা দিন ছুটি পোৱাৰো অসুবিধা হৈছে। এই দেশ্-খনতেই আটাইতকৈ অৱমাননা কৰা হৈছে এই শ্ৰমিক সকলক। এক্ট থকা স্বত্বেও এক্টত থকামতে ৮ ঘণ্টা শ্ৰম কৰিব লাগে। কিন্তু ৰাতিপুৱা ৭টাৰ পৰা আৰম্ভ কৰি ৰাতি ১০-১১ টা লৈকে এই শ্ৰমিক সকলক পৰি-শ্ৰমৰ দ্বাৰাই শোষণ কৰা হয়। আৰু কোনোবা শ্ৰমিকে যদি আপত্তি কৰে তেতিয়া পিচদিনা চাকৰি নাই। এটা সুন্দৰ ৰাতিপুৱা যেতিয়া শ্ৰমিক এইন চাৰ্কৰিলৈ আহিব তেতিয়া তেওঁক কৈ দিয়া হয় যে তোমাৰ প্ৰয়োজন নাই। এইদৰেই শ্ৰমিক সকলৰ প্ৰতি থকা অধিকাৰখিনি তাতেই শেষ হৈ যায়। অকল সেইটোৱেই নহয়। শ্ৰমিক সকলে যি ফাৰ্ম বা দোকানত চাকাম কৰে তেওঁলোকৰ দৰমহাৰ কোনো নিৰিখ নাই। কৰবাত ২০ টকা ৫০-৬০ টকাৰ পৰা আৰম্ভ কৰি ১৫০-২০০-৩০০ লৈকে আছে। তেওঁ-লোকে পাবলগীয়া নিম্নতম বানচখিনিও নাপায়। মই দূৰলৈ নাযাও আমাৰ মাননীয় সদস্য সকলে ভাত খোৱা কেনটিনতে দেখিছো ৬ বছ-ৰীয়া শিশুকো কামত লগোৱা হৈছে। নাবালক সকলক এই দৰে কাম কৰোৱাতো অ-মানবীয় হৈছে। ১৮ বছৰৰ তলত কামত নিয়োগ কৰা এই যে চাইলদ লেবাৰ সেইটো বন্ধ কৰিব লাগে। এই আইনৰ জৰিয়তে

যিসকল কৰ্ম্মচাৰী আছে তেওঁলোকৰ নাৰ্য্য দৰমহা পোৱাৰ লগতে তেওঁলোকৰ চিকিৎসা ভাত্তা, আকস্মিক ছুটি, মেডিকেল ইত্যাদি ব্যৱস্থা চৰকাৰে কৰাটো উচিত। যি সকলে শ্ৰম বিক্ৰী কৰে আৰু শ্ৰমিক কিনে এই দুয়োটাৰ ভিতৰত ব্যৱধান বিৰাট। আগৰ চৰকাৰে আৰু এই চৰকাৰে সমাজবাদ প্ৰতিষ্ঠা কৰিব লাগে বুলি আহ্বান কৰিছে। তেনেস্থলত তলত পৰি থকা শ্ৰেণীটোক ওপৰলৈ উধাবলৈ সুযোগ সুবিধা নিদিলে বিধান সভাত আইন পাচ কৰাৰ উদ্দেশ্য কি? সেই শ্ৰেণীটোক ৰক্ষণা-বেক্ষণা দিয়াৰ কথাটো চিন্তা কৰি যি উদ্দেশ্য ৰচনা কৰা হৈছে সেই আইন বিভিন্ন ক্ষেত্ৰত কাগজে পত্ৰে সভাই-সমিতিয়ে প্ৰকাশ কৰি ইয়াৰ প্ৰকৃতাৰ্থত সমাজৰ এই অৱহেলিত শ্ৰেণীটোক আগুৱাই নিবলৈ চেষ্টা কৰা হৈছে বুলি জনায়। সেই শ্ৰেণীটোক যুগে যুগে অবিচাৰ আৰু নিপীড়িত আৰু নিষ্পেষিত হৈ আহিছে। আগৰ চৰকাৰৰ দিনতো পাইছে আৰু এতিয়া চৰকাৰৰ দিনতো পাইছে। সেই কাৰণে ৰাজ্যিক চৰকাৰৰ শ্ৰমিক অনুষ্ঠান যিবিলাক আছে সেই বিলাকত শ্ৰমিক সকলে তেওঁলোকৰ অধিকাৰৰ আৰু সুবিধা যিখিনি মান মৰ্য্যদা পাব সেইখিনি যাতে আমাৰ যিসকল শ্ৰমিক কৰ্ম্মচাৰীয়ে দোকান বা ফাৰ্মত কাম কৰি আছে সেই সকলেও পায় তালৈ লক্ষ্য ৰাখিব লাগে। শ্ৰমিক সকলে যুগ যুগ ধৰি নিষ্পেষিত হৈ আহিছে, কিন্তু শ্ৰম বিভাগৰ আইনৰ দ্বাৰা তেওঁলোকৰ ৰক্ষণা-বেক্ষণা দিয়াৰ কোনো ব্যৱস্থা হোৱা নাই। সেই কাৰণে এই শ্ৰম বিভাগটোৰ আমুল পৰিবৰ্ত্তন আনিবৰ কাৰণে জনতা চৰকাৰক আহ্বান কৰিছো। মই আগতেই উল্লেখ কৰিছো, লেবাৰ আৰু মেনেজমেন্টৰ মাজত কিবা দিচপিউট হলে আৰু কিবা আলাপ আলোচনা হলে লেবাৰ ডিপাৰ্টমেন্ট সদায় মেনেজমেন্টৰ পক্ষ লয়। এইটো বৰ দুখ লগা কথা। গণতান্ত্ৰিক সমাজ ব্যৱস্থাত এইটো হোৱাটো খুজিছিলো। যদি লেবাৰ অফিচাৰ সকলক ভাল মাননি দিব পাৰে তেতিয়াহলে সেইদলৰ পক্ষই এই সকলে

জয়। কিন্তু শ্ৰমিক সকলৰ পকেটত পইচা নাই। আজি এই শ্ৰমিক সম্প্ৰদায়টোৱেই সমাজত আটাইতকৈ নিপীড়িত আৰু নিষ্পেষিত। গতিকেই মই আশা কৰিছো এই অবহেলিত শ্ৰমিক শ্ৰেণীটোক শ্ৰমৰ বিভাগৰ যিবিলাক আইন হৈছে তাৰ ভৱিষ্যতে শ্ৰমিক সকলে পাবলগীয়া অধিকাৰ খিনি দিয়াৰ কাৰণে যাতে ব্যৱস্থা কৰে তাৰ কাৰণে আহ্বান জনাই সামৰণি মাৰিলো।

(At this stage Mr. Speaker left the Chair and Mr. Chairman Shri Golok Rajbanshi occupied the Chair:)

* শ্ৰীঅজয় দত্ত :— মাননীয় সভাপতি ডাঙৰীয়া, অসম দোকান আৰু স্থাপনা সমূহৰ যিখন সংশোধনী বিধেয়ক উত্থাপিত হৈছে তাৰ বাস্তৱ এক্ট আছে সেই বিলাক শ্ৰমিক সকলৰ স্বাৰ্থৰ হকে, কল্যাণৰ হকে শ্ৰম বিভাগৰ দ্বাৰা কাৰ্য্যকৰী কৰা কেতিয়াও হোৱা নাই। আমাৰ চৰকাৰে কেতিয়াও এই বিষয়ে কেতিয়াও নেভাবে যে শ্ৰমিক সকলৰ অধিকাৰ বোলা এটা কথা আছে। এই ক্ষেত্ৰত মাননীয় সদস্য ফনী মেধি ডাঙৰীয়াৰ কথাত মই একমত যে এনে বহুতো অফিচাৰ আছে আৰু মালিক আছে, যি সকলে নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে কাম কৰি আহিছে। আইনমতে শ্ৰমিকৰ কাৰণে যিটো এক্ট আছিল, সেইটো কোনো কাৰ্য্যকৰী হোৱা নাই। মবাইল কৰ্টে শ্ৰমিকৰ ডিচপিউট শেষ কৰিবলৈ যি শ্ৰমিকে যেতিয়া সাধাৰণ দোষ-ত্ৰুটি কৰে, তেতিয়াই তেওঁলোকৰ চাকৰি শেষ কৰি দিয়ে। আগদিনা চাকৰিত থাকি পিছদিনা চাকৰিৰ পৰা যাব লগীয়া হয়গৈ। হয়তো কেতিয়াবা তেওঁলোকক থানাতহে দেখা পোৱা হয়গৈ। গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ সময়ত দেখা গৈছিল, শ্ৰমিকৰ এজনো ভোট দিবলৈ

* Speech not corrected

আহিব পৰা নাছিল, কাৰণ তেওঁলোকক ছুটি দিয়া হোৱা নাছিল। কোনোবা শ্ৰমিকক যদি সোধা হয় তেওঁলোকক কি লাগে, কিহৰ কাৰণে ন্যাৰ্য্য দাবী কৰিছে, তাৰ উত্তৰত তেওঁ একো কব নোৱাৰে। কাৰণ তেওঁলোকৰ নিজৰ ন্যাৰ্য্য অধিকাৰ কি তাক নেজানে। গতিকে মই জনতা চৰকাৰক অনুৰোধ কৰোঁ যাতে শ্ৰমিক সকলক নিজৰ মৰ্য্যদা আৰু অধিকাৰৰ বিষয়ে শিক্ষা দিয়া উচিত। তাৰোপৰি মই বিশেষ ভাবে চৰকাৰক অনুৰোধ কৰো যাতে সংবিধানৰ নিয়ম অনুসৰি শ্ৰমিক সকলক চাৰিটা দিন, ১৫ আগষ্ট, ২৬ জানুৱাৰী, পহিলা মে' আৰু ২ অক্টোবৰত তেওঁলোকক ছুটি বাধ্যতামূলক হিচাবে দিয়াৰ ব্যৱস্থা কৰি দিব লাগে। এই খিনিকে কৈ মই বিলৰ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

* শ্ৰীনিশীথ রঞ্জন দাস ঃ— মাননীয় চেয়ারম্যান মহোদয়, এই বিল দোকান কর্মচারীদের স্বার্থ সংরক্ষণের জন্য শ্রম মন্ত্রী মহোদয় এই সদনে উত্থাপন করেছেন। এই উত্থাপিত বিলের সঙ্গে কংগ্রেস আমলের প্রচলিত আইন কানুনের কোন মৌলিক তফাৎ নাই। তথাপিও এটি একটি পদক্ষেপ। দোকান কর্মচারী এবং দোকানের মালিক এই দুইটা আলাদা শ্রেণী। এদের মধ্যে বিরাট ব্যবধান রয়েছে। দোকান কর্মচারীরা গরীব, তাদের পূজি নাই— আছে অন্যান্য সাধারণ কর্ম ক্ষমতা। আর বিলাসী মালিক পূজির জোরেই ওদের দরিদ্রতার সুযোগ নিয়ে তাদের উপর নির্মম ভাবে শোষণ চালিয়ে মুনাফা আদায় করে থাকে। ধনতান্ত্রিক ব্যবস্থায় মালিকের হাতে রয়েছে অবাধ স্বাধীনতা। ফলে অতিরিক্ত মুনাফা আদায়ের জন্য এরা দোকান কর্মচারীকে সীমাহীন পরিশ্রম করায়। দোকান কর্মচারীদের নির্মম ভাবে খাটিয়ে তারা অবাধে মুনাফা আদায় করে। এরই জন্য এরা কর্মচারী-

* Speech not corrected

দেরে অতিভোরে আসতে বাধ্য করে এবং একটানা রাত ১২টা পর্যন্ত তাদেরে কাজ করতে বাধ্য করে। আজ বিশ্ব জুড়ে শ্রমিকরা ৮ ঘণ্টা কাজের দাবীতে আন্দোলন করে যখন সাফল্য অর্জন করেছে, তখন আমাদের রাজ্যের দোকান কর্মচারীকে ১৮-২০ ঘণ্টা কাজ করতে হচ্ছে। রাত দিন কি ভাবে যায় এরা বুঝতেই পারে না। পরিবারের প্রতি কর্তব্যও করতে পারে না। শুধু কাজ হলো মালিকের জন্য টাকা রোজগার করতে হবে। এই দোকান কর্মচারীর ১২ বৎসরের এক ছেলে মারা যায়। বাড়ীর সবাই মৃত সন্তানের জন্য কাঁদছে কিন্তু বাবার চোখে জল নাই। একজন তাকে জিজ্ঞাসা করেছিল 'আপনার দেখছি অসাধারণ ধৈর্য্য'। জবাবে ঐ কর্মচারী বলেছিলেন "আমিতো ছেলেকে ভাল করে দেখারই সুযোগ পাইনি। ভোরে যখন মালিকের কাজের জন্য গিয়েছি তখন ছেলে ঘুমিয়ে থাকতো, আর রাত ১২টার সময় যখন কাজ থেকে ফিরে আসতাম তখনও সে ঘুমিয়ে থাকতো। বাপ হয়ে কখনো এই ছেলেকে আদর করে কাছে রেখে খাওয়াবার কিংবা পড়াবার সময় পাইনি। বিশ্বাস করুণ, কাজের যাতা কলে পরে এখনও আমি বুঝতে পারছি না আমি কি হারিয়েছি।" এই হলো দোকান কর্মচারীদের প্রকৃত অবস্থা। এই কথা সকল কর্মচারীদের পক্ষে প্রযোজ্য। চায়ের দোকানও দোকান, সেখানেও মানুষ কর্তৃক মানুষ কিভাবে শোষিত হয় তা একটু অনুধাবন করলেই বুঝতে পারবেন। ৮-৯ বছরের ভোর ৪টায় উঠে চায়ের চুলো পরিস্কার করে, সারাদিনের আবর্জনা দূর করে শীতের সকাল থেকে রাত ১২টা পর্যন্ত একটা ছেড়া প্যাণ্ট ও একটা ছেড়া গেনজি গায়ে নিয়ে ঠক্ ঠক্ করে কাঁপতে কাঁপতে কাজ করতে থাকে। এদের কোন ছুটি নাই, বিশ্রাম নাই। হাত থেকে যদি একটা কাপ পরে ভেঙ্গে যায়, মালিকের কিল চড় লাথি হলো তার নিত্য নৈমত্তিক পাওনা আর ওদের মাইনে হলো মাত্র ১০-১২ টাকা। প্রকৃত পক্ষে এরা কোন

বেতনই পায় না। কারণ ভাঙ্গা কাপ-প্লেটের দাম জরিমানা হিসাবে তাদের কাছ থেকে আদায় করে নেওয়া হয়। ওদের একমাত্র অপরাধ হলো এরা গরীব। দু মুঠো ভাত এরা পেট ভরে খেতে পায় না, তাই এরা কাজ করতে বাধ্য হচ্ছে। আর মালিকদেরে যদি বলা হয় যে একটা ১০-১২ বৎসরের ছেলেকে এত অত্যাচার করা হয় কেন, তাহলে তারা জবাব দেয় "আমি তো আর এদেরে নিমন্ত্রণ করে আনিনি।" ঠিক কথা, এদেরে নিমন্ত্রণ করে আনা হয় নি, কিন্তু আমাদের সমাজ ব্যবস্থা এমন ভাবে গঠিত যে কোন না কোন মালিকের অধীনে কাজ করতে না পারলে বেঁচে থাকার কোন উপায় নাই। তাই দু মুঠো অন্নের আশায় এরা যখন কাজ করতে আসে তখন মালিকরা এদের তিলে তিলে খেয়ে ফেলে। অধ্যক্ষ মহোদয়, ওরা কাঁচা খায় না। আদিম যুগে মানুষ মানুষকে খেয়ে ফেলতো ক্ষুধার যন্ত্রনায়। আর এরা তাদের মুনাফা লাভের জন্য ঐ ছেলেদের নারকেলের মত কুরিয়ে কুরিয়ে খায়। অফুরন্ত খাটনি আর খাদ্যাভাবে এরা ১৬-১৭ বৎসর বয়সে নিদারুণ ক্ষয় রোগে মৃত্যুবরণ করে। এরা যদি গরীব না হতো, লেখাপড়া করতে পারতো, মাথা তুলে দাড়াতে পারতো তাহলে তো এই দারীদ্রতার সুযোগ নিয়ে তাদের উপর এই নির্মম শোষণ চালাতে পারতো না। মহোদয়, দোকান কর্মচারীদের কোন নিয়োগ পত্র নাই, প্রভিডেন্ট ফাণ্ড নাই, গ্রেটুইটি নাই, পেনশন নাই। আইনের খাতায় হয়তো বনাসের কথা লেখা আছে কিন্তু প্রকৃত পক্ষে এরা কোন বনাস পায় না। কিন্তু বনাস হলো শ্রমিক-দের ন্যার্য্য দাবী। মালিক পক্ষ শ্রমিকদেরে প্রতারিত করে বলে শ্রমিক কর্মচারীরা আন্দোলন করে ন্যূন পক্ষে ১ মাসের বেতন বোনাস হিসাবে পাওয়ার অধিকার অর্জন করেছিল। আর, জরুরী অবস্থার সময় শ্রীমতী ইন্দিরা গান্ধী নতুন আইন করেছিলেন যে যেসব মালিকদের লাভ হবে না তাদেরকে বোনাস দিতে হবে না। অধ্যক্ষ মহোদয়, আপনিতো

জানেন কোন মালিকেরই কখনো লাভ হয় না। ওদের দুটো খাতা আছে একটা খাতায় সব সময় নিজের ক্ষতি দেখানো থাকে। তারই ফলে এরা আইনকে ফাঁকি দিয়ে এই কর্মচারীদেরে বঞ্চিত করেছিল। আর এখন এও আছে যে মালিকরা কর্মচারীদের ডেকে বলে "লিখে দাও বোনাস পেয়েছি।" এই ভাবে বোনাস না দিয়ে তাদেরে লিখিয়ে নিতে বাধ্য করে। মহোদয়, সরকারের আইন আছে সপ্তাহে একদিন দোকান বন্ধ রাখতে হবে। কিন্তু মুনাফা লোভী মালিকরা দোকান বন্ধ রাখে না। আমি মাননীয় শ্রমমন্ত্রী মহোদয়কে জিজ্ঞাসা করতে চাই যে দোকান বন্ধ না রাখার জন্য কতটা মালিকের শাস্তি হয়েছে তিনি কি তার হিসাব দিতে পারিবেন? অথচ উল্টো দিকে দোকান কর্মচারীরা তাদের ন্যায্য ছুটির কথা জানাতে গেলে মালিকরা নানা অববাদ দিয়ে তাদেরে তাড়িয়ে দেয়। আর মালিকে মালিকে একটা ঐক্য আছে। কোন দোকান কর্মচারীকে কোন মালিক যদি তাড়িয়ে দেয় তাহলে অন্য কোন মালিক তাকে নিয়োগ করে না। তার ফলে ওদেরে অত্যন্ত দুঃখের মধ্যে, ভয়ের মধ্যে থাকতে হয় যার জন্য তারা বাধ্য হয় ছুটির দিনে কাজ করতে। মালিকরা দোকান কর্মচারীদেরে ইউনিয়ন করার অধিকার দেয় না। করিমগঞ্জে মে দিবসে এক ফার্মাসীর মালিক তার শ্রমিককে যোগদান করতে পর্যন্ত দেয় নি। মাননীয় সদস্য শ্রীঅজয় দত্ত বলেছেন যে ভারতবর্ষে কর্মচারীরা মাত্র চার দিন ছুটি পায়। অর্থাৎ ১৫ আগষ্ট, ২৬ জানুয়ারী প্রভৃতি সর্বভারতীয় দিবসে ছুটি পায়। কিন্তু এই ছুটিও দোকান কর্মচারীদেরে দেওয়া হয় না। দোকান কর্মচারীরাও সমাজেরই একটা অংশ এবং ওদের উপর এক বিরাট অংশ মানুষ নির্ভরশীল। সুতরাং এই কর্মচারীদের জীবন যদি মানুষের মতন গড়ে না উঠে, অন্যান্য শ্রমিক কর্মচারীদের মত যদি এরা সুযোগ সুবিধা না পায় তাহলে সমাজের অগ্রগতি ব্যহত হতে বাধ্য।

তাই এই বিলের সঙ্গে বিবেচনা করার জন্য সরকারকে আমি কয়েকটি অনুরোধ করছি। কর্মচারীদের নিয়োগ পত্র দেওয়া, নির্দ্ধারিত ছুটি, মেডিকেল ফেসিলিটি, বোনাস পেন্সন গ্রেটুইটি এই সমস্ত তাদেরে দিতে হবে। বৃদ্ধ বয়সে প্রভিডেণ্ড ফাণ্ড এবং পেনশনের ব্যবস্থা অবশ্যই দিতে হবে কারণ যে কর্মচারী তার সমস্ত জীবন যৌবন দিয়ে মালিককে অতিরিক্ত সম্পদের অধিকারী করেছে বৃদ্ধ বয়সে সেই মালিক যখন তাকে তাড়িয়ে দেয় তখন এই দোকান কর্মচারীর না খেয়ে মৃত্যু হয়। এই ব্যবস্থা কোন সভ্য দেশে চলতে পারে না। কাজেই এই কর্মচারীদের যে সব বিভিন্ন সমস্যা রয়েছে এই গুলি শ্রম মন্ত্রী মহোদয় অনুধাবন করবেন এই আশা করে এই বিলটিকে সমর্থন করে আমি আমার বক্তব্য শেষ করছি।

Shri Jagannath Sinha :— Mr. Speaker Sir, I fully share the sentiment expressed by the Hon'ble Members and I have noted down some of the suggestions forwarded by them about the condition of the employees working in the shops and establishments in Assam. As you know Sir, why the bargaining power of the workman is much more in the developed countries as because the supply of labour is limited and Unions are stronger. So, Govt. is a steeping partner in the industrial field. In our country Sir, Govt. the working class has got very limited bargaining power and that is why Govt. is on active partner here. Sir, this is really surprising to note that probably in India there are maximum number of labour legislation in the world.

I fully share with the hon'ble Members the view that though we have got the maximum number of labour legislation we could do very limited work. Of course for that reasons the officials of the Labour department are blamed. Here I must say Sir, all the officers of the labour deptt. cannot be blamed for this. There may be some officers in the labour deptt. who may not be active upto the mark but for that reasons all the officers of the labour department cannot be blamed in spite of their best efforts. So Sir, the suggestions which were put forwarded by the Members of the House will be definitely looked into and necessary action will be taken accordingly. The actual fact is, Sir, that some of the shops and establishments declare holiday as per their own convenience say X declares holiday on Monday, Y declares holiday on thirsday, some declares holiday on Friday as a result it becomes very difficult on the part of the officials of the labour department to check all this things. Sir, on the last Sunday I had been to Fancybazar with one Hon'ble Member and found that 50% of the shops and establishments were open. This is really a strange. Previously in the Act. a provision was there for fine of Rs. 250/- for violation of the provision of this Act. Now, to give maximum relief to the employees, in this amendment the provision has been made to give

miprisonment also. Sir, the employers do not bother to pay a fine of Rs. 50/- Rs. 100/- or Rs. 1000/- or even Rs. 5000/- but if there be a provision for Jail for atleast one day they will fear to violate the Act and for this purpose the amendment has been brought and in this way the condition of the workers of the shops and establishments can be improved & the provision of the Act. can be properly implemented. Sir, in this connection, Hon'ble Member Shri Nishit Das has given a description of a man whose son died, this is not a single instant. Sir, probably the employees working in the shops and establishments are the most suffereing class. Sir, even in America and in England the employees of the shops and establishments get much less facilities than other workmen. There they are also exploited. Our Govt. will be looking for their convenience, so that these poor people are not exploited. In this connection Hon'ble Member Shri Promode Gogoi has referred so many things. There is a phrase in Bengali "ধান ভানতে শিবের গীত" and for this the amendment of Shops and Establishments Act. has been brought. Sir, the same Act. has been passed in Madhya Pradesh. It has been noticed that on 26th January or even on 15th August, some shops and establishments do not declare holiday. Sir, if I am an India

National, this is my duty to observe that day but some employers are not observing the National Day as holiday. Our intention is to give maximum protection to the affected employees and with this intention the amendment has been brought. I would request the Hon'ble Members to pass the Bill.

Mr. Speaker :— Assam Shops and Establishment Bill 1979 be passed.

(After a pause)

The motion is passed. The Bill is passed. Now next item.

Shri Gajen Tanti :— Sir, under Rules of procedure and conduct of Business in Assam Legislative Assembly, Rules 92 where it says the member-in-charge of a Bill may at any stage of the Bill move for leave to withdraw the Bill on the ground that the legislative proposal contained in the Bill is to be dropped, or the Bill is to be replaced subsequently be a new Bill which substantially alters the provisions contained therein ; or the Bill is to be replaced subsequently by another Bill which includes all or any of its provisions in addition to other provisions ; and if such leave is granted, no further motion shall be made with reference

to the Bill, bit I don't know on what provision, Minister, Revenue wants to withdraw the Bill.

মাননীয় চেয়াৰমেন :— বিলখন কিয় উঠাই লব বিচাৰিছে কব লাগে।

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— চেয়াৰমেন মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৯২ (গ) নিয়ম অনুসৰি মই ১৯৫৯ চনৰ অসম ভূমি ৰাজহ পুনৰ নিৰ্দ্ধাৰণ (সংশোধনী) বিধেয়কখন প্ৰত্যাহাৰ কৰিবলৈ বিচাৰো। গুৱাহাটী পৌৰ নিগমৰ ১৯৭৮ চনৰ আইনখন অনুযায়ী গুৱাহাটী পৌৰ নিগমৰ লগত এটা বৃহৎ পৰিমানৰ এলেকা সোমাই আছে। এই বৃহৎ এলেকাত ইতিমধ্যে নানান উদ্যোগ, কল কাৰখানা শিল্প অনুস্থান আদি গঢ়লৈ উঠিছে। এই বৃহত এলেকাতো আগৰ পৌৰসভাৰ খাজনাৰ নিৰিখমতে চলি আছে কাৰণে এই বিলখন আনিবলগীয়া হৈছে। এই বিলখন পৰীক্ষা নিৰিক্ষা কৰি দেখা গল যে বিলখন যদি অনা হয় তেনেহলে এই বিলখনত নতুনকৈ যিটো অঞ্চল সন্নিৱিষ্ট কৰা হৈছিল তাৰ আগৰ বন্দবস্তি মতে ৩০ বছৰৰ পট্টা দিয়া হৈছিল আৰু এইটো প্ৰযোজ্য হব ৯০ চনতহে। গতিকে যি উদ্দেশ্য লৈ এই বিল অনা হৈছে সেই উদ্দেশ্য সাধিত নহব। সেই কাৰণে আমি দুই এটা ধাৰ ইয়াৰ লগতে সন্নিবিষ্ট কৰি পুনৰ বিলখন আনিবলৈ ঠিৰাং কৰি এই বিলখন উঠাই লবলৈ বিচাৰিছোঁ।

* শ্রীবীরেশ মিশ্র :— মাননীয় চেয়ারম্যান মহোদয়, এই লেণ্ড রেভিনিউ রিনসেচ্‌মেণ্ট বিলের মোভার, রাজস্ব মন্ত্রী মহোদয়, এটা তুলে নেওয়ার জন্য এই সদনে লিভ চেয়েছেন। কিন্তু ঠিক এই ধরনের আর

* Speech not corrected

একটি বিল এই সেশন যখন শুরু হয় তখন আমাদের সামনে আনা হয়েছিল The Assam Temporary Settled Areas Tenancy Bill, 1979.

(এটা আনা হয় নি)

এটা এজেণ্ডাভুক্ত ছিল। সুতরাং সেই বিল এবং এই বিল এই দুটোরই উদ্দেশ্য প্রায় একই। অর্থাৎ টাউনের লেণ্ডের যে সংজ্ঞা, এটা আমাদের মন্ত্রী মহোদয়ের বিবৃতি মতে এই গৌহাটী পৌর নিগমের পরিধি বৃদ্ধি হওয়ার পর অনেক নতুন জমি এই কর্পোরেশনের আওতায় এসেছে। এই সম্পর্কে আমি সদনের নজরে আনতে চাই যে এই সংজ্ঞা নির্ণয়ের ব্যাপারে এই নিগমের আওতায় যে সমস্ত নতুন জমি এসেছে এই নতুন জমি এবং পুরনো যে সমস্ত জমি রয়েছে তার সমস্যার সমাধান একই সঙ্গে করবেন কি না এটা একটা দিক মাত্র। এর পরে Assam Non-Agricultural Urban areas tenancy Act, 1955. এর পরে যে এমেণ্ডমেণ্ট হয়েছে, এই আইনের মধ্যে যে বিধান রয়েছে টেনাণ্টদের সম্পর্কে এই সম্পর্কে এই নতুন বিলের পরিপ্রেক্ষিতে আমি এই সদনের মাধ্যমে মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করতে চাই। কারণ, আজ পর্যন্ত এই সদন আরম্ভ হওয়ার পরে এই শহর অঞ্চলের বস্তিতে যে টেনাণ্ট রয়েছে তাদেরে রক্ষা করার নামে যে আইন ১৯৫৫ ইংতে তৈরী হয়েছিল তার কার্য্যকরীতার ভিতর দেখা গেল যে এই আইনের ৫ নং সেকশন অনুযায়ী সেখানে কি অবস্থায় টেনাণ্টর রাইট পাবেন, এই সেকশনে এই ব্যাপারে ডিফেক্ট থাকার ফলে সমস্ত সুযোগ কেবল আমাদের আমলারা ভোগ করছেন। অর্থাৎ আমার বক্তব্য হলো যে নতুন সমস্ত এলাকা এই কর্পোরেশনের অন্তর্গত হবে, সেখানকার টেনাণ্টদের ভাগ্য নিয়ন্ত্রিত হবে। এবং তারা এতদিন যে টেনান্সি রাইট পেয়ে এসেছিল তাদের এই অধিকার

চলে যাবে।

চেয়ারম্যান মহোদয়, এই যে সেকশন ৫, যারা আইনের পণ্ডিত যেমন আমাদের ল' মিনিষ্টার, তারা জানেন, হাইকোর্টে বা লোয়ার কোর্টে এই সমস্ত নিয়ে কত কেস চলেছে এবং কত টেনেণ্ট যে উচ্ছেদ হয়েছে তার হিসাব নাই। আর এমন একটি সাংঘাতিক........

মাননীয় চেয়ারম্যন :— আপনি ডিটেল্স আলোচনা করতে পার-বেন না।

শ্রীবীরেশ মিশ্র :— না। আমি শুধু দৃষ্টি আকর্ষণ করছি।

শ্রী:কশব গগৈ :— চেয়ারম্যান মহোদয়, তেখেতে যিখিনি কথা কৈছে, সেইখিনি ইয়াত নাহে।

* শ্রীবীরেশ মিশ্র :— এই সম্পর্কে আমি জানতে চাই যে এই যে আইনের আওতায় এই জমি গুলিকে আনার কথা এখনে বলা হয়েছে এটা অতি বিপজ্জনক। কারণ এই যে প্রজারা জমিতে আছে তারা যাতে এই জমি থেকে উচ্ছেদ না হয় তার জন্য যে সেকশন ৫ অফ্ নন্ এগ্রিঃ টেনেন্সি এক্ট এর যে প্রয়োজন এটা সরকার উপলব্ধি করেণ কি? যদি করেণ তাহলে এটা সংশোধন করবেন কি না আমি পরিষ্কার জানতে চাই। কারণ, এই ব্যাপারে ল' কমিশনও মন্তব্য দিয়েছেন। সুতরাং আমি আশাকরি জনতা সরকার এই সুযোগে তাদের বক্তব্য উপস্থিত করবেন।

শ্রীকেশব চন্দ্র গগৈ :— চেয়াৰম্যান মহোদয়, মাননীয় সদস্য গৰা-কীক মই কব খুজিছো যে সেইখিনি কথাৰ লগত আজি যিখন আইন

* Speech not corrected

উঠাই লব খুজিছে তাৰ সম্বন্ধ নাই। সদনৰ মতামত বিচাৰিছে যে অসম ভূমি ৰাজস্ব পুনৰ নিৰ্দ্ধাৰণ (সংশোধণী) বিলখন প্ৰত্যাহাৰ কৰিবলৈ। টাউন অঞ্চল বাহিৰ হোৱাৰ লগে লগে টেমপোৰেৰি টেনান্সি এক্টখন বলবৎ হৈ আছে। এই ক্ষেত্ৰত এই আইনখনৰ অসুবিধা হৈছে। সেই কাৰণে এই আইনখন উঠাই লবলৈ অনুমতি বিচাৰিছে।

শ্ৰীবীৰেশ মিশ্ৰ ঃ— মাননীয় চেয়াৰম্যান মহোদয়....................

মাননীয় চেয়াৰম্যান ঃ— যেতিয়া বিলখন আহিব তেতিয়া আলোচনা কৰিব।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৯২ (গ) নিয়ম অনুযায়ী মই ১৯৭৯ চনৰ অসম ভূমি ৰাজহ পুনৰ নিৰ্দ্ধাৰণ (সংশোধনী) বিলখন প্ৰত্যাহাৰ কৰিবলৈ অনুমতি বিচাৰিছো। যদি সদনে অনুমতি দিয়ে তেতিয়াহলে এই বিলখন প্ৰত্যাহাৰ কৰিব পৰা হব।

(ভইচেচ ঃ— অনুমতি দিয়া হ'ল।)

যিহেতুকে অনুমতি দিলে এই বিলখন প্ৰত্যাহাৰ হৈছে বুলি ঘোষণা কৰা হ'ল।

Now the House stands adjourned till 10 A: M. tomorrow.

The House then rose at 5.26 P. M. and stood adjourned till 10 A. M. on Thursday, the 5th April, 1979.

DISPUR :
The 4th April, 1979.

P. D. BARUA.
Secretary,
Assam Legislative Assembly